# গধূলি লগ্ন

ড০ দীপক মজুমদাৰ

অংশুমান প্ৰকাশন
গুৱাহাটী

**GODHULI LAGNA :** A Collection of Assamese Thrillers written by Dr. Deepak Majumdar & Published by M/s Angshuman Prakashan, New Sarania, Guwahati.

# গধূলি লগ্ন

রহস্য গল্পৰ সংকলন

লিখক ঃ
ড° দীপক মজুমদাৰ

প্ৰকাশক ঃ
অংশুমান প্ৰকাশন
নতুন শৰণীয়া, গুৱাহাটী

প্ৰথম প্ৰকাশ ঃ
চেপ্তেম্বৰ, ২০০৬

মুদ্ৰক ঃ
কুনাল কম্পিউটাৰ প্ৰিণ্টাৰ্ছ
পাঠশালা

মূল্য ঃ
বিশ টকা

এই একে লিখকৰে ঃ

- শংকা আশংকা আৰু মৃত্যু
- নিচান
- ৰক্তিম ৰত্ন
- আক্ৰোশ
- সোণালী পৰশ
- শিখৰৰ ৰাজকন্যা
- শৰাইঘাট

সংকলনখনত থকা গল্পকেইটা জনপ্ৰিয় আলোচনী ৰহস্যত প্ৰকাশ পাইছিল। এতিয়া গ্ৰন্থাকাৰে প্ৰকাশ পোৱাৰ সময়ত ৰহস্যৰ সম্পাদক শ্ৰীদামোদৰ শৰ্মাদেৱক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গল্পকেইটাৰ পটভূমি বাস্তৱ। কিন্তু কাহিনী আৰু চৰিত্ৰ এই সকলোবোৰ কাল্পনিক, বাস্তৱৰ লগত ক'তো মিল নাই।

এই সংকলনখনৰ গল্পকেইটা বিভিন্ন সময়ত লিখা হৈছিল। আলোচনীত প্ৰকাশ হোৱাৰ সময় আৰু পৰিস্থিতিৰ লগত এতিয়াৰ পৰিবেশ পৰিস্থিতিৰ মিল নথকাটোৱেই স্বাভাৱিক। তথাপিও গল্পকেইটা নতুনকৈ সজাই পৰাই লোৱা নহ'ল তেতিয়াৰ পটভূমি আৰু পৰিস্থিতিৰ চিন সজীৱ কৰি ৰাখিবলৈ।

**ড° দীপক মজুমদাৰ**
**১ চেপ্তেম্বৰ, ২০০৬**

সূচী ঃ


| | |
|---|---|
| সাতাইশ বছৰৰ পিছত | ঃ ১ ঃ |
| মৃত্যু বিভীষিকা | ঃ ১৫ ঃ |
| ৰক্তাক্ত | ঃ ৩৯ ঃ |
| বিস্ফোৰণ | ঃ ৫৮ ঃ |
| গধূলি লগ্ন | ঃ ৭৩ ঃ |

# সাতাইশ বছৰৰ পিছত

অলংকাৰৰ ওজনে নন্দিতাক কাহিল কৰি পেলাইছে, দিনটোৰ লঘোনৰ অন্তত মাত্র কেইগৰামানহে ভাত খাব পাৰিছিল নন্দিতাই। সেই কাৰণে হবলা টোপনিয়ে হেঁচা মাৰি ধৰিছিল নন্দিতাক। তথাপিও আজি নন্দিতাই শুব নোৱাৰে; শোৱা অনুচিত। কিমাননো বাজিছে এতিয়া ! খুব বেছি নিশা এঘাৰটা ; নন্দিতাই অনুমান কৰিলে। অলপ আগতে দৰাঘৰৰ পৰা অৰ্থাৎ তাইৰ নতুন ঘৰৰ পৰা বায়েক আৰু পেহীয়েক গ'লগৈ। ভোজৰ আলহীবোৰো যোৱা কেতিয়াবাই শেষ হ'ল। নন্দিতাই এতিয়া অপেক্ষা কৰিছে কাঞ্চন চৌধুৰী কোঠালৈ সোমাই অহালৈ। কাঞ্চন চৌধুৰী নন্দিতাৰ স্বামী। আজি জীৱনৰ প্ৰথম দিনৰ কাৰণে একেটা কোঠাত অন্য এজনৰ লগত নন্দিতাই ৰাত্রি যাপান কৰিব লাগিব। নন্দিতাৰ অস্বস্তি লাগিছে। গোটেই ঘৰটো নিজান পৰি আছে। বিয়াঘৰৰ এই নিৰ্জনতাই নন্দিতাক আৰু অস্বস্তিত পেলাইছে।

তেনেতে শব্দ এটা কৰি দৰ্জাখন খোল খাই গ'ল। নন্দিতাই ওৰণিৰ তলেৰে চাই পঠিয়ালে। কাঞ্চন চৌধুৰী সোমাই আহিছে, আহি ফুলেৰে সজোৱা বিছনাখনৰ ওচৰত ঠিয় হৈছে। চিলিঙত জ্বলি থকা বাল্বটোৰ পোহৰ মুখখনত পৰি দেখিবলৈ অপূৰ্ব লাগিছে। নন্দিতাৰ অন্তৰ থৌকি বাথৌ হ'ল। তাই ঠিয় হ'ল। নন্দিতা এইবাৰ কিছু যেন আচৰিত হ'ল। তাইৰ নৱ স্বামীৰ সোঁহাতৰ মুঠিত থকা সৰু গিলাচ এটাত ৰঙা বৰণৰ পানীয় অলপমানো দেখিলে নন্দিতাই।

'টোপনি ধৰিছে?'

'নাই ........ মানে.............'

কাঞ্চনৰ ওঁঠত সৰু হাঁহি এটা বিৰিঙিল। এইবাৰ সোঁহাতৰ পানীয়ৰ গিলাচটো নন্দিতালৈ আগবঢ়াই দি ক'লে, 'লোৱা।'

'কি?' নন্দিতাই লওঁ নলওঁকৈ সৰু গিলাচটো লৈ সুধিলে।

'চৰবৎ। মায়ে দি পঠিয়াইছে। খোৱা।'

'তোমাৰ ....... মানে আপোনাৰ...........'

'মই খালো। এইকণ তোমাৰ বাবেহে।'

নন্দিতাই গিলাচটো মুখলৈ আনিলে। বৰ গোন্ধাইছে পানীয়খিনি। অনিচ্ছাস্বত্বেও

নন্দিতাই একে উশাহে পী খালে পানীয়খিনি। নন্দিতাৰ শৰীৰটো যেন ৰিমজিমাই উঠিল। তাইৰ চকুহাল জাপ খাই আহিল। নন্দিতাই অনুভৱ কৰিলে কোনোবা পুৰুষ হাতৰ স্পৰ্শ; তাইক আকোৱালি লৈ বিছনাখনত শুৱাই দিছে। নন্দিতাই এইবাৰ শুনিলে কোনোবা আদহীয়া তিৰোতাৰ কণ্ঠ ' খালেনে?'

' খালে মা।'

' উহ ৰক্ষা।'

' কিন্তু আৰু যে ছদিন খুৱাব লাগিব মা।' পুৰুষ কণ্ঠৰ উত্তৰ। নন্দিতাই ধৰিব পাৰিলে কণ্ঠস্বৰৰ গৰাকী........... কিন্তু ............ তাৰ পিছত আৰু নন্দিতাৰ অনুভৱৰ শক্তিকণ হেৰাই গ'ল।

২

' পাপৰি বাইদেউ যোৱাগৈ নেকি?' নন্দিতাই সুধিলে।

' যাওঁ। আঠ মঙলালৈ নিমন্ত্ৰণ কৰিবলৈ আহিছিলো। তহঁত বোলে সিদিনাখন গাৱঁৰ ঘৰলৈ যাবি, গাৱঁৰ মন্দিৰত কিবা পূজা আছে বোলে। সেই কাৰণেই আঠ মঙলা পিছুৱাব লাগিব।' কথাষাৰ কৈ পাপৰি হাজৰিকা অৰ্থাৎ নন্দিতাৰ একমাত্ৰ বায়েক উঠি ঠিয় হ'ল ' মই যাওঁ। মাক খবৰ দিব লাগিব, নহ'লে বজাৰ সমাৰ কৰি পেলাব।'

' ৰ'বাচোন বাইদেউ।'

পাপৰি যাব ওলাইছিল, কিন্তু নন্দিতাৰ কথাৰ সুৰে পাপৰিক কিছু চিন্তিত কৰিলে। ঘৰখনত সোমাবৰে পৰা পাপৰিয়ে লক্ষ্য কৰিছিল নন্দিতা যেন কিছু আনমনা; আগৰ সপ্ৰতিভ চঞ্চলা নন্দিতা যেন ম্লান পৰি গৈছে। চকুৰ গুৰি অলপ ক'লাও পৰিছে।

' কি হৈছে তোৰ ............. ?'

'মোৰ মানে ..........' নন্দিতাই একো ক'ব নোৱাৰিলে। কি ক'ব তাই! খুলি ক'ব নেকি যে তাই প্ৰতি নিশা এগিলাচ ৰঙা পানীয় খাব লগীয়াত পৰে আৰু তেতিয়াই টোপনিৰ মায়াজালে তাইক আকোৱালি লয়। আৰু ......... এইটোও খুলি ক'ব নেকি যে তাই এতিয়াও কুমাৰী হৈয়েই আছে..............

' নন্দিতা।'

' হু।' নন্দিতাই অন্যমনস্ক ভাৱটো এৰুৱাব খুজি হাঁহিলে।

' কি হৈছে তোৰ? কিবা অসুবিধা ..............'

পাপৰিয়ে আৰু কিবা সুধিব খুজিছিল, তেনেতে কোঠাটোলৈ নন্দিতাৰ শাহুৱেক

সোমাই অহা দেখি পাপৰিয়ে আৰু নুসুধিলে। দুই এষাৰ কথা শুধি পাপৰি গুছি গ'ল। নন্দিতা কিন্তু বহুপৰলৈ সেই ঠাইতেই ঠিয় হৈ ৰ'ল। এটা যেন মুক বধিৰ প্ৰস্তৰ মূৰ্ত্তি।

'নন্দিতা!'

শাহুৱেকৰ মাতত নন্দিতাৰ মনৰ ভাবৰ খেলিমেলি খিনি বিদুৰ হ'ল। তাই ওৰণিখন ঠিক কৰি ল'লে।

'আৰু মাত্ৰ এদিন ধৈৰ্য্য ধৰা নন্দিতা। তাৰ পিছত সকলো ঠিক হৈ যাব।' খুব অনুচ্ছ কণ্ঠেৰে কৈছিল নন্দিতাৰ শাহুৱেকে 'ময়ো এদিন এনেকুৱা পৰিস্থিতি এটাৰ সন্মুখীন হৈছিলো। ............ কিন্তু ময়ো নোৱাৰিলো ........... এতিয়া তোমাৰ পাল ........... তুমিওঁ নোৱাৰিলে তোমাৰ পুত্ৰৰ বোৱাৰীয়ে....... থাওঁক সেইবোৰ। বংশৰ কথা কাহিনীবোৰ পিছতো শুনিবা। এতিয়া তুমি সাজু হোৱা। কাপোৰ কানি এটা বাকচত ভৰাই ল'বা। কালিলৈ পুঁৱতি নিশাই আমি যাত্ৰা কৰিম.......... '

৩

'তাৰমানে নন্দিতাইঁত আহিব নোৱাৰে?' পাইপটোত হোপা এটা মাৰি শুধিলে ডঃ পৰেমশ বৰুৱাই। নন্দিতাৰ দেউতাক নৃতত্বৰ অধ্যাপক।

'নোৱাৰে , গাঁৱৰ ঘৰলৈ যাব কালিলৈ। সেইদেখি আঠ মঙলা পিছুৱাব খুজিছে, অন্ততঃ দুদিনলৈ।' ক'লে পাপৰিয়ে।

'হু।'

ডঃ বৰুৱাই এইবাৰ চকীখনত ভালদৰে আঁউজি বহি চকুহাল মুদি দি অস্ফুট কণ্ঠেৰে আওঁৰালে, 'আচৰিত!'

'কি আচৰিত দেউতা?' সুধিলে পাপৰিয়ে।

'আচৰিত। আজি সাতাইশ বছৰ আগেয়ে যিটো ঘটনা ঘটিছিল ঠিক একে ঘটনাই আকৌ ঘটিল এতিয়া।'

'মই একো বুজা নাই দেউতা।'

'প্ৰথমে ময়ো বুজা নাছিলো ; এতিয়া বুজিছো।' এপলক বৈ ডঃ বৰুৱাই পাইপটোত হোপা এটা মাৰি.পুনৰাই ক'লে, 'তই ডিব্ৰুগড়ত থকা এনথ্ৰপলজিকেল চাৰ্ভে অব ইণ্ডিয়াৰ ডঃ আদিত্য কাকতিলৈ ট্ৰাংকল এটা বুক কৰ। জৰুৰী।'

পাপৰিয়ে কিবা এষাৰ সুধিব ওলাইছিল , কিন্তু নুসুধিলে। তাই ৰহস্যৰ গোন্ধ পালে। ট্ৰাংকলটো বুক কৰি পাপৰি আকৌ দেউতাকৰ অফিচ কোঠাটোলৈ সোমাই আহিল। ডঃ বৰুৱাই পুৰণি ফাইল এটা উলিয়াই লৈ মনযোগেৰে পঢ়ি আছে। পাপৰিয়ে দেউতাকৰ

ওচৰত চকী এখনত বহি লৈ মাত লগালে, 'দেউতা।'

ডঃ বৰুৱাই এইবাৰ ফাইলটো ওচৰৰ টেবুলখনত থ'লে। পাইপটো মুখৰ পৰা এৰুৱাই আনিলে। হুমুনিয়াহ এটা পেলালে ডঃ বৰুৱাই। পাপৰিয়ে সুধিলে, ' কি ভাবিছা দেউতা?'

'ভাবিছো সেই সাতইশ বছৰৰ আগৰ কথা। কথাটো তেতিয়া তেনেই সাধাৰণ যেন লাগিছিল। কিন্তু এতিয়া.... এতিয়া যেতিয়া গম পালো সেই সাধাৰণ ঘটনাটোৰ লগত নন্দিতাৰ প্ৰশ্ন জড়িত হৈ আছে তেতিয়া মই আকৌ জুকিয়াই চালো।'

'মই একো বুজা নাই দেউতা।' পাপৰিয়ে ক'লে।

'শুন। কাঞ্চনৰ মাক দেউতাকৰ বিয়া হৈছিল সাতাইশ বছৰৰ আগেয়ে। মোৰ বন্ধু ৰমেন দাসৰ পেহীয়েক আছিল কাঞ্চনৰ মাক। সেইসূত্ৰেই চিনাকী। বিয়াৰ আঠ মঙলাৰ নিমন্ত্ৰণ কৰিবলৈ মই আৰু ৰমেন গৈছিলো। সেইদিনা কাঞ্চনৰ মাকৰ শাহুৱেকৰ পৰাও আমি ঠিক একে উত্তৰকে পাইছিলো। তেওঁলোক হেনো গাৱঁৰ ঘৰলৈ যাব। পূজা আছে। সেইদিনাখনো আছিল পূৰ্ণিমাৰ ৰাতি। কালিলৈ নন্দিতাৰ আঠ মঙলা। কালিলৈও পূৰ্ণিমা।.............'

'কিছুমান ঘটনাক্ৰমৰ এনেকুৱা ধৰণৰ মিল থাকেই।'

'তই ক-ইঞ্চিডেন্টৰ কথা কৈছ? কিন্তু ই এটা সাধাৰণ ক-ইঞ্চিডেন্ট হ'ব নোৱাৰে। কিয় নোৱাৰে জান? কাৰণ ঠিক একে ঘটনা কাঞ্চনৰ আইতাকৰ ক্ষেত্ৰটো ঘটিছিল। নন্দিতাৰ ক্ষেত্ৰটো ঘটিব। হয়তো নন্দিতাৰ...... কিন্তু ......... কিয় .........'

তেনেতেই টেলিফ'নটো বাজিব ধৰিলে ; ডঃ বৰুৱা যেন তালৈকেহে ৰৈ আছিল। একেকোবে তেওঁ টেলিফ'নটোৰ ওচৰ পালেগৈ।

৪

নন্দিতাৰ টোপনি অহা নাই। চকুহাল ট-ট কৈ মেলি নন্দিতাই আঠুৱা খনৰ ওপৰলৈ চাই আছে। মহ এটা কোণকোণাই উৰি আছে। নন্দিতাই মুৰটো বাওঁফালে হলাই কাঞ্চন চৌধুৰীলৈ চালে, আৰু তাই চমকখাই উঠিল। কাঞ্চন সাৰে আছে, তাইলৈকে চাই আছে।

'টোপনি অহা নাই?' কাঞ্চনে সুধিলে।

'নাই।' কথাষাৰ কৈ নন্দিতাই মূৰটো ঘূৰালে। হুমুনিয়াহ এটা পেলালে নন্দিতাই। কিবা এক অনামী বেদনাত নন্দিতা ম্ৰিয়মান হৈ পৰিছে। কিন্তু বুজাই ক'ব কাক তাই?

কাঞ্চনক নে অইন কোনোবাক?

হঠাতে নন্দিতাই বিব্রত বোধ কৰিলে। এই প্ৰথমবাৰৰ কাৰণে কাঞ্চন তাইৰ নিচেই ওচৰ চাপি আহিছে। কাঞ্চনৰ এখন হাত তাইৰ উঠন বুকুৰ ওপৰেৰে গৈ থুতুৰি চুইছেগৈ। নন্দিতাই চকুহাল জপাই দিলে। তাইক মাত্ৰ এইকণ সুখেই লাগে। কিন্তু ....... কাঞ্চন আৰু আগ নাবাঢ়িব নেকি? তেন্তে.........

'নন্দিতা।'

'হু।'

'তুমি বেয়া পাইছা?'

নন্দিতাই একো নক'লে। কি ক'ব তাই? কথাবাৰ ফুটাই কোৱাৰ একো প্ৰয়োজন নাই।

'আৰু মাত্ৰ এদিন নন্দিতা। তাৰপিছত সকলো ঠিক হৈ যাব। তোমাৰ সকলো দাবী মই অনায়েসে পুৰাই দিম। তোমাৰ দেহৰ ..... মনৰ........ অন্তৰৰ......... সকলো দাবী ........ মাত্ৰ তুমি ধৈৰ্য্য ধৰা। আৰু তুমি ধৈৰ্য্য ধৰিবই লাগিব নন্দিতা। তোমাৰ, মোৰ, আমাৰ, বংশৰ ভৱিষ্যৎ এই সকলো সাঙুৰ খাই আছে ইয়াত।'

'কিন্তু কেনেকৈ?' কিমাননো আছে তাই আৰু কাঞ্চনৰ মাজত বাৰু ব্যৱধান, খুব বেছি এক ইঞ্চি!

'তুমি মোক উত্তেজিত নকৰিবা নন্দিতা। প্লীজ।'

কাঞ্চন পিছলৈ গ'ল। নন্দিতাই কাঞ্চনৰ গাটো লৰাই দি সুধিলে — 'কিন্তু কিয়?'

'কিয়নো মই, মা-দেউতাই আনকি তুমিও বিচাৰা আমাৰ বংশধৰ পৰম শক্তিশালী হওঁক। সেইকাৰণেই কালিলৈ আমি আমাৰ গাৱঁৰ ঘৰলৈ যাম। পূজাভাগ শেষ হোৱাৰ পিছতে তোমাৰ আৰু মোৰ প্ৰকৃত মিলন ঘটিব। ইয়াতকৈ বেছি তোমাক আৰু মই এতিয়া একো নকওঁ। পিছত এদিন সকলো বুজাই ক'ম। তুমি মাত্ৰ ......'

নন্দিতাই আৰু একো শুনিব নুখুজিলে, তাই ডাঙৰ বিছনাখনৰ সিদাঁতিলৈ গ'ল। চকুহাল মুদি দিলে তাই। ভয় খাইছে নন্দিতাই। তাই বহুত কাহিনী পঢ়িছে, বিভিন্ন কিতাপ আলোচনীত। তাই জানে কিছুমান সমাজত নিয়ম আছিল পুৰোহিতৰ দ্বাৰা বিবাহিতা কন্যাৰ.......

হে ভগৱান......... !!

আৰু যদি শেষত তাইৰো দশা সেই বোৱাৰীবোৰৰ দৰে হয়গৈ!!

তাৰপিছত নন্দিতাৰ আৰু একো মনত নাই, টোপনিয়ে তাইক অৱশ কৰি পেলাইছিল। কিন্তু খুব ৰাতিপুৱাতে শুই উঠিব লগীয়া হ'ল তাই। এম্বেচেডৰখনত বাকচ বিছনা উঠোৱা হৈছিল। নন্দিতাই গাড়ীত উঠিবলৈ সাজু হ'ল। আৰু ঠিক তেনেতে .........

এটা চিনাকী গাড়ীৰ হৰ্ণ শুনিলে নন্দিতাই।

নন্দিতাই মুৰ তুলি চালে। নন্দিতাহঁতৰ পুৰণি ফিয়েটখন চৌহদলৈ সোমাই আহিছে, দেউতাকে চলাই আনিছে।

'অ..... আপোনালোক যাব ওলালেই...... ভালেই হ'ল ...... লগ পাই গ'লো।' ডঃ পৰমেশ বৰুৱা গাড়ীৰ পৰা নামি নন্দিতাৰ শাহুৱেকৰ ওচৰলৈ আহি ক'লে।

'আৰু অলপ দেৰী কৰিলে নাপালেইহেঁতেন। পিছে.......'

'মই আপোনালোকক নৰখাওঁ। আচলতে ময়ো আজি ডিব্ৰুগড়লৈ যাম। ইউনিভাৰ্চিটিত নৃতাত্ত্বিক চেমিনাৰ এখন আছে। ভাৱিলো সময় পালে আপোনালোকৰ গাৱঁৰ ঘৰলৈকো এপাক মাৰি আহিম। সেই কাৰণেই সুধিব আহিলো গাওঁখনৰ নামটো ! বাৰু ডিব্ৰুগড়ৰ পৰা কিমান দূৰত গাওঁখন.......'

নন্দিতাই দেউতাকলৈ চাই আছিল, এইবাৰ শাহুৱেকলৈ চালে।

শাহুৱেকৰ মুখখন ক'লা পৰিছে। তেওঁ যেন অস্বস্তিবোধ কৰিছে। পুতেকলৈ অৰ্থাৎ কাঞ্চনলৈ চাইছে। নীৰৱে।

নন্দিতাই উচপিচাব ধৰিছে। শাহুৱেকে নক'ব নেকি বাৰু নামটো!!

৫

পৰিবেশতো বৰ নিৰ্জন। গহীন। এনেকুৱা এটা নিৰ্জন আচহুৱা পৰিবেশৰ মাজত সোমাই নন্দিতাৰ হঠাতে কিয়জানো ভাল লাগি গ'ল। এইটো পৰিবেশ, এইখন গাওঁ আৰু এই পুৰণি দিনীয়া আওঁপুৰণি ঘৰটো তাইৰ যেন বহুদিনৰ চিনাকি! নন্দিতা বোধহয় আনমনা হৈ পৰিছিল, দৰ্জাখনত সেয়েহে কোনোবাই সশব্দে ঢকিয়াই দিয়াত নন্দিতাৰ তন্ময়তা ভাঙি গ'ল।

'নন্দিতা! হ'লনে গা ধোৱা?'

শাহুৱেকৰ মাতটো ধৰিব পাৰি নন্দিতাই ক'লে, 'হ'ল মা।'

গাটো মুচি নন্দিতা ওলাই আহিল। বাৰান্দাখনত শাহুৱেক ঠিয় হৈ আছিল। মুখখন যেন গহীন।

' তোমাক বিচাৰি ডিব্ৰুগড়ৰ কোনোৱা ডঃ আদিত্য কাকতি আহিছিল।'

'আদিত্য কাকতি? ওখ আৰু হটঙা নেকি মানুহজন?'

'অ। চিনি পোৱা নেকি?'

' পাওঁ। আমাৰ দেউতাৰ ছাত্ৰ আছিল।'

' তোমাৰ দেউতাৰ ছাত্ৰ? কিন্তু ........' শাহুৱেকে কিবা এষাৰ ক'ব ওলাইয়ো নক'লে। কিছুপৰ তভক মাৰি ৰৈ ক'লে, ' তেওঁতো সেইবুলি কোৱা নাছিল! তেনেহ'লে........ ভালেই হ'ল তেওঁক পঠিয়াই দিয়া।'

শাহুৱেক যাব ওলাল ; কিন্তু দুখোজ দি আকৌ ৰৈ গ'ল। 'নন্দিতা।' মাতিলে এইবাৰ। নন্দিতা ওচৰ চাপি আহিল। তাই অস্বস্তি বোধ কৰিছে। শাহুৱেকৰ মাতটো যেন কঁপিছে। যেন অন্তৰৰ তলীৰ পৰা ওলাওঁ নোলাওঁকৈ ওলাইছে!

'কি হ'ল মা?'

' তুমি ......... 'শাহুৱেকে নন্দিতাৰ হাতদুখন খামোচ মাৰি ধৰি কিছু জড়তা ভৰা স্বৰেৰে ক'লে , ' তুমি মাত্ৰ আজিৰ দিনটো ধৈৰ্য্য ধৰা নন্দিতা। আৰু অলপ পিছতে গধূলি হ'ব। আমাৰ কুল পুৰোহিত আহিব। ক্ষণ মিলিলে পূজা ভাগ হ'ব আৰু তাৰ পিছত এক অপূৰ্ব্ব ক্ষণত তোমৰ আৰু কাঞ্চনৰ শুভ মিলন হ'ব। মাত্ৰ এই ক্ষণটোৰ কাৰণেই তুমি ধৈৰ্য্য ধৰি ৰ'ব লাগিব। মনত ৰাখিবা আজি কাৰ্য্য সিদ্ধি হ'লেহে আমাৰ বংশত এক পৰম শক্তিমন্ত কালপুৰুষৰ জন্ম হ'ব। নহ'লে আকৌ সাতাইশ বছৰৰ পিছত তুমিও মোৰ দৰে তোমাৰ বোৱাৰীক ......... থাকক বাৰু। তুমি মুৰতো আচুৰি নোলোৱা।'

শাহুৱেকে এইবাৰ খৰকৈ খোজ দি বাহিৰলৈ আহিল। প্ৰকাণ্ড চ'ৰা ঘৰটো নিমাওমাও হৈ আছে। মাত্ৰ একোণত কাঞ্চনে পায়চাৰী কৰি আছে। মাকক দেখি কাঞ্চন ওচৰ চাপি আহিল। চকুৱে মুখে কিছু যেন উত্তেজনাৰ ভাৱ।

'মা! বনমালীয়ে দুটামান আচৰিত খবৰ দিছে।'

'কি?'

'দুদিনমানৰ পৰা বোলে আমাৰ মন্দিৰত ৰাতি ৰাতি শঙ্খধ্বনি দিয়ে কোনোবাই। জুই একুৰাই বোলে মন্দিৰটোৰ চৌহদত সাতপাক প্ৰদক্ষিণ কৰি অদৃশ্য হৈ যায়। বিগ্ৰহটোৰ চকুৰ মণি দুটাও যেন উজ্বল হৈ পৰিছে!! মোৰ ভাব হৈছে মা আমাৰ যেন সাতাইশ বছৰৰ প্ৰতীক্ষাৰ অন্ত পৰিল।'

'ক'ব নোৱাৰো সোণ। মোৰ কালতো একে দৃশ্য দেখাইছিল প্ৰভুৱে; সেইবাৰো

মোমায়েৰৰ কাৰণে ...... আৰু.......'

'আৰু কি মা?'

'আদিত্য কাকতি বোলাজন গ'লনে?'

'গ'ল ; কিন্তু ...........'

'তেওঁ নন্দিতাৰ মোমায়েকৰ বন্ধু নহয়, দেউতাকৰ ছাত্ৰহে।'

'তাৰমানে..............'

'আকৌ ষড়যন্ত্ৰ চলিছে। আজি ডেড়শ বছৰে যিটো চলি আহিছে আকৌ সেইয়াই ঘটিব ওলাইছে।'

'ওঁহো মা, এইবাৰ কোনেও একো কৰিব নোৱাৰে!' কথাষাৰ কৈয়ে কাঞ্চন ওলাই গ'ল।

'ক'লৈ যাব সোণ?'

'গাওঁবুঢ়াৰ ওচৰলৈ।' ৰিঙিয়াই কৈ গ'ল কাঞ্চনে।

৬

'মই বিশ্বাস নকৰো।'

'আপুনি বিশ্বাস নকৰিলেও চাব ই এক সত্য। অপ্ৰিয় সত্য।'

'কিন্তু ই সম্ভৱ জানো?' ডঃ পৰমেশ বৰুৱাৰ প্ৰশ্ন।

'ক'ব নোৱাৰো। কিন্তু সম্ভৱ হোৱা নোহোৱাটো পিছৰ কথা। প্ৰথম কথা হ'ল এনেকুৱা এটা পৰিস্থিতিৰ পৰা নন্দিতাক উদ্ধাৰ কৰাটো।'

'হুঁ।'

ডঃ বৰুৱা নিমাতে ৰ'ল। তেওঁ ভাবিছে আৰু ঘড়ীতো চাইছে। পাঁচটা বাজিছে এতিয়া। গধুলি হ'লেই, তাৰমানে আৰু মাত্ৰ কেইটামান ঘণ্টা বাকী আছে। ইয়াৰ পিছতে এক অলৌকিক মায়াজালৰ সন্মুখীন হ'ব লাগিব তেওঁৰ মৰমৰ জী নন্দিতাই। কিন্তু কেনেকুৱা মায়াজাল এইয়া! আৰু ডঃ আদিত্য কাকতিয়ে গোটোৱা প্ৰতিটো খবৰেই সঁচা জানো!

'আচ্ছা, গাওঁখন কিমান পুৰণি?'

'বৰ পুৰণি গাওঁ। আঢ়ৈশ বছৰতকৈয়ো পুৰণি গাওঁ।'

'আৰু কাঞ্চনহঁতৰ মন্দিৰটো?'

'মন্দিৰটো আৰু পুৰণি। পাঁচশ বছৰতকৈ কিছু বেছি হ'ব। আহোম যুগৰ আগৰ বুলি ক'লেও মিছা কোৱা নহ'ব কিজানি!'

'হ'ব পাৰে। কিন্তু.......'

'আৰু কি চাৱ?' ডঃ কাকতিয়ে সুধিলে।

'আৰু এটা আচৰিত কথা তুমি এতিয়ালৈকে জনা নাই।'

'কি কথা চাৱ?'

'মই আজি প্লেনত আহোঁতে এষ্ট্ৰলজিকেল মেগাজিন অব ইণ্ডিয়াৰ ডঃ এছ গোপালনক লগ পাইছিলো। তেখেঁ এক সম্পূৰ্ণ আচৰিত খবৰ এটা দিলে। তেওঁৰ মতে আজিৰ এই বিশেষ দিনটোত তিনিটা নক্ষত্ৰ, চন্দ্ৰ আৰু পৃথিৱী একেডাল ৰেখাতে মাজ নিশাৰ অলপ পিছতে মিলিব। এই পৰিঘটনাটো গোটেই পৃথিৱীৰ ভিতৰত মাত্ৰ এই অঞ্চলটোৰ পৰাহে ভালদৰে দেখা যাব। তেওঁ যি ডাল দ্ৰাঘিমা আৰু অক্ষৰেখাৰ বিৱৰণ দিলে তুমি কোৱা কাঞ্চনহঁতৰ গাওঁখনতে সেই ৰেখাডালে পৃথিৱী পৰিশিব, হয়তো সেই মন্দিৰৰ চূড়াতেই য'ত তুমি পূজা ভাগ হ'ব বুলি কৈছিলা তাতেই সেই ৰেখাডালে পৃথিৱী চুব।'

ডঃ কাকতি বিস্মিত, বিমূঢ়।

'আৰু কি জানা, এই পৰিঘটনাটো অকল সুদীৰ্ঘ সাতাইশ বছৰৰ মূৰকতহে ঘটে।'

'কি?'

ডাঃ বৰুৱাই মূৰ দুপিয়ালে। ক'লে 'অ।'

'তাৰমানে চাৱ, কাঞ্চনহঁতে যি কৰিব ওলাইছে আপুনি অকণো বাধা নিদিয়ে?'

'ঠিক কৰিব পৰা নাই আদিত্য।'

'কিন্তু সময় নিচেই তাকৰ। মোৰ ল'ৰাকেইজনে ছাগে গাওঁবুঢ়াক বশ মনালেই আৰু আমি ইয়াৰপৰা যোৱাত পলম কৰিলে.............'

৭

ঘোৰ অন্ধকাৰ।

মৰ আউসীৰ ৰাতি আজি নহয়। কিন্তু জোনৰ জোনাকীয়ে মেঘবোৰক অতিক্ৰম কৰি পৃথিৱী পৰশিব পৰা নাই কাৰণে আৰু গাৱঁৰ কেঁচামাটিৰ পথটোৰ দুয়োকাষে শাৰী শাৰী ওখ ওখ গছ থকাৰ কাৰণেই অন্ধকাৰৰ মাত্ৰা বেছি হৈছে।

কাঞ্চনৰ পিছে ভয় লগা নাই।

অতিমাত্ৰা খঙ উঠিছে কাঞ্চনৰ।

কিন্তু কাৰ ওপৰত? নন্দিতাৰ ওপৰত? নে অইন কোনোবাৰ ওপৰত??

কাঞ্চনে নিজকে সুধিও উত্তৰ নাপালে।

খৰকৈ খোজ দি আছে কাঞ্চনে , সেয়েহে পিছে পিছে আহি থকা বনমালীয়ে কাঞ্চনক লগ পোৱা নাই। এবাৰ বনমালীয়ে পিছফালৰ পৰা মাতি পঠিয়ালে, 'কাঞ্চন বোপা।'

কাঞ্চনে ঘূৰি নোচোৱাকৈ সঁহাৰি দিলে, 'কোৱা।'

'আমাৰ ঘৰলৈ অহা মানুহজনে পিছত বোলে তিনিজন ডেকা ল'ৰা লৈ গাওঁবুঢ়াৰ ঘৰলৈকে গৈছিল। মোৰ বোধেৰে তেওঁলোকৰ লগতে গাওঁবুঢ়া ওলাই গৈছে।'

কাঞ্চন নীৰব।

খোজৰ গতি আৰু খৰ হৈছে। গধূলি সাতটা বাজিছে এতিয়া। বাৰটা বাজিবলৈ এতিয়াও আৰু পাঁচ ঘণ্টা বাকী আছে। কাঞ্চনে জানে এই পাঁচ ঘণ্টা সময়ৰ ভিতৰত যিকোনো কাণ্ড ঘটি যাব পাৰে। যিকোনো মানুহে এইকণ সময়ৰ ভিতৰত সেই পৰম আকাঙ্খিত ক্ষণটোত সিহঁতৰ মিলনক বাধা দিব পাৰে।

কাঞ্চনৰ খঙৰ মাত্ৰা আৰু বেছি হৈছে।

ঠিক এই মুহূৰ্ত্তত সেই আদিত্য কাকতি বোলা মানুহজনক হাতৰ মুঠিত পালেহে কিজানি কাঞ্চনৰ খঙৰ উপশম ঘটিব। কিন্তু মানুহজনে অকাৰণতে সিহঁতক কথাত মূৰ ঘমাব কিয় ? কাৰণ এটা নিঃশ্চয় আছে।

আৰু সেই কাৰণতো যদি নন্দিতাৰ দেউতাক হয়..........!!

সি বাৰু নন্দিতাৰ দেউতাকক নকৈ ভূল কৰিলে নেকি যে আজিৰ অভিনৱ নিশাটি সুকলমে পাৰ হৈ গ'লে তেওঁ এক অসীম শক্তিৰ নাতিৰ মুখ দেখিব!!

কিন্তু এতিয়া ক'ব খুজিলেও একো লাভ নহ'ব। ইতিমধ্যেই যথেষ্ট পলম হৈ গ'ল। এতিয়া মাথো তাৰ এটাই চিন্তা। আৰু সাতাইশ বছৰৰ কাৰণে বাট চাব নোৱাৰি। এইবাৰেই........

' ঘৰ পালোহি।' পিছফালৰ পৰা বনমালীয়ে মাত লগালে।

'অ।'

জপনা পাৰ হৈ সন্মুখৰ বহল চোতালখন পাই কাঞ্চনে দেখিলে মাক থিয় হৈ আছে দৰ্জাখনৰ ওচৰত। তাক দেখি আগবাঢ়ি আহিল মাক।

' কি হ'ল মা?'

' আমাৰ — ' মাকে একো ক'ব পৰা নাই, উত্তেজনাত মাথো ফোঁপাইছে।

' কি হ'ল মা , নোকোৱা কিয় ?' কাঞ্চনো উত্তেজিত হৈছে।

'আমাৰ .......' কোনোমতে সেপ এটা ঢুকি মাকে ক'লে ' মন্দিৰত এটাও চাকি জলোৱা নাই , তথাপি পোহৰ হৈ আছে ভিতৰখন। মাজতে এবাৰ শঙ্খধ্বনিও হৈছিল।'

'কি?'

'অ।' কাঞ্চনে দেখিলে মাকৰ চকুলোৰ পৰা আনন্দাশ্রু নিগৰি ওলাইছে।

'তই গা ধুই ল। মই পুৰোহিত দেউৰ ওচৰত বহিছো।'

মাক গ'লগৈ। পিছে পিছে বনমালী।

কাঞ্চন এইবাৰ ভিতৰলৈ আহিল। ভিতৰৰ শোৱাকোঠাৰ পুৰণিদিনীয়া পালেঙখনত নন্দিতা বহি আছিল। পোহৰ নন্দিতাৰ গোলাপী মুখখনত পৰিছে।

'নন্দিতা।'

নন্দিতাই তাৰ মুখলৈ চালে। লাজত ৰঙা পৰিছে গাল দুখন। হয়তো নন্দিতাই বুজি পাইছে আজিহে সিহঁতৰ প্ৰকৃত মিলন হ'ব। আৰু সেই দেখিয়েই হয়তো........

কাঞ্চনে নন্দিতাৰ আৰু ওচৰ চাপি আহি ক'লে, 'নন্দিতা! অভিনৱ নামটো কেনেকুৱা লাগিছে তোমাৰ?'

'ভাল। কিন্তু কাৰ নামনো?'

'তোমাৰ হ'ব লগীয়া অকণমানি............'

'কি?' কৃত্ৰিম খঙত নন্দিতাই হাতখন জোকাৰি দিলে।

কাঞ্চন পিছে কোঠাটোত আৰু নৰ'ল। গামোচাখন লৈ কাঞ্চন পিছফালৰ চোতালখনলৈ আহিল। দূৰৈত সিহঁতৰ মন্দিৰটো চকুত পৰিছে তাৰ।

কিন্তু.........

সৌ অন্ধকাৰ চুকটোত সেইজন কোন!!

কাঞ্চন দুখোজ আগুৱালে।

মাত লগালে 'কোন?'

লগে লগে কাঞ্চনৰ ভাৱ হ'ল অন্ধকাৰত ৰৈ থকা মানুহজন যেন উচপখাই উঠিছে। এবাৰ তালৈ চাই পিছমুহূৰ্তত অন্ধকাৰৰ বুকুলৈ ভিৰাই লৰ দিলে।

৮

নন্দিতাৰ অন্তৰাত্মা দুৰু দুৰুকৈ কঁপিছে। এক প্ৰচণ্ড আবেগিক

থুনুকা অন্তৰখন থৌকি-বাথৌ কৰি তুলিছে। আঁৰ চকুৰে তাই কাঞ্চনলৈ চাই আছে। বেদীৰ ওচৰতে পদ্মাসনত বহি আছে কাঞ্চন , ওচৰত শাহুৱেক আৰু সেই আলৰ বুঢ়া কুল পুৰোহিতজন। সকলো ধ্যানস্থ , পূজাত নিমগ্ন ; কিন্তু নন্দিতা ? নন্দিতাই একোতেই মন বহুৱাব পৰা নাই। সন্দেহ আৰু সংশয়ে তাইক জুমুৰি দি ধৰিছে। সঁচাকৈয়ে জানো বেদীখনৰ ওচৰৰ মজিয়াখনতকৈ এহাত ওখ ঠাইটুকুৰাত তাইৰ আৰু কাঞ্চনৰ মিলনে এক পৰম শক্তিমন্ত জাতকৰ জন্ম দিব পাৰিব যাৰ বিশ্বজয়েই হ'ব জীৱনৰ স্বপ্ন!

হয়তো সঁচাও হ'ব পাৰে এই কল্পনা।

নন্দিতাই ওপৰলৈ চালে। মন্দিৰৰ চূড়াৰ ছিদ্ৰ এটাইদি একাজলি জোনৰ জোনাকী আহি বিগ্ৰহটোৰ চকুৰ মণি দুটাতে পৰিছে, তাৰপৰা পোহৰ চাৰিওফালে বিস্ফোৰিত হৈছে। এই মুহুৰ্ত্তত পোহৰ মাত্ৰ ডিম লাইটৰ বাল্ব এটাতকৈ কিছু বেছি। কিন্তু কাঞ্চনে কৈছে মুহুৰ্ত্তে মুহুৰ্ত্তে এই পোহৰৰ মাত্ৰা বেছি হৈ আহি এক মহাক্ষণত ই অতিশয় আলোকিত হৈ পৰিব। সেই মহাজাগতিক ক্ষণত এই কোঠাটোত থাকিব অকল নন্দিতা আৰু কাঞ্চন। সম্পূৰ্ণ নিৰাভৰণ হৈ সিহঁতে ..........

'আইদেউ!'

পুৰোহিতৰ মাতটোৱে উচপ খুৱালে নন্দিতাক। হঠাৎ তাইৰ খেয়াল হ'ল মন্দিৰৰ এই কোঠাটোত পোহৰৰ মাত্ৰ এতিয়া ষাঠি পাৱাৰৰ বাল্ব এটাতকৈ বেছি। তেন্তে...........!!

'সময় হৈ আহিল। আমাৰ উঠিবৰ হ'ল।'

কথাখিনি কৈ পুৰোহিত বহাৰ পৰা উঠিল। বিগ্ৰহটোলৈ প্ৰণিপাত জনাই বুঢ়া পুৰোহিতজন ওলাই গ'ল।

নন্দিতাৰ শাহুৱেক ঠিয় হৈছে এইবাৰ।

চকুৰে ধাৰাষাৰ আনন্দাশ্ৰু বৈছে।

'নন্দিতা......... কাঞ্চন........ঈশ্বৰে তহঁতক মঙ্গল কৰিব ...........' নন্দিতাৰ কপালত চুমা এটা খাই মাক ধীৰে ধীৰে আঁতৰি গ'ল।

কাঞ্চনে কাঠৰ প্ৰকাণ্ড দৰ্জাখন বন্ধ কৰি দিলে।

নন্দিতাৰ ওচৰ চাপি আহি ক'লে, 'সময় হ'ল নন্দিতা।'

নন্দিতাই ইঙ্গিতটো বুজি পালে। কিন্তু এসোপা লাজে তাইক আৱৰি ধৰিছে। কাঞ্চনে হাঁহি হাঁহি গাৰ পৰা পাঞ্জাবী চোলাটো খহাইছে। এইবাৰ ধুতিখন.........

চৌৰে তাইৰ 'নন্দিতা! ও দেৰী নকৰিবা.........'

নন্দিতাই কাঞ্চনলৈ নোচোৱাকৈ কোনোমতে ক'লে, ' তুমি বেৰলৈ মুখ কৰাছোন।'

'বাৰু।' কাঞ্চনে মুখখন বেৰলৈ পোনাই সুধিলে, 'হ'লনে?'

কিছু বেলিৰ পিছত নন্দিতাই অনুচ্চ কণ্ঠেৰে ক'লে 'হ'ল।'

কাঞ্চনে মুখ ঘূৰালে। পৰম আলোকিত হৈ পৰিছে কোঠাটো।

কোঠাটোত এতিয়া মাথো দুটি নিৰাভৰণ নৰ-নাৰী।

উদ্দেশ্যও মাথো এটাই সিহঁতৰ।

কাঞ্চন ধীৰে ধীৰে আগুৱাই গ'ল।

ঠিক এই মূহুৰ্ত্তত কাঞ্চনে যিটো কথা ভাবিছে কাঞ্চনৰ মাকেও মন্দিৰৰ বাহিৰত বৈ তাকে ভাবিছে। আঁতৰত বুঢ়া পুৰোহিতজন পদ্মাসনত বহি ধ্যানস্থ হৈ আছে। বনমালীও ওচৰত লেপেটা কাঢ়ি বহি লৈছে।

এতিয়া মাথো অপেক্ষাৰ সময়।

আৰু কিমানপৰ ৰ'ব লাগিব বাৰু!

আধাঘণ্টা......... এঘণ্টা...........

হঠাতে সচকিত হৈ উঠিল কাঞ্চনৰ মাক। সেই বাৰীৰ ফালৰ পৰা বাৰু কোন খুপি খুপি আহিব ধৰিছে!! সন্ত্ৰস্ত হৈ তেওঁ মাত লগালে, 'বনমালী।'

'কি আইদেউ?' বনমালী একে লৰে ওচৰলৈ আহিল।

অন্ধকাৰৰ বুকুলৈ আঙুলিয়াই দেখালে কাঞ্চনৰ মাকে।

'মানুহ এজনছোন।'

'অ। চাছোন কোন।'

বনমালী দৌৰি গ'ল। অলপদূৰ গৈয়ে চিঞৰিলে সি, 'আইদেউ! মন্দিৰৰ চূড়াৰ ওপৰতো উঠিব ধৰিছে এজনে।'

'কি?'

'অ। এজন নহয় আইদেউ, দুজন।'

'উঠিব নিদিবি বনমালী........ নিদিবি........'

বহাৰ পৰা উঠি পিছফালৰ চোতালখনলৈ যাব ওলাইয়ো কাঞ্চনৰ মাক থমকি ৰ'ল। তেঁওৰ ওচৰত ঠিয় হৈছে দুজন মানুহ, নন্দিতাৰ দেউতাক আৰু আদিত্য কাকতি বোলা মানুহজন।

'তাৰমানে আপুনিয়েই.........'

'অ। ময়ে মিচেচ চৌধুৰী। এটা অন্ধসংস্কাৰৰ বলি হবলৈ মই মোৰ ছোৱালীজনীক এৰি দিব নোৱাৰো। সেই দেখিয়ে.........'

হুকহুকাই কান্দি দিলে কাঞ্চনৰ মাকে।

আৰু কাঞ্চনে?

কাঞ্চনো হতবাক হৈ পৰিছিল। পোহৰৰ মাত্ৰা কমিছে নেকি?

তাৰমানে......... মন্দিৰৰ চূড়াত আকৌ কোনোবা.........

আৰু যদি সেয়ে সঁচা হয় সিহঁত আকৌ সাতাইশ বছৰলৈ অপেক্ষা কৰিব লাগিব। সি হয়তো অপেক্ষা কৰিব নালাগে। তাৰ পুত্ৰ হ'ব সাতাইশ বছৰৰ পিছত এই একেখন নাটকৰ নায়ক। আৰু যদি আকৌ.........

'নন্দিতা'!

নন্দিতাই মাথো উচুপিছে।

৯

নন্দিতাই আইনাখনৰ ওচৰ চাপি উচপ খাই উঠিল। তাইৰ কপালৰ ওচৰৰ চুলিখিনিৰ দুই এডাল পকিচে। পকিবই। কিমাননো বয়স হৈছে তাইৰ এতিয়া!

বাৱন্ন!

তাৰমানে সেইয়া সুদীৰ্ঘ সাতাইশ বছৰৰ আগৰ কথা।

কোঠাটোলৈ কোনোবা সোমাই অহাৰ উমান পাই নন্দিতাই ঘুৰি চালে। অভিনৱ, তাইৰ একমাত্ৰ পুত্ৰ সন্তান দৰাৰ সাজেৰে সোমাই আহিছে।

নন্দিতাই নীৰৱে পুৰণিদিনীয়া কাঁহৰ পাত্ৰ এটিৰ পৰা ৰঙা পানীয় অলপ গিলাচ এটাত ভৰাই গিলাচটো অভিনৱলৈ আগবঢ়াই দিলে। একো নক'লে। অভিনৱেও নীৰৱে গিলাচটো লৈ ওলাই গ'ল।

নন্দিতাই হিচাপ কৰি চালে।

আৰু সাদিন আছে মাজত মাথো।

আকৌ সাতাইশ বছৰৰ পিছত ঘুৰি আহিছে সেই মহাক্ষণটো।

আৰু এইবাৰ.........

এইবাৰ নন্দিতা প্ৰস্তুত। সকলো ফালৰ পৰাই প্ৰস্তুত। ●

# মৃত্যু বিভীষিকা

শেষ হে অহা ছিগাৰেটটোত দীঘলীয়া হোঁপা এটা মাৰি অৱশিষ্ট টুকুৰাটো এচষ্ট্ৰেত গুজি দি পল্লৱে বিচনাখনৰ পৰা উঠি পিন্ধি থকা ঘড়ীটো চালে। নিশা এঘাৰটা বাজিছে এতিয়া। বোধহয় ৰাখী খৈতান ইতিমধ্যেই শুলে। তেওঁ উপহাৰ দিয়া হীৰা খটোৱা চেইনডাল এতিয়াও সৰু চুটকেচটোত পৰি আছে; কিন্তু এতিয়া লাখটকীয়াৰ গলীৰ এমূৰত থকা এটা সৰু হোটেলখনত আশ্ৰয় লৈ ৰূঢ়, নৃশংস বাস্তৱৰ সন্মুখীন নহৈ অন্য উপায় নাই। হয়তো সি ত্ৰিবান্দ্ৰম এক্সপ্ৰেছত দুটা টিকেট কাটি আনি বুদ্ধিমানৰ কামেই কৰিছে। ত্ৰিবান্দ্ৰমত থকা ৰাখীৰ বান্ধৱী গৰাকীয়ে সিহঁতক আশ্ৰয় দিবই , ৰাখী খৈতানে পৰম বিশ্বাসেৰে কৈছিল। এতিয়া ৰাখীক ৰেলৰে ষ্টেচনলৈ মতাই আনিব পাৰিলেই সি স্বস্তিৰ নিশ্বাস ল'ব পাৰিব।

ত্ৰিবান্দ্ৰম এক্সপ্ৰেছখন গুৱাহাটী এৰিবলৈ এতিয়াও আৰু দুঘণ্টা আছে।

পল্লৱে কোঠাটোৰ পৰা ওলাই তলৰ মহলাত থকা সৰু লাওঞ্জটোত ভৰি দিলে। মেনেজাৰক তেতিয়াওঁ লাওঞ্জতে পাব বুলি পল্লৱে আশা কৰা নাছিল।

'ফ'ন এটা কৰিব লগা হ'ল। হঠাতে জৰুৰী কাম এটা মনত পৰিল।'

'কৰক।' টেলিফ'নটো আগুৱাই দিলে মেনেজৰ সুভাষ বৰাই।

পল্লৱে ডায়েল ঘূৰালে। সিফালৰ পৰা শঙ্কৰ খৈতানৰ মাতষাৰ শুনি পল্লৱৰ সৰ্বশৰীৰ কঁপি উঠিল। এই সময়ত শঙ্কৰ খৈতানৰ উপস্থিতি পল্লৱৰ কাম্য নহয় ; কিন্তু খৈতান আজি কলিকতাত আৰু অহাকালি বাগডোগ্ৰাত থাকি পৰহি গুৱাহাটীলৈ অহাৰ কথা আছিল। আবেলি সি টেলিফ'নত কথাও পাতিছিল শঙ্কৰ খৈতানৰ লগত। তেনেস্থলত...........!!

মদনে কৈ দিলে নেকি সেই অশ্লীল অবৈধ দৃশ্যটোৰ কথা?

পল্লৱৰ মুখত ঘাম বিৰিঙিলে। সি ৰিছিভাৰটো থৈ চেপা কণ্ঠেৰে ক'লে, 'শুলে ছাগৈ। ৰাতিপুৱা কৰিম।'

কথাষাৰ কৈ পল্লৱ নৰ'ল। সি উঠি আহি কোঠাটোলৈ সোমাইগৈ দৰ্জাখন বন্ধ কৰি দিলে। বিচনাখনত শুই দি পুনৰ ছিগাৰেট এটা জ্বলালে।

দুঃচিন্তাই পল্লৱক মূহুৰ্ত্ততে জুমুৰি দি ধৰিলে।

খৈতান ট্ৰেডিং কোম্পানীৰ চাকৰিটো একে গাৱঁৰে আব্দুল খানে যোগাৰ কৰি দিছিল। প্ৰথম বছৰটোতে পল্লৱে বুজি পাইছিল শঙ্কৰ খৈতানে চাহপাত বিক্ৰীৰ লগত ড্ৰাগছৰ স্মাগলিঙো কৰে। মণিপুৰী যুৱক এজনে নিষিদ্ধ ড্ৰাগছ গুৱাহাটীলৈ লৈ আহে। খৈতানৰ মানুহে তাৰপিছত ভাৰতৰ অন্যান্য ঠাইলৈ পঠিয়াই দিয়ে ড্ৰাগছৰ টোপোলা চাহপাতৰ বাকচৰ মাজত। পল্লৱো সোমাই পৰিছিল চক্ৰবেহুত। কিন্তু আচম্বিতে এদিন পল্লৱৰ সঁুতি সলনি হ'ল। শঙ্কৰ খৈতানৰ যুৱতী স্ত্ৰী ৰাখী খৈতানৰ লগত পল্লৱৰ অশ্লীল সম্পৰ্ক এটা গঢ়ি উঠিছিল আৰু আজি হঠাতে সকলো ওলট-পালট হৈ গ'ল। মদনে স্বচক্ষে দেখা পালে খৈতানৰ ঘৰত আদিমতম অশ্লীল দৃশ্যটো। পল্লৱে ভয় খাইছিল। খৈতানৰ বা মদনৰ এটা ইঙ্গিততে ভাস্কৰ, প্ৰবাল, চুলেমান, থুম্বা সিঙ, হৰ্ষ বাহাদুৰ আনকি আব্দুল খানেও তাৰ ওপৰত জপিয়াই পৰিব। সেয়েহে গুছি আহিছিল গধূলিতেই। খৈতান আহি নাপাওঁতেই গুৱাহাটীৰ পৰা পলোৱাটোৱে উত্তম উপায় হ'ব বুলি পল্লৱে ঠিক কৰিছিল। ৰাখীয়েও মত দিছিল। কিন্তু এতিয়া?

হঠাতে বাহিৰৰ দৰ্জাখনত টোকৰ পৰিল।

'কোন?' পল্লৱ সন্ত্ৰাসিত হৈ উঠিল।

'মই। মেনেজাৰ।'

পল্লৱে দৰ্জাখন খুলি দিলে। তাক দেখিয়েই মেনেজাৰ বৰাই কৈ উঠিল 'আপোনাৰ টেলিফ'ন আহিছে।'

'মোৰ!' পল্লৱ আচৰিত হ'ল।

'অ। কোনোবা ভাস্কৰে কৰিছে।'

চক্‌খাই উঠিল পল্লৱ। সৰ্ব্বাংগ শিঁয়ৰি উঠিল পল্লৱৰ।

'গৈ আছো।' কোনোমতে পল্লৱে ক'লে। কিন্তু মেনেজাৰ বৰা আঁতৰি যোৱাৰ পিছতো পল্লৱ বহু সময়লৈ স্থবিৰ হৈ ৰ'ল। মুখখন পল্লৱৰ বিৱৰ্ণ হৈছিল। হয়তো তাৰ মৃত্যু লগ্ন ওচৰ চাপি আহিছে............

২

'হেল্ল! ....... হেল্লো............' দুবাৰমান একেৰাহে চিঞৰিলে ভাস্কৰে। তাৰ ওচৰতে ঠিয় হৈ থকা প্ৰকাশে সুধিলে, 'কি হ'ল?'

'মেনেজাৰজনে পল্লৱক মাতিব গ'ল। কিন্তু পল্লৱে টেলিফ'ন ধৰিবলৈ অহা

নাই। মেনেজাৰজনেও একো কোৱা নাই।'

'টেলিফ'ন কৰাটোৱে ভুল হৈছে।' চকী এখনত বহি লৈ প্ৰকাশে ক'লে, 'সি ভয়তে ঘৰ এৰি হোটেল এখনত মিছা নাম এটা দি আত্মগোপন কৰি আছে। সি জানে মদনে তাৰ আৰু মিচেচ খৈতানৰ সম্পৰ্কটো গম পালে যেতিয়া খৈতানেও পাব। তোক, মোৰ বা চুলেমানহঁতৰ হতুৱাই খৈতানে তাৰ মৃত্যু ঘটাব বুলিও সি অনুমান কৰি লৈছে নিশ্চয়। তেনেস্থলত তোৰ নাম শুনি সি টেলিফ'ন ধৰিবলৈ আহিব কিয় ?'

'অইন উপায়ো নাই। এই সময়ত আমাক দেখিলেই সি অবাঞ্চিত পৰিস্থিতি এটাৰ সৃষ্টি কৰিব। তাতে থানাখনো ওচৰতে।'

'কিন্তু এতিয়া যদি সি তাৰপৰা পলাই যায় ? আৰু ময়েইবা মদনক কি বুলি ৰিপৰ্ট দিম। সিটো জানে মই পল্লৱক ফল' কৰিব যোৱা বুলি।' প্ৰকাশে ক'লে।

ভাস্কৰে ৰিচিভাৰটো ক্ৰেদেলত থৈ দিলে।

'কি কৰিবি এতিয়া ?' প্ৰকাশে সুধিলে।

ভাস্কৰে চিন্তা কৰিলে। শঙ্কৰ খৈতান বা মদনৰ লগত যুঁজিব যোৱাটো এলাপেচা কাম মুঠেই নহয়। প্ৰকাশ্যে যুঁজ কৰাৰ কোনো সুবিধাই নাই। আনহাতে এইবাৰৰ ড্ৰাগছ বিক্ৰীৰ বাইশ কোটি টকা খৈতানক আদায় দিয়াৰ কোনো ইচ্ছা নাই ভাস্কৰৰ। নিয়মমতে সি শঙ্কৰ খৈতান অহা বুলি শুনিলেই টকাখিনি দি দিব লাগে খৈতানৰ পৰম বিশ্বসী অনুচৰ মদনৰ হাতত। পৰহিলৈহে খৈতান গুৱাহাটী পাবহি বুলি শুনিয়েই ভাস্কৰে ঠিক কৰিছিল এক সুবৰ্ণ সুযোগটো সি অথলে যাব নিদিয়ে। মণিপুৰৰ পৰা অহা ইবতম্বি সিঙৰ পৰা সি লৰালৰিকৈ ড্ৰাগছখিনি লৈ চালান কৰাই দিছিল অকণো সময়ৰ অপব্যয় নকৰাকৈ। তেতিয়াই খমখমীয়া নোটৰ বাণ্ডিলপূৰ্ণ ডাঙৰ চুইটকেচ দুটা থৈ আহিছিল এক নিভৃততম স্থানত।

কিন্তু অলপ আগতে মদনে টেলিফ'ন কৰি জনাই দিছিল খৈতান হঠাতে গধুলি গুৱাহাটী পালেহি বুলি।

কথাষাৰত লুকাই থকা অৰ্থতো বুজিবলৈ ভাস্কৰৰ পলম নহ'ল। সি টকাখিনি দি আহিব লাগে। মদনে এই ইংগিতটোৱে দিছিল।

কিন্তু বাইশ কোটি টকা সামান্য টকা নহয়।

ভাস্কৰ অৱশ্যে কিছু আস্বস্ত হৈছিল। তাৰ লগত প্ৰকাশ শৰ্মা আছে। আব্দুল খানেও হয়তো হাত মিলাব। আৰু এতিয়া পল্লৱক হাত কৰিব পাৰিলে বৰ্ত্তমানলৈ কিছু সকাহ পোৱাৰ সম্ভাৱনা আছে।

'কি ভাবিছ?' সুধিলে প্ৰকাশে।

'শুন!' ভাস্কৰে ক'লে 'তই মদনৰ ওচৰলৈ এতিয়াই নাযাবি। শেহ ৰাত্ৰি মানে যাবি। পল্লৱক লগ ধৰিব নোৱাৰিলি বুলি কবি। মই এতিয়া পল্লৱ থকা হোটেলখনলৈ যাওঁ।'

'আকৌ তোক লগ পাম কেতিয়া?'

'ৰাতিপুৱা আঠটা বজাত।'

'ক'ত? তোৰ এই উলুবাৰীৰ ঘৰটোত?'

'নহয়। তই উজান বজাৰৰ ইউ এন আইৰ টেলিফ'ন বুথটোত বৈ থাকিবি। মই ফ'ন কৰিম।'

ভাস্কৰে আৰু এপলকো দেৰী নকৰিলে।

সি মটৰ চাইকেলখনেৰে নিশাৰ জনশূণ্য আলিবাটটোৰে অগ্ৰসৰ হৈছিল। পল্টনবজাৰ পাৰ হৈ আহি ভাস্কৰে হঠাতে কিছু উত্তেজনা অনুভৱ কৰিলে। মাৰুতি জিপচী এখনে তাক অনুসৰণ কৰিছে। খৈতানৰ কোনোবা অনুচৰ নহয়তো। আৰু যদি পুলিচ............

পিছফালৰ মাৰুতি জীপচীখনৰ হৰ্ণৰ শব্দ আৰু তীব্ৰতৰ হ'ল।

ভাস্কৰক ৰ'ৱলৈ ইংগিত দিছে।

এই সময়ত তেনেকুৱা এটা মুৰ্খামী ভাস্কৰে অন্ততঃ নকৰে। সি জানে লাখটকীয়া পালেই গলীয়েদি সোমাব পাৰিলে সি ৰক্ষা পৰিব। দূৰৈত লাখটকীয়াৰ পুলিচ পইন্টটোও দেখিছে ভাস্কৰে। ভাস্কৰে আৰু বেগ দিলে। মুহূৰ্ত্ততে ভাস্কৰৰ সমস্ত ইন্দ্ৰিয় অৱশ হৈ পৰা যেন অনুভৱ হ'ল। এই সময়ত লাখটকীয়া পুলিচ পইন্টটোত আৰু এখন মাৰুতি জীপচী ৰৈ থকা দৃশ্য ভাস্কৰৰ কাৰণে শুভ নহয়।

ভাস্কৰে হঠাতে সোঁহাতলৈ ষ্টিয়েৰিংডাল ঘূৰাই দিলে।

গলী এটাই দি ভাস্কৰৰ মটৰ চাইকেলখন তীব্ৰবেগে আগুৱাই গৈ দেৱাল এখনৰ কাষত ৰৈ গ'ল। ভাস্কৰে মটৰ চাইকেলখন ৰখাইয়েই দেৱালখন জাপ মাৰি পাৰ হ'ল। তাৰ কাণত পৰিছিল হুইচেলৰ অহৰহ ধ্বনি। ভাস্কৰৰ পিছে ৰ'ৱলৈ সময় নাই। সি দৌৰিব ধৰিলে।

৩

পল্লৱে ধীৰ খোজেৰে চিৰিৰে নামি আহি লাওঞ্জত ভৰি দিয়া দেখি মেনেজাৰ সুভাষ বৰাই ক'লে 'লাইনটো কটা গ'ল। দেৰি হোৱা কাৰণে থৈ দিলে হ'বপায়।'

পল্লৱ কাউণ্টাৰৰ ওচৰত থিয় হ'ল।

'মোৰ কথা কি বুলি সুধিছিল?' সি সুধিলে।

'আপোনাৰ চেহেৰাৰ বৰ্ণনা দি কৈছিল পল্লৱক ভাস্কৰে মতা বুলি কবলৈ। মই কৈছিলো নামটো ভুল হৈছে। তেনেকুৱা চেহেৰাৰ মানুহ এজন আছে হয়, কিন্তু নাম বেলেগ। তেওঁ তেতিয়া ক'লে আপোনাৰ ঘৰত মতা নামেই পল্লৱ বুলি।'

'ঠিক আছে।' পল্লৱে ক'লে 'আকৌ ফ'ন আহিলে দিগদাৰ নিদিব। শুলে বুলি ক'ব।'

পল্লৱ আকৌ চিৰি বগাই উঠি আহিল। সি পিছে নিজৰ কোঠাটোলৈ নগ'ল। পল্লৱে পোনে পোনে বাৰান্দাখনেদি সিমূৰলৈ খোজ দিলে। সিমূৰত থিয় হৈ চাৰিওফালে চালে। বাৰান্দাখন অন্ধকাৰ, কোনো নাই। এইবাৰ পল্লৱে সাউতকৰে ৰেলিংখনত লাগি থকা পানীৰ পাইপডালেদি তললৈ নামি গ'ল। লাখটকীয়াৰ এই গলীটো এতিয়া জনশূণ্য। পল্লৱৰ পিছফালে এৰি অহা হোটেলখন।

পল্লৱে লাহে লাহে খোজ দিছিল।

কিন্তু অকস্মাতে হুইচেলৰ ধ্বনিয়ে পল্লৱক আতংকিত কৰি তুলিলে। পল্লৱে সিদ্ধান্তটো ততালিকে লৈ পেলালে। সি দৌৰিব ধৰিলে।

পল্লৱে দৌৰি যোৱাত জোতাৰ শব্দই মৌনমুখৰ গলীটোত শব্দৰ লহৰ তুলিছিল। মেনেজাৰ সুভাষ বৰাই বাৰান্দাখনলৈ উঠি আহোতে শুনিছিল সেই শব্দৰ লহৰ, সচকিত হৈ সুভাষ বৰাই বাৰান্দাখনৰ এমূৰত থিয় হওঁতে দেখা পালে ছাঁয়ামূৰ্ত্তি এটা দৌৰি যোৱা; কিছু অবাক হ'ল সুভাষ বৰা। তেওঁ ঘূৰি আহি পল্লৱৰ কোঠাৰ দুৱাৰমুখ পালে। ঠেলি দিলে দৰ্জাখন। দৰ্জাখন মেল নাখাব বুলিয়েই বৰাই আশা কৰিছিল; কিন্তু বৰাক অবাক কৰি মেল খাই গ'ল দৰ্জাখন। তাৰমানে?

কোঠাটোৰ ভিতৰখনত চকুফুৰাই বৰা নামি আহিল।

টেলিফ'নৰ ৰিচিভাৰটো ডাঙি লৈ ডায়েল ঘূৰালে।

'পানবজাৰ পুলিচ ষ্টেচন।' সিফাঁলৰ পৰা মাতষাৰ শুনি বৰাই নিজৰ চিনাকিটো দিলে।

'কৈ যাওঁক।'

'সুভাষ ঘাইৰ চমুকৈ ঘটনাতো বৰ্ণালে।'

'নাম?' সিফালৰ পৰা বেছ গহীনাই সুধিলে অ. চি. প্ৰদ্যুৎ বৰুৱাই।

'কিশোৰ শইকীয়া বুলি কৈছিল নামটো! আচল নাম নহয় নেকি!'

'কি?' অ. চিৰ কণ্ঠত উত্তেজনাৰ সুৰ স্পষ্ট হ'ল ' গৈ আছো।'

ৰিচিভাৰটো ক্রেডেলত থৈ বৰাই মুৰটো ঘূৰাওঁতেই চক্ খাই উঠিল। হোটেল খনৰ বাৰান্দাত যুৱক এজনে ভৰি দিছে। ফোঁপাইছে যুৱকজনে। বৰাৰ মনত আতংকৰ ভাব সোমাল। বয় কেইটাক মাতিব নেকি তেওঁ! আজি বুঢ়া চকীদাৰটোও ছুটীত আছে। এই অসময়ত তেনেকুৱা চেহেৰাৰ যুৱক এজনক আলহী হিচাবে আদৰিবলৈ তেওঁৰ মুঠেই ইচ্ছা নাই।

যুৱকজন ভিতৰলৈ সোমাই আহিল। তেতিয়া দীঘল দীঘলকৈ উশাহ লৈছিল তেওঁ। কিন্তু বেছ গহীন স্বৰেৰে পোনপটিয়াকৈ শুধিলে ' কালি ফোন কৰিছিল?'

মাতটো চিনাকী যেন লাগিল বৰাৰ। শুধি পেলালে ' আপুনিয়েই অলপ আগতে ফোন কৰা নাছিল জানো?'

' অ। ভাস্কৰ বোলাজন ময়ে।' ভাস্কৰে কথাষাৰ কৈ জেপৰ পৰা ৰিভলভাৰ এটা এহাতেৰে উলিয়াই কাউণ্টাৰৰ টেবুলখনৰ ওপৰত থৈ শুধিলে ' কালি ফোন কৰিছিল?'

' পুলিচলৈ। বৰ্ডাৰ এজন মানে আপুনি বিচৰা কিশোৰ মানে পল্লৱ নাইকিয়া হ'ল। সেই গতিকে..........'বাহিৰত হুইচেলৰ শব্দত মেনেজাৰ বৰা কিছু অন্যমনস্ক হৈছিল। বাহিৰলৈ চাইছিল তেওঁ। খুব বেছি এপলক লৈছিল তেওঁ। কিন্তু পুনৰ দৃষ্টি ঘূৰাই আনিয়েই হতভম্ব হ'ল। ভাস্কৰক ঠাইতে নেদেখি বৰা এইবাৰ বিমূঢ় হ'ল। ঠাইতে স্থবিৰ হৈ ৰ'ল বৰা।

উকা দৃষ্টিৰে বাহিৰলৈ চাই পঠিয়ালে তেওঁ।

অপেক্ষা কৰাৰ বাহিৰে অন্য গত্যন্তৰ নাই এতিয়া।

৪

' ৰাখী।'

মিচেচ শঙ্কৰ খৈতানে মাতটো শুনি উচপ খাই সাৰ পাই বিচনাখনত বহিল। কিছু অস্ফুট স্বৰেৰে সন্মুখত শঙ্কৰ খৈতানক দেখি ক'লে ' তুমি? তোমাৰতো আজি অহাৰ কথা নাছিল।'

'গোয়েংকা টি কোম্পানীৰ প্ৰাইভেট প্লেনখন গুৱাহাটীলৈ আহিব বুলি শুনি গুছি আহিলো।' শঙ্কৰ খৈতানে কথাষাৰ কৈ বিচনাখনৰ ওচৰ চাপি আহিল। মিচেচ খৈতান বিচনাখনৰ পৰা নামি আহিব খোজা দেখি খৈতানে ক'লে ' নালাগে উঠিব।

শোৱা।'

'কিয় ?' মুখত কৃত্রিম হাঁহি এটা বুলাই সুধিলে মিচেচ খৈতানে।

'এনেয়ে।' এপলক বৈ আকৌ যথেষ্ট গহীন হৈ ক'লে খৈতানে 'এতিয়াৰ পৰাতো তুমি শুইয়েই থাকিব লাগিব। এদিনৰ কাৰণে নহয়। দুদিনৰ কাৰণেও নহয়। চিৰদিনলৈ।'

বিচনাখনৰ পৰা জাপ মাৰি উঠিল মিচেচ খৈতান। সৰ্বশৰীৰ অজান এক আতংকত কঁপি উঠিল তেওঁৰ। নাইট গাউনটোৰ দীঘল ৰছীডাল মুঠি মাৰি ধৰি ক'লে, 'কি বলকিচা তুমি!'

খৈতানে একো উত্তৰ নিদি মাথো চিঞৰিলে 'মদন।'

পিছমুহূৰ্ত্ততে মদন ধুমুহাৰ গতিত সোমাই আহিল। খৈতানে মাথো চকুৰে ইংগিত এটা দিলে। মদনে তড়িৎ গতিৰে মিচেচ খৈতানক পিছফালৰ পৰা গবা মাৰি এখন হাতেৰে ধৰি অইনখন হাতেৰে মুখত সোপা মাৰি ধৰিলে। শঙ্কৰ খৈতান যেন সেই মুহূৰ্ত্তটোলৈ অপেক্ষা কৰি আছিল! ধীৰ খোজেৰে গৈ তেওঁ মিচেচ খৈতানৰ নাইট গাউনৰ ৰছীডাল আজুৰি টানি উলিয়ালে। মুখখনৰ কোনো ভাবান্তৰ নঘটিল। মিচেচ খৈতানে প্ৰচণ্ড শক্তিৰে চিঞৰিব খুজিছিল, মাত্ৰ অস্ফুট গোঁঙনি এটাহে বাহিৰ হ'ল। কিন্তু খন্তেকতে মাৰ গ'ল গোঁঙনি। খৈতানে ৰছীডাল মিচেচ খৈতানৰ ডিঙিত মেৰিয়াই দিছিল। পিছৰ কামখিনি অৱশ্যে মদনেই সমাধা কৰিলে। খৈতান কিন্তু বৈ নাথাকিল। বাহিৰলৈ ওলাই আহিল।

খৈতানে নিজেও যথেষ্ট আচৰিত হৈছিল।

মদনৰ টেলিফোনটোত অবাঞ্ছিত অশ্লীল ঘটনাটো শুনি খৈতানে কলিকতাতেই সিদ্ধান্তটো লৈ পেলাইছিল। মদনেও অৱশ্যে আগতেই ইংগিত দিছিল ৰাখীৰ অবৈধ অভিসাৰৰ কথা। মদনে ইনছটেন্ট কেমেৰাৰে সংগোপনে তোলা ফটোৱে তেওঁৰ সৰ্বশৰীৰত প্ৰচণ্ড এক প্ৰতিহিংসাৰ সৃষ্টি কৰিছিল। হয়তো সেই কাৰণেই তেওঁ এই অকল্পনীয় আসুৰিক কামটো সমাধা কৰিব পাৰিলে।

খৈতানে হঠাতে সচকিত হৈ পিছলৈ ঘূৰি চালে।

মদনক দেখি সুধিলে খৈতানে 'হ'ললে ?'

মদনে মূৰ দুপিয়ালে।

'আৰু ডেডবডীটো ?'

'ৰছীডালেদি ফেনৰ হুকত ওলোমাই দিলো।'

'ঠিক আছে। এতিয়া মই দিয়া চাবি পাতেৰে দৰ্জাখন বন্ধ কৰি চাবিপাত দৰ্জাখনৰ তলৰ ফাকেদি ভিতৰলৈ ঠেলি দিবি। ৰাতিপুৱা পুলিচক খবৰ দিবি। পুলিচৰ সন্মুখতে মোলৈ ফোন কৰিবি। কলিকতাৰ হোটেলে মই বাগডোগ্ৰালৈ যোৱা বুলি ক'ব। সেইমতে আকৌ ফোন কৰিবি। মই আবেলি মানে আহি পাম।'

'এতিয়া ক'ত থাকিব?'

'আকৌ প্লেনখনেৰে বাগডোগ্ৰালৈ উভতি যাম।'

'কোনোবাই যদি গম পায়?' মদনে শুধিলে।

'নাপায়। বেলেগ নামেৰে আহিছো আৰু বেলেগ নামেৰেই যাম। আচ্ছা পল্লৱক পালিনে?' হঠাতে শুধিলে খৈতানে।

'প্ৰকাশক পঠিয়াইছো। চুলেমানকো পঠিয়াইছো আব্দুল খানৰ ঘৰলৈ। সিয়েতো পল্লৱক যোগাৰ কৰি দিছিল।'

'ভাস্কৰক লগ পালি?'

'টেলিফোনত পাইছিলো।'

'টকাখিনি মই আহিলেহে দিব কবি। পুলিচে ঘৰ চাৰ্চ কৰিব পাৰে।'

খৈতানে আৰু পলম নকৰিলে, তেওঁ বাহিৰলৈ ওলাই আহিল। পৰ্চতে গাড়ীখন ৰখাই থোৱা হৈছিল। তেওঁ বহাৰ লগে লগেই গাড়ীখন আগবাঢ়িল।

'বৰঝাৰলৈ ব'ল। প্লেনখন ৰৈ আছে।'

৫

খকমককৈ টোপনিৰ পৰা সাৰ পাই চৰম বিৰক্তি অনুভৱ কৰিলে আব্দুল খানে। কোনোবাই ৰৈ ৰৈ অৰ্নগল কলিংবেল বজাই আছে। বিছনাখনৰ ওচৰত থকা টেবুল ঘড়ীটোলৈ চালে খানে। নিশা বাৰটা বাজিছে এতিয়া।

এঘন্টা আগেয়ে হঠাতে মদনে ফোন কৰিছিল। পোনে পোনে পল্লৱৰ কথা সোধা দেখি আচৰিত হৈছিল খান। তাক যোৱা এসপ্তাহে লগ পোৱা নাই বুলি কওঁতে মদনে তেওঁক ৰাতিপুৱা মাতিছিল। খৈতান কলিকতাত আছে, সেয়েহে বিপদৰ পৰা পৰিত্ৰাণ পাবলৈ আব্দুল খানো আহিব লাগে। টেলিফোনটোৱে আব্দুল খানক চিন্তাত পেলাইছিল। চিলমিলকৈ এসময়ত টোপনিও আহিছিল। এতিয়া কলিং বেলটোৰ অহৰহ ধ্বনিয়ে টোপনিকনো ভাঙি চুৰমাৰ কৰি দিলে। খানে দৰ্জাখনৰ ওচৰ চাপি সুধিলে 'কোন?'

'মই। পল্লৱ।'

আব্দুল খানে দৰ্জাখন খুলি দিলে। পল্লৱ ধুমুহাৰ গতিৰে সোমাই আহি ক'লে, 'ভিতৰলৈ ব'লক। কথা আছে।'

খানে দৰ্জাখন বন্ধ কৰি ভিতৰলৈ আহিল। পল্লৱে পিছে পিছে আহি খানৰ অকলশৰীয়া ঘৰটোৰ বেডৰুমটোৰ চকীখনত বহি দিলে। ডীম লাইটৰ পোহৰত খানে মন কৰিলে পল্লৱ যেন দুঃচিন্তাত আতুৰ হৈ পৰিছে। যোৱা এসপ্তাহ সচাঁকৈয়ে পল্লৱক লগ পোৱা নাছিল খানে। এবাৰ শুনিছিল মিচেচ খৈতানৰ লগত তাৰ হলিগলি হোৱা। সাৱধান বাণী এষাৰ দিম বুলি ভাবি থাকোতেই আজি এনেকুৱা এটা পৰিবেশত পল্লৱক দেখিয়েই খানে বুজি পালে পল্লৱ ঘোৰ বিপদত পৰিছে।

'টেলিফোন এটা কৰো।' কথাষাৰ কৈয়ে পল্লৱে টেলিফোনৰ ডায়েল ঘুৰালে। খানে মাথো সুধিলে 'ক'লৈ কৰিছা?'

'খৈতানৰ ঘৰলৈ।'

'তেওঁ নাই। কলিকতাত আছে।'

'আছিল। এতিয়া গুৱাহাটীত আছে। এঘণ্টা আগেয়ে টেলিফোনত পাইছিলো তেওঁক।' কথাষাৰ কৈ পল্লৱ কিছু সময় ৰ'ল। কোনেও টেলিফোন নধৰা দেখি বেছ উস্মাৰে ৰিছিভাৰটো ক্ৰেডেলত থৈ দিলে পল্লৱে।

খান বিমোৰত পৰিছিল। মদনে খৈতান গুৱাহাটীত নাই বুলি মিছা কথাষাৰ কিয় ক'লে? খানে প্ৰশ্নটোৰ সমিধান উলিয়াবলৈ সময় নাপালে। পল্লৱে তাৰ চকীখনৰ পৰা উঠি আহি খানৰ ভৰি পঠানত বহি হুকহুকাই কান্দি দিলে। 'মোৰ ভয়ানক বিপদ।' মাত্ৰ সেইষাৰেই উচুপনিৰ মাজত ক'লে পল্লৱে।

'মই থাকোতে একো চিন্তা নকৰিবা।'

পল্লৱ মূৰ তুলি চালে। উচুপনি তেতিয়া বন্ধ হৈছিল।

'একো নুলুকাবা। কৈ যোৱা।'

দীঘলকৈ উশাহ এটা লৈ পল্লৱে লাহে লাহে ক'বলৈ আৰম্ভ কৰিলে 'এবাৰ মিচেচ খৈতানক ট্ৰেইনেৰে শিলচৰলৈ নিব লগা হৈছিল। ফাৰ্ষ্ট ক্লাছ কম্পাৰ্টমেণ্টত গৈছিলো। সেইদিনাই ....... থাওঁক সেইবোৰ। পিছলৈ অৱশ্যে প্ৰেমো হৈছিল। আমাৰ মাজত ঠিক কৰিছিলো ত্ৰিবান্দ্ৰমত থকা ৰাখীৰ বান্ধৱী এগৰাকীৰ আশ্ৰয়ত আমি নতুন এখন সংসাৰ পাতিম। আজি আবেলি খৈতানৰ ফ'ন পাইছিলো। দুদিনলৈ গুৱাহাটী নাহিব বুলি শুনি

আমি দুয়ো চৰম আনন্দ পাইছিলো। কিন্তু গধুলি আঠমান বজাত বেডৰুমৰ খিৰিকীৰে কেমেৰাৰ ফ্লাছগানৰ পোহৰ অহা যেন দেখি দৌৰি যাওঁতে মদনক দেখিলো আমাৰ ফটো তাৰ সেই ইনচটেন্ট কেমেৰাটোৰে তুলি থকা। তেতিয়াই পলাই আহি গুৱাহাটী হোটেলত উঠিলো। আহোতে ত্ৰিবান্দ্ৰম এক্সপ্ৰেছত দুটা টিকেটো কাটি আনিছিলোঁ।'

'তাৰপিছত?'

'এঘণ্টামান আগেয়ে ৰাখীলৈ টেলিফ'ন কৰিছিলো। ধৰিলে খৈতানে নিজে। বোধহয় মদনে টেলিফ'ন কৰি মাতি পঠিয়ালে। কিন্তু কেনেকৈ আহিলে ক'ব নোৱাৰো। কিন্তু তেওঁ আহি পোৱা মানে মোৰে বিপদ। আনকি ভাস্কৰহঁতেই মই সেইখন হোটেলত থকা বুলি গম পালে। খৈতানে হয়তো মোক মাৰিবলৈ ভাস্কৰকে লগাইছে। সেইদেখি পলাই আহিলো। আপোনাৰ ঘৰৰ সন্মুখৰ গুমটিখনৰ আঁৰত চুলেমানক ৰৈ থকা দেখিছিলো। মই কোনোমতে বাগী দিহে বাৰান্দাত ভৰি দিব পাৰিছিলো। মই ইয়ালৈকে আহিম বুলি হয়তো খৈতানহঁতে অনুমান কৰিছিল।' পল্লৱ ৰ'ল।

আব্দুল খানে চকুহাল মুদি দি ভাবি চালে।

ভাস্কৰে তেওঁকতো বাইশ কোটি টকাৰ লোভ দেখুৱাইছিল। তেনেস্থলত খৈতানৰ কথামতে ভাস্কৰে পল্লৱক মাৰিব নাযায়। হয়তো সি পল্লৱৰ বিপদৰ কথা গম পাইয়েই তাৰ আক্ৰোশৰ সংগী কৰাই ল'ব খুজিছে!!

হঠাতে আব্দুল খান থিয় হোৱা দেখি পল্লৱে সুধিলে 'কি হ'ল?'

'মই ভাস্কৰহঁতক বিচাৰি যাওঁ। সিহঁতেহে তোমাক এতিয়া বিপদৰ পৰা বচাব পাৰিব। ৰাতিপুৱা মদনে মাতিছে। তাৰ আগেয়েই সিহঁতক বিচাৰি উলিয়াব লাগিব।' কথাষাৰ কৈ কৈ আব্দুল খানে চোলা-পেণ্টযোৰ পিন্ধি লৈ বাহিৰৰ দুৱাৰমুখলৈ আহিল। এইবাৰ পল্লৱলৈ চাই ক'লে, ' মই বাহিৰৰ পৰা দৰ্জাখন তলামাৰি থৈ যাম। কিন্তু পিছফালৰ বাথৰুমৰ দৰ্জাখনেৰে দৰকাৰ পৰিলে তুমি ওলাই যাব পাৰিবা। বেডৰুমটোৰ গডৰেজ আলমাৰীটোত লডেড ৰিভলভাৰ এটা আছে। প্ৰয়োজন দেখিলে ব্যৱহাৰ কৰিবা। কিন্তু টেলিফ'ন বাজিলেও নধৰিবা।'

আব্দুল খান ওলাই গৈ দুৱাৰখন তলামাৰি নিজৰ মাৰুতি কাৰখন ষ্টাৰ্ট কৰিলে। হেডলাইটৰ পোহৰ ইচ্ছা কৰিয়েই সন্মুখৰ গুমটিখনলৈ পেলাইছিল।

পল্লৱৰ কথা সঁচা।

কোনোবা এটা সাউতকৰে গুমটিখনৰ আঁৰত লুকাব খুজিছিল। কিন্তু খানে মানুহটোৰ অস্তিত্ব ইতিমধ্যেই ধৰা পেলাইছিল।

আব্দুল খানৰ অন্তৰখন দুৰু-দুৰুকৈ কঁপিছিল।

খৈতান বা মদনে তেওঁৰ ঘৰৰ ওপৰত চকু ৰাখিবলৈ মানুহ এটা কিয় পঠিয়াইছে খানে অনুমান কৰি ল'ব নোৱাৰিলে।

কিন্তু এতিয়া দুঃশ্চিন্তা কৰি থকাৰ সময় নাই।

খানে তীব্ৰগতিত মাৰুতিখনেৰে আগবাঢ়িল পূৱলৈ।

৬

এই প্ৰথমবাৰলৈ পানবজাৰ থানাৰ অ.চি. প্ৰদ্যুৎ বৰুৱাই নিজকে মূৰ্খ যেন অনুভৱ কৰিলে। যোৱাকালি ৰাতিপুৱা ৰেলৱে ষ্টেচনৰ পৰা তেওঁ মণিপুৰী যুৱক এজনক গ্ৰেপ্তাৰ কৰি আনিছিল।

নাম তাৰ ইবতম্বি সিঙ।

ড্ৰাগছৰ স্মাগলিঙ কৰে সি। চাৰিঘণ্টাৰ সীমাহীন অত্যাচাৰৰ মূৰকত সি দুটা নাম কৈছিল, ভাস্কৰ শৰ্মা আৰু থুম্বা সিঙ।

হয়তো সি আৰু নতুন-পোহৰৰ সন্ধেদ দিলেহেঁতেন।

কিন্তু গধূলি সকলোৰে অলক্ষিতে থানাৰ লকআপৰ পাইখানা ৰুমটোতে সি চিপজৰী ললে।

হতাশাই আগুৰি ধৰিছিল বৰুৱাক। চাৰিওফালে পুলিচ পেট্ৰলভান পঠিয়াই তেওঁ থানাত বহি থাকোতেই সুভাষ বৰাৰ টেলিফ'নটো পাইছিল। লগে লগেই লৰি গৈছিল বৰুৱা। লাখটকীয়া পুলিচ পইণ্টত ৰৈ থকা পুলিচ পেট্ৰোল ভানখনৰ ইনচাৰ্জজনে মটৰ চাইকেল এখন পৰিত্যক্ত অৱস্থাত পৰি থকাৰ সন্ধেদ দিছিল। বৰুৱাই পিছে বেছি সময় নাচালে মটৰ চাইকেলখন। তেওঁ জানে আচল ৰহস্য হোটেলখনতে লুকাই আছে।

বৰুৱা মনে মনে ৰোমাঞ্চিত হৈছিল।

মেনেজাৰ বৰাৰ কথাই ইবতম্বি সিঙৰ ভাস্কৰ শৰ্মাৰ অস্তিতকে প্ৰতিপন্ন কৰিলে। কিন্তু পল্লৱ বোলাজনৰ চুটকেচত থকা হীৰা খটোৱা সোণৰ চেইনডালে বিবুদ্ধিত পেলালে বৰুৱাক। চেইনডালত হিন্দীতে লিখা আছিল ঃ পল্লৱলৈ — ৰাখী।

ৰাখীৰ অৱশ্যে কোনো সন্ধান নাপালে বৰুৱাই।

উভতি আহিছিল থানালৈ। শেষৰাত্ৰি ওপৰ মহলাত থকা জিৰণি কোঠাটোৰ বিচনাখনত বাগৰি পৰাৰ লগে লগে বৰুৱাক টোপনিয়ে আগুৰি ধৰিছিল আৰু থানাৰ চিৰন্তাদাৰৰ মাতত টোপনিৰপৰা সাৰ পায়েই বৰুৱাই হাতঘড়ীটোলৈ চালে।

ৰাতিপুৱা আঠটা বাজিছে এতিয়া।

'কি হ'ল ৰহমান ?' বৰুৱাই এঙামুৰি দি সুধিলে।

'খৈতান ট্ৰেডিং কোম্পানীৰ মেনেজাৰ মদনে ফোন কৰিছিল। মিচেচ খৈতানৰ বেডৰুমৰ দুৱাৰখন ভিতৰৰ পৰা বন্ধ, কেইবাবাৰো মাতিও মাত নুশুনি তেওঁ আমাক খবৰ দিলে। আপুনি শুই থকাত এচ. আই চেতিয়া গ'ল। তেওঁ দৰ্জাখন ভাঙি ভিতৰ সোমাই মিচেচ খৈতানৰ ডেডবডী চিলিং ফেনৰ হুকত ওলমি থকা দেখা পালে।' একে উশাহে ক'লে ৰহমানে।

'চেতিয়াই ফটো তুলিছিল ?'

'তুলিছিল। কিন্তু —'

'কিন্তু কি ?'

'মানুহজনী নেকেড হৈ আছিল। নাইট গাউনটো ভৰিৰ তলত থাকিব লাগিছিল। নাথাকি থাকিলগৈ কিছু আঁতৰত, বিচনাখনৰ কাষৰ মজিয়াত।' ৰহমানে এখন্তেক ৰ'ল। বৰুৱাই মুখখন ধুই লৈছিল ইতিমধ্যে। টাৱেলখনেৰে মুখখন মচি লৈ সুধিলে 'ৰুমটো চাৰ্চ কৰা হৈছিল নে নাই ?'

'চেতিয়াই চাৰ্চ কৰোতে ইনচনেণ্ট জাপানী কেমেৰা এটা আৰু এখন বৰ লেতেৰা ফটো পালে। এহাল মানুহে .........' এটা মুহুৰ্ত্ত বৈ ৰহমানে চমুকৈ ক'লে 'মানুহজনী মিচেচ খৈতান। মানুহটো কোনেও চিনি নাপায়।'

'খৈতানে কি কয় ?' চিৰিৰে তললৈ নামি আহোঁতে সুধিলে বৰুৱাই।

'তেওঁ নাই। বাগড্ৰোগাত আছে। আবেলি পাবহি। বেচেৰী ৰাখী খৈতানলৈহে বেয়া লাগে........।'

বৰুৱা চিৰিতে বৈ গ'ল। সুধিলে 'কোন ৰাখী খৈতান।'

'মিচেচ শঙ্কৰ খৈতান। তেওঁৰ নামেইতো ৰাখী।'

ৰাখী। ........ ভোৰভোৰাই বৰুৱা একপ্ৰকাৰ দৌৰি আহি নিজৰ চেয়াৰত বহি ল'লে। ৰিচিভাৰটো ডাঙি ডায়েল ঘূৰালে তেওঁ।

'হেল্ল। কোন বৰা নেকি।'

'হয় চাৰ। মই সুভাষ বৰাই কৈছো।'

'আপুনি হোটেলৰ পৰা পলোৱা পল্লৱ নামৰ যুৱকজনক ফটো এখনত দেখুৱালে চিনি পাবনে ?'

' নিশ্চয় পাম চাৰ।'

' তেন্তে আঁহক! এতিয়াই।'

বৰুৱাই ৰিচিভাৰটো থৈ উশাহ সলালে।

তেওঁ এতিয়া যথেষ্ট উত্তেজিত।

৭

প্ৰকাশৰ সহ্যৰ সীমা ক্ৰমশঃ উকলি আহিছিল।

বাৰেপতি সি ঘড়ীটোলৈ চাই আছে। ৰাতিপুৱা নটা বাজিছে এতিয়া।

ভাস্কৰে ৰাতিপুৱা আঠটা বজাতে টেলিফোন কৰাৰ কথা আছিল। সময়ৰ আগতেই সি উজান বজাৰৰ ইউ এন আইৰ অফিচৰ সন্মুখত থকা পাব্লিক টেলিফোনটোৰ ওচৰত ঠিয় হৈছিল। এতিয়া সেয়েহে ৰৈ ৰৈ সহ্যৰ বান্ধোন চিঙিবলৈ উপক্ৰম কৰিছিল।

হঠাতে টেলিফোনটো বাজি উঠিল।

সি ৰিচিভাৰটো একেকোবে ডাঙি লৈ মাত দিলে 'হেল্ল!'

' প্ৰকাশ?'

ভাস্কৰৰ মাতটো শুনি প্ৰকাশে চমুকৈ সহাঁৰি দিলে ' অ।'

' মিচেচ খৈতানে চুইচাইড কৰিলে।'

'কি?' প্ৰকাশ আচৰিত হ'ল।

' পুলিচে পল্লৱক বিচাৰি আছে। ময়ো গোটেই নিশা চলাথ কৰিলো। আব্দুল খানৰ ঘৰলৈ ফোন কৰিছিলো। কোনেও ফোন নধৰা দেখি নিজে এবাৰ গৈছিলো। কিন্তু খানৰ ঘৰৰ আগত গুমটি খনত চুলেমানক ৰৈ থকা দেখি নোসোমালো। আনপিনে আব্দুল খানে চাৰিওফালে মোক বিচাৰি আছে।'

' কাৰণ?' প্ৰকাশে সুধিলে।

'নাজানো।' ভাস্কৰে ওলোটাই প্ৰকাশক সুধিলে ' তই মদনক লগ পালি?'

' শেহৰাত্ৰি গৈছিলো। তাক লগ নাপালো। হৰ্ষ বাহাদুৰক লগ পালো। পিছত মদনক লগ পাম বুলি কৈ গুছি আহিলো।'

' ঠিকেই কৰিছ। কিন্তু মদনক আকৌ লগ ধৰিবি। তই আব্দুল খানৰ ঘৰলৈ যাগৈ। সন্মুখৰ ফালেদি নাযাবি। পিছফালেদি সোমাবি। মোক কিয় বিচাৰি ফুৰিছে সুধিবি। বুজাই কবি আমি তিনিটা বা পল্লৱ যোগ হৈ চাৰিটা একেলগে যুঁজিলে খৈতানৰ নিস্তাৰ নাই।'

'বুজিছো।'

'গধুলি আঠটামান বজাত মই খাৰঘুলি পাহাৰত যিটো নতুন ঘৰ বনাইছো তালৈ আহিবি।'

ফ'নটো তাতেই কটা গ'ল।

প্ৰকাশেও দেৰী নকৰিলে। সি পল্টনবজাৰৰ আব্দুল খানৰ গলীটোৰ ওচৰ পাই সন্ত্ৰস্ত হ'ল। সঁচাকৈয়ে চুলেমান গুমটিখনৰ আঁৰত বহি আছে।

প্ৰকাশো আন এটা গলীৰে অগ্ৰসৰ হৈ এখন ওখ দেৱালৰ সন্মুখত ৰৈ গ'ল। দেৱালখনৰ সিপাৰেই আব্দুল খানৰ ঘৰটোৰ পিছফাল। প্ৰকাশে চাৰিওফালে মেকুৰী দৃষ্টি পেলাই দেৱালখনত জাপমাৰি উঠি পিছমুহূৰ্ত্ততে সিপাৰলৈ জপিয়াই দিলে।

পিছফালটো অপ্ৰশস্ত। আওঁহতীয়া। আমগছ এজোপাই ঠাইখিনি কিছু অন্ধকাৰো কৰি তুলিছে।

প্ৰকাশে সমুখলৈ চাই এখনেই দৰ্জা দেখিলে। প্ৰকাশে অৱশ্যে জানে সেইখন বাথৰূমৰ দৰ্জা। সি দৰ্জাখনৰ ওচৰ পাই হেঁচুকি চালে। বন্ধ হৈ আছে দৰ্জাখন। হঠাতে ভিতৰ টেবুলএখন টনাৰ শব্দ শুনি প্ৰকাশ কিঞ্চিৎ আশ্বস্ত হ'ল। অন্ততঃ ভিতৰত কোনোবা এজন আছে।

ভিতৰত অৱশ্যে তেতিয়াও পল্লৱ আছিল।

প্ৰকাশে জাপ মাৰি পৰা শব্দটো শুনিয়ে পল্লৱে লডেড ৰিভলভাৰটো এহাতেৰে ডাঙি লৈছিল। পিছমুহূৰ্ত্তত বাথৰূমৰ দৰ্জাখনত কোনোবাই হেঁচুকি দি থকা শুনি পল্লৱ খুপি খুপি গৈ বাথৰূম পালে। দৰ্জাখনৰ কাষৰ বেৰৰ চুক এটাত সি নিঃশ্চুপ হৈ ঠিয় হ'ল। সোঁহাতখনেৰে ৰিভলভাৰটো লৈ বাওঁহাতখনেৰে সি দৰ্জাখনৰ খিলিটো লাহেকৈ খুলি দিলে। মুহূৰ্ত্ততে প্ৰকাশ ভিতৰলৈ সোমাই আহিছিল। পল্লৱে ট্ৰিগাৰটোত তেতিয়াই হেঁচা দিছিল। কিন্তু প্ৰকাশে মূৰটো হলাই সোমাই আহিছিল, তাৰ কপালৰ নিচেই সন্মুখেদি গুলিটো সঃশব্দে গুছি গৈছিল। খন্তেকলৈ প্ৰকাশ হতভম্ব হৈছিল ; কিন্তু পিছৰটো পলকতে সি নিজকে চম্ভালি ল'লে। সি অৱলীলাক্ৰমে সাউতকৰে ঘূৰি হাতৰ মুঠিত থকা ৰিভলভাৰটোৰ মুৰটো বেৰলৈ পোনাই ট্ৰিগাৰত মুঠি মাৰি ধৰিলে। গুলীৰ শব্দও শুনা পালে সি। কিন্তু পিছমুহূৰ্ত্ততে.........

প্ৰকাশৰ সৰ্বাংগ শিঁয়ৰি উঠিল।

যিজন লোকৰ দেহ ঠাইতে ঢলি পৰিল তেওঁক সি চিনি পালে।

পল্লৱৰ বুকুখন তেতিয়া ৰক্তাক্ত হৈ উঠিছে। তেজ এসোপা প্ৰকাশৰ চাৰ্টতো পৰিছে।

কিন্তু ....... পল্লৱ ইয়াত লুকাই আছিল কিয় !!

বাহিৰৰ চিঞৰৰ বাখৰে প্ৰকাশৰ তন্ময়তা ভঙি দিলে। সি মগ এটাৰে পানী চাৰ্টটোত ঢালি দিলে, কিন্তু সি ৰৈ নাথাকিলে। প্ৰায় দৌৰি গৈয়েই সি একেজাপে দেৱালখনত উঠিল। সিপাৰলৈ জাপ মাৰিব গৈয়ে প্ৰকাশ হতাশ হ'ল।

তাক দেখা পালে চুলেমানে।

হয়তো মদন বা খৈতানেও এতিয়া গম পাব!!

প্ৰকাশে দীঘলকৈ উশাললৈ দেৱালখনৰ সিপাৰলৈ জাপ মাৰি দিলে।

৮

ভাস্কৰে ৰেষ্টুৰেণ্টখনৰ চাৰিওফালে চালে। এখনো টেবুল খালী নাই।

ভাস্কৰে উভতি খোজ ল'বলৈ ওলাইয়ো ৰৈ গ'ল।

যাক বিচাৰি সি পল্টন বজাৰৰ এই ৰেষ্টুৰেণ্টখনলৈ আহিছে সেই থুম্বা সিঙ এচকুৰ আওঁহতীয়া টেবুল এখনত অকলেই বহি আছে।

ভাস্কৰে আগবাঢ়ি গৈ খালী চকী এখনত বহি ল'লে।

'ইবতস্বী গ'ল নে আছে?' ভাস্কৰে অনুচ্চ কণ্ঠেৰে সুধিলে।

থুম্বা সিঙে চাৰিওফালে এবাৰ চকু ফুৰালে। বয় এটা আহিব খুজিছিল টেবুলখনলৈ। সি আঙুলিৰেই বাধা দি যথেষ্ট অনুচ্চ কণ্ঠেৰে ক'লে ' সি ধৰা পৰিল। পানবজাৰ থানাৰ লক আপত আছিল। কিছুমানে কৈছে সি আত্মহত্যা কৰিলে। কিছুমানে ক'লে সি পলাল। কোনটো সচাঁ কোনটো মিছা ধৰিব পৰা নাই।'

ভাস্কৰে ভয় খালে। ইবতস্বী সিঙে অকল তাৰ আৰু থুম্বা সিঙৰ নামহে জানে। মদন বা খৈতানৰ নাম নাজানে। তেনেকুৱা বছ এটাৰ অস্তিত্বহে সি জানে।

'অলপ আগতে মদন আহিও তাৰ কথা সুধিছিল।'

' তাৰ পিছত?' মাতষাৰত বেচ নিৰ্লিপ্ততাৰ ভাৱ এটা সুমুৱাই দি ভাস্কৰে সুধিলে।

' মই সেইখিনি কথাকে ক'লো। মদন লগে লগে গুছি গ'ল। কিয় ইবতস্বী সিঙক বিচাৰিছিল সেইটোও নক'লে।'

ভাস্কৰ উঠিল। থুম্বা সিঙে হাত এখন আগবঢ়াই দিলে। ভাস্কৰে এশটকীয়া

নোট এখন থুম্বা সিঙক দি ৰেষ্টুৰেণ্টখনৰ দুৱাৰ মুখ পাওঁতেই দূৰৈত টেক্সী এখনৰ পৰা আদহীয়া নেপালী লোক এজন নামি আহি মেকুৰী খোজেৰে ৰেষ্টুৰেণ্টখনলৈ অহা দেখিলে। সি চিনি পালে মানুহজনক। হৰ্ষ বাহাদুৰ ৰেষ্টুৰেণ্টখনলৈ আহি থকাৰ কাৰণটো ভাস্কৰে ততালিকে বুজি পালে। সি জানে হৰ্ষ বাহাদুৰৰ নৃশংসতাৰ তুলনা নাই। মদনে সেয়েহে থুম্বা সিঙৰ মাত বন্ধ কৰিবলৈকে হৰ্ষ বাহাদুৰক পঠিয়াইছে।

হয়তো ইয়াৰ পিছৰ লক্ষ্য সি।

ভাস্কৰে আঁৰ চকুৰে থুম্বা সিঙলৈ চালে। সিঙে তালৈ লক্ষ্য কৰা নাই। ভাস্কৰে ক্ষীপ্ৰ খোজেৰে ৰেষ্টুৰেণ্টখনৰ ভিতৰৰ দৰ্জাখনেৰে ভিতৰলৈ সোমাই গ'ল।

'ক'লৈ যায়?' বয় এটাই সুধিলে ভাস্কৰক।

'চুপ। মনে মনে থাক।' ভাস্কৰে চেপা কণ্ঠেৰে দবিয়ালে।

ভাস্কৰে ভিতৰৰ দৰ্জাখনৰ ফাঁকেৰে ৰেষ্টুৰেণ্টখনৰ ভিতৰলৈ চালে। হৰ্ষ বাহাদুৰক দুৱাৰ দলিত দেখি থুম্বা সিং ঠিয় হৈছে। সুৰুঙা চাইছে পলোৱাৰ।

ভাস্কৰে জানে ইতিমধ্যেই বহু পলম হৈ গ'ল।

'থুম্বা। ব'ল ফুৰি আহো অলপ।' হৰ্ষ বাহাদুৰে থুম্বা সিঙক মতা শুনিলে ভাস্কৰে। ভাস্কৰে বুজিলে থুম্বা সিং জালত মেৰ খালে। ভাস্কৰে লগে লগে পিছমুৱা দি ৰেষ্টুৰেণ্টখনৰ পাকঘৰ পালেহি। ইতিমধ্যে তাৰ অবাঞ্চিত উপস্থিতিত বয় দুটা আৰু ৰান্ধনী দুটাই বেছ ভয় খাইছিল। সৰু কম বয়সীয়া বয় এটাই চিঞৰিব ধৰিছিল। ভাস্কৰে ততালিকে পকেটৰ পৰা ৰিভলভাৰ এটা উলিয়াই ক'লে — 'মনে মনে থাক। নহ'লে বিপদ আছে।'

ভাস্কৰে ভুল কৰিলে।

সি অনুমান কৰিছিল ৰিভলভাৰৰ দৃশ্যটোৱে বয়টোৰ মাত বন্ধ কৰিব। কিন্তু তাক হতভম্ব কৰি আটাইকেইটাই একেস্বৰে আৰ্তনাদ কৰি উঠিল। কিংকৰ্তব্যবিমূঢ় হৈ ভাস্কৰে ৰেষ্টুৰেন্টখনৰ পিছফালৰ দৰ্জাখনেৰে বাহিৰলৈ ওলাই আহিল। সেই সময়তে কাণত পৰিছিল ৰেষ্টুৰেণ্টখনৰ ভিতৰত ৰিভলভাৰৰ গুলীৰ শব্দ। ভাস্কৰে কিন্তু পিছলৈ ঘূৰি নাচালে। সি দৌৰিব ধৰিলে।

৯

মদন যথেষ্ট উদগ্ৰীৱ হৈ আছিল।

মিচেচ খৈতানৰ পষ্টমৰ্টেম হোৱাৰ পিছতেই খৈতান আহি ওলাইছিল। শশ্মানলৈ মদনো যাব ওলাইছিল। খৈতানে বাধা দিলে। এই সময়ত ঘৰত অন্ততঃ এজন থকা উচিত। কিন্তু মদনৰ ঘৰত থাকি অশান্তি বেছিহে হৈছিল। প্ৰতিটো টেলিফোনে দুঃসংবাদ কঢ়িয়াই

আনিছিল। সেইবোৰ জুকিয়াই চাই মদন আৰু বেছি উদ্বিগ্ন হ'ল।

এটা সময়ত শ-যাত্ৰীৰ দলটো আহি পালেহি। মদনে খৈতানক এটা সময়ত একাষৰীয়াকৈ মাতি আনিলে। খৈতানে গা-ধুই লৈছিল। আৰামী চকীখনত বহি দি খৈতানে চকুহাল মুদি দিলে।

মদন আৰামী চকীখনৰ তলৰ মজিয়াত বহি ল'লে।

'পুলিচৰ কি মত?' খৈতানে চকুহাল জপাই ৰাখিয়েই সুধিলে।

'পল্লৱক সন্দেহ কৰিছে। মই তোলা লেতেৰা ফটোখন পুলিচে পাইছিল। পুলিচৰ মতে সেই ফটোখনেৰে পল্লৱে মেমচাহাবক ব্লেকমেইল কৰিছিল। মেমচাহাবে সেই কাৰণে লাজতে.........।'

'পল্লৱক পালি নে নাই?' খৈতানে ৰাখীৰ প্ৰসংগটো সলনি কৰিবলৈ সুধিলে।

'সি আব্দুল খানৰ ঘৰত লুকাই আছিল। প্ৰকাশে খুন কৰি দিলে। চুলেমানে দেখা পাইছিল। কিন্তু পুলিচে —'

'কি হ'ল কৈ যা?'

'প্ৰকাশক পুলিছে বিচাৰি পোৱা নাই। চুলেমানক কিন্তু ধৰি লৈ গ'ল আৰু হৰ্ষ বাহাদুৰ......' মদন কিছু সময়লৈ নীৰৱে ৰৈ এটা সময়ত ক'লে...... 'মই ইবতম্বী সিঙক বিচাৰি গৈছিলো।'

'কিয়?'

'ভাস্কৰ আৰু প্ৰকাশে আমাক বিশ্বাসঘাটকতা কৰিলে। আব্দুল খানকো বিচাৰি পোৱা নাই। তেনেস্থলত ইবতম্বী সিঙৰ লগত যোগাযোগ ৰাখিব নোৱাৰিলে আমাৰ ব্যৱসায়ো ধ্বংস হ'ব।'

'লগ পালি তাক?' সুধিলে খৈতানে।

'ইবতম্বীক লগ নাপালো। কিন্তু থুম্বা সিঙৰ মুখে গম পালো ইবতম্বী ধৰা পৰিল পুলিচৰ হাতত। ইবতম্বীয়ে আমাৰ কথা নাজানে। কিন্তু থুম্বা সিঙৰ কথা জানে। এতিয়া থুম্বা সিং ধৰা পৰিলেই সি আমাৰ কথা ক'ব। সেই দেখিয়েই হৰ্ষক পঠিয়াইছিলো। কথা আছিল হৰ্ষই ফুচুলাই থুম্বা সিঙক টেক্সীৰে ফুৰাবলৈ লৈ আহোতে বাটতে তাক শেষ কৰিব; কিন্তু হঠাতে কি হ'ল জানো ওচৰতে কোনোবাই চিএৱ বাখৰ কৰাত হৰ্ষই ভয় খাই থুম্বা সিঙক তাতে গুলীয়াই পলাবলৈ ধৰিছিল। পুলিচৰ পেট্ৰোলিং ডিউটিৰ ভানখনো সেইফালে গৈ আছিল। সিহঁতে হৰ্ষক ৰ'বলৈ কৈছিল। কিন্তু হৰ্ষৰ হাতত ৰিভলভাৰ দেখি .....' মদনে এইবাৰ চমুকৈ ক'লে 'সি পুলিচৰ গুলীতে........।'

'তাৰমানে এতিয়া অকল তইহে আছ।'

খৈতানে চকুহাল মেলিলে। মুখখন অত্যন্ত বিবৰ্ণ দেখাইছিল। ইমান দিনৰ সাম্রাজ্যখন এতিয়া তাঁচ পাতৰ দৰে ধূলিসাৎ হ'বলৈ ওলাইছে। প্রতিৰোধৰ বাবে হাতত আছেগৈ মাত্র এটাই অস্ত্র।

মদন।

মদনেই তেওঁৰ এই কৃত্রিম সাম্রাজ্যখন সৃষ্টি কৰিছিল। এতিয়াও দুৰ্দ্দিনত মদনেই তেওঁৰ ভৰষাৰ স্থল।

মদন হঠাতে বহাৰ পৰা উঠিল।

'কি হ'ল?' খৈতানে সুধিলে।

'কথা এটা মনত পৰি গ'ল।'

খৈতানে মদনলৈ চাই ৰ'ল, একো নুসুধিলে।

'ভাস্কৰে উলুবাৰীৰ উপৰিও আন এঠাইতো ঘৰ এটা সাজিছে বুলি এদিন চুলেমানে কৈছিল।'

'কিন্তু চুলেমানতো এতিয়া থানাত। পুলিচৰ লক আপত আছে।'

'সেই কাৰণেইতো চিন্তা অলপ কমিছে। সি অন্ততঃ এতিয়াও জীয়াই আছে।'

মদন যাব ওলোৱা দেখি খৈতানে সুধিলে 'ক'লৈ যাব?'

'থানালৈ।'

১০

'তেওঁ প্রেগনেন্ট আছিল। মৃত্যুও চিপজৰী লোৱা কাৰণেই হৈছিল। মৃত্যুৰ......'

'কৈ যাওঁক।' অ. চি. প্রদ্যুৎ বৰুৱাই গহীনাই ক'লে।

'মৃত্যুৰ চাৰিঘণ্টামান আগতে ........' কথাষাৰ কেনেকৈ ক'ব জুকিয়াই লৈ অৱশেষত এছ, আই চেতিয়াই একে উশাহে কৈ পেলালে 'চি. হেড চেক্সুৱেল ইনটাৰকৰ্চ।'

'ধৰ্ষণ?'

'নহয় চাৰ। পষ্টমৰ্টেমে সেইবুলি কোৱা নাই।'

'তাৰমানে পল্লৱেই নায়ক।'

'তেৱে হ'ব চাৰ। সেই ফটোখনেওতো সেইবুলিয়েই কয়।'

বৰুৱাই নীৰৱে ঘটনাক্রম জুকিয়াই গ'ল। ইবতস্বী সিঙে কোৱা ভাস্কৰ আৰু

থুম্বা সিঙৰ অস্তিত্বৰ প্ৰমাণ হ'ল। দুয়োটাকে যে অইন এটা তৃতীয় পক্ষই বিচাৰি ফুৰিছে বৰুৱা নিঃসন্দেহ হ'ল। থুম্বা সিঙক হত্যা কৰা কীলাৰটোৰ মুখখন গুলীত উফৰি বিদ্ৰীৰ্ণ হৈ নগ'লে হয়তো তৃতীয় পক্ষৰো উমান তেওঁ পালেহেঁতেন। হয়তো বা চুলেমানে কোৱা প্ৰকাশ বোলাটোৱেই তৃতীয় পক্ষ!!

চেম্ভ্ৰি এটাই সোমাই আহি চেলুট দিয়াত বৰুৱাৰ চিন্তাত যতি পৰিল।

'খৈতান ট্ৰেডিং কোম্পানীৰ মেনেজাৰজন আহিছে।'

'লৈ আহ।'

চেন্ট্ৰিটো ওলাই গ'ল। অলপ পিচতে মদন সোমাই আহিল। বৰুৱাই দেখুৱাই দিয়া চকীখনত তেওঁ বহি ল'লে। বৰুৱাই লগে লগে সুধিলে 'আপুনিয়েই মদন?'

'হয়।'

'খৈতান আহি পালেনে?'

'অ। শশ্মানৰ পৰা আহিয়েই শুই গ'ল।'

'তেওঁলৈ দুখ লাগে।'

মূৰটো দুপিয়াই মদনে ক'লে — 'মই পিছে অন্য এটা কাৰণতহে আহিলো। আমাৰ চকীদাৰটোক পঠিয়াইছিলো আমাৰ কোম্পানীৰে আব্দুল খানৰ ওচৰলৈ। মেমচাহাবৰ খবৰটো দিবলৈ। সি এতিয়া হেনো —'

'আমাৰ লক্আপত আছে। মাৰ্দাৰ কেচ এটাৰ সি এটা অন্যতম সাক্ষী।'

'তাৰ হাতত আমাৰ চাহাবৰ ঘৰৰ চাবিবোৰ থাকে। এতিয়া তাক লগ নাপালে........!!'

বৰুৱাই চেতিয়ালৈ চাই ক'লে, 'চেতিয়া! এখেতক চুলেমানৰ ওচৰলৈ লৈ যাওঁক।'

মদনে ভিতৰি ভিতৰি যথেষ্ট উৎফুল্ল হ'ল । ইমান সহজতে কামটো সম্পূৰ্ণ হ'ব বুলি মদনে কল্পনাও কৰা নাছিল।

মদন যোৱাৰ পিছত বৰুৱাই মূৰটো চকীখনত হালি দি চিলিঙলৈ চালে।

শংকৰ খৈতানৰ ষ্টেটমেণ্ট ৰেকৰ্ড কৰিব আছে। তেওঁক থানালৈ মাতি আনিব জানো!! ওঁহো, কোনোপধ্যেই তেওঁ সেইটো কৰিব নোৱাৰে। অত্যন্ত পৰাক্ৰমী মানুহ তেওঁ!

তেওঁ নিজেই গধুলি আজি যাব। মদনৰ হতুৱাই এতিয়াই খবৰটো পঠিয়াই দিয়াটো উচিত হ'ব।

বৰুৱাই চেতিয়াক মাতিলে। চেতিয়া আহি ঠিয় হওঁতে সুধিলে, 'মদন আছেনে?'

'এই মাত্র গ'লগৈ।'

'চাবি পালে?'

'চাবিৰ কথা নুসুধিলেই।'

'কি সুধিলে?'

'এষাৰেই কথা সুধিলে। উলুবাৰীৰ বাহিৰে আৰু ক'ত নতুন ঘৰ বনাইছ তই। চুলেমানেও এষাৰেই উত্তৰ দিলে, খাৰঘূলি পাহাৰ। মদন তাৰ পিছত গুছি গ'ল।'

'ষ্ট্ৰেঞ্জ।'

বৰুৱাই ৰহস্যৰ গোন্ধ পালে। তেওঁ থিয় হ'ব খুজিছিল। তেনেতেই টেলিফোনটো বজা দেখি তেওঁ ৰিছিভাৰটো দাঙি ল'লে। টেলিফ'নৰ কথাখিনিয়ে বৰুৱাক অস্থিৰ কৰি তুলিলে। ৰিচিভাৰটো থৈ দি তেওঁ থিয় হৈ চেতিয়ালৈ চাই ক'লে 'আব্দুল খানৰ গাড়ীখন উলুবাৰীৰ ঘৰ এটাৰ সন্মুখত আমাৰ পেট্ৰোলিং ভান এখনে দেখা পাইছিল যদিও ঘৰটোৰ পৰা মানুহ এজন ওলাই আহি তীব্ৰ বেগে আঁতৰি গ'ল। উলুবাৰী চাৰিআলিৰ পইণ্টটোৰ আঁতৰত অৱশ্যে গাড়ীখন পৰিত্যক্ত অৱস্থাত পালে। ট্ৰেফিক চিপাহী এটাই কৈছে মাৰুতিখনৰ পৰা মানুহ এজন নামি অটৰিক্সা এখনেৰে উঠি গৈছে। অটৰিক্সাখনৰ নম্বৰটো দিছে চিপাহীজনে। অটৰিক্সাখনকে বিচাৰি গৈছে আমাৰ পেট্ৰোলিং ভানখনে। কিন্তু—'

'কিন্তু কি চাৰ?'

'উলুবাৰীৰ সেই ঘৰটো কোনোবা ভাস্কৰ পাঠকৰ। খৈতান ট্ৰেডিং কোম্পানীত কাম কৰে।'

এচ. আই চেতিয়া উচপ খাইছিল।

'চেতিয়া! চুলেমানক লৈ আহক।'

বৰুৱাই কোবাৰ খন্তেক পিচতেই চুলেমানক লৈ আহিছিল চেতিয়াই। কিন্তু এঘণ্টাৰ মূৰকত হতাশা আৰু বিৰক্তিত প্ৰদ্যুৎ বৰুৱা ঘামি গৈছিল। চুলেমানৰ শৰীৰৰ ঠায়ে ঠায়ে তোজো বিৰিঙিছিল। চুলেমান পিছে নিৰ্ব্বিকাৰ হৈয়ে ৰ'ল। অসহ্য খঙত বৰুৱাই চিঞৰি ক'লে, 'লৈ যা ইয়াক।'

এই প্ৰথম বৰুৱাৰ থাৰ্ড ডিগ্ৰীৰ মেথডে পৰাজয়ৰ সোৱাদ পালে।

'চাৰ।'

'কওঁক।'

'ই কথা নক'ব। পেট্ৰোলিং ভানখনৰ মেচেজ অহালৈ আমি ৰৈ থাকিব লাগিব।'

বৰুৱাইয়ো বুজি পাইছিল।

অপেক্ষাৰ বাহিৰে গত্যন্তৰ নাই।

কিন্তু গধূলি হৈ আহিছে। আৰু কিমান পৰলৈ ৰ'ব?

১১

অটৰিক্সাখনৰ পৰা নামি আব্দুল খানে চাৰিওফালে চাই ল'লে। সন্তুষ্ট হ'ল তেওঁ। এইবাৰ সুধিলে 'ভাড়া কিমান হ'ল?'

'দহ টকা।' চালকজনে ক'লে।

পকেটৰ পৰা দহটকাৰ নোট এখন উলিয়াই চালকজনক দি আব্দুল খানে এইবাৰ খোজ কাঢ়িব ধৰিলে।

গধূলি হৈছে এতিয়া।

খাৰঘূলিৰ এইখণ্ড বেছ আওঁহতীয়া।

কিনকিনকৈ বৰষুণো পৰিছে। পথটোও অন্ধকাৰ, জনশূণ্য।

খানে এবাৰ পকেট খেপিয়াই দমি গ'ল। ৰিভলভাৰটো পল্লৱক দি থৈ আহিয়েই ভুল কৰিলে তেওঁ। সেইটোৱে পল্লৱৰ কাল হ'ল।

অৱশ্যে পল্লৱলৈ এতিয়া খানৰ মনত পৰা নাই।

খানৰ মানসপটত এতিয়া অলেখ খমখমীয়া নোটৰ বাণ্ডিলে নাচিব ধৰিছে।

পথটো ক্ৰমাৎ ওপৰলৈ উঠিছে। দূৰৈত পাহাৰৰ মূৰত আছে ঘৰটো। খানে সন্তৰ্পণে ঘৰটোৰ বাৰান্দাত থিয় হ'ল। বাৰান্দাখনো অন্ধকাৰ হৈ আছিল। খানে বেৰত খেপিয়াই কলিং বেলৰ চুইচটো পাই টিপি দিলে।

কেইটামান চেকেণ্ড অতিবাহিত হ'ল।

খানে আকৌ এবাৰ কলিং বেলৰ চুইচত হাত বুলাবলৈ উপক্ৰম কৰোতেই দৰ্জাখন ঈষৎ মেল খালে। খানে ঠিক তেনেকুৱা এটা সূবৰ্ণ সুযোগলৈকে অপেক্ষা কৰি আছিল। তড়িৎ বেগেৰে দুয়োখন হাতেৰে প্ৰচণ্ড জোৰেৰে দৰ্জাখন টানি দিলে খানে। দৰ্জাখনৰ এপাত যথেষ্ট ফাঁক হ'ল। খানে ফাঁকটোৰে ভিতৰলৈ সোমাই গৈ চাৰিওফালে চালে।

প্ৰকাশ নিচেই ওচৰত থিয় হৈ আছে।

ঠিক খানৰ বুকুলৈকে বুলি ৰিভলভাৰ এটাৰ আগটো পোনাই থোৱা আছে। ওচৰতে ভাস্কৰ।

'দৰ্জাখন বন্ধ কৰা।' খানে প্ৰকাশলৈ চাই কথাষাৰ কৈ চোফা এখনত বহি ভাস্কৰলৈ চাই কলে 'খৈতানৰ লগত অকলে যুঁজ কৰাটো উচিত নহয়। চৰম মূৰ্খামী।'

'এতিয়াতো আমি অকলে নহয়। আপুনিও আছে। বাইশ কৌটি টকাৰ ভাগটোৰ বাবে আপুনিও লোভ কৰাতো স্বাভাৱিক।' ভাস্কৰে ক'লে।

প্ৰকাশে দৰ্জাখন বন্ধ কৰিবলৈ গৈছিল। তেনেতেই খানে কৈ উঠিল 'পল্লৱক প্ৰকাশে মাৰিলে বোলে।' কথাষাৰ শুনি প্ৰকাশ বৈ গ'ল। দৰ্জাখন জপালে। কিন্তু হুকটো মাৰিব পাহৰি সি মাত লগালে 'মোৰ দোষ নাছিল। সিয়ে —'

'কিন্তু পুলিচৰ চকুত মই দাগী হৈ গ'লো। পুলিচে মোকেই সন্দেহ কৰিছে। মোৰ গাড়ীখনো ফ'ল' কৰিছিল। অৱশ্যে মই বাগী দি সাৰি আহিলো।'

'কিন্তু মোৰ এই ঘৰটোৰ কথা গম পালে কেনেকৈ?' ভাস্কৰে সুধিলে।

খানে হাঁহিলে। ক'লে 'গোটেই দিনতো তোমালোকক বিচাৰি চলাথ কৰি অৱশেষত তোমাৰ উলুবাৰীৰ ঘৰলৈ গ'লো। তোমাৰ দৰ্জাৰ তলা খোলোতে একমিনিট ল'লে। কিন্তু ঘৰৰ সকলো বস্তু লণ্ড-ভণ্ড কৰি বিচাৰোতে দুঘণ্টা গ'ল। অৱশেষত মিউনিচপেল কৰ্পৰেছনৰ কোনোবা সতীশ তালুকদাৰক এইডোখৰ ঠাইত ঘৰ বনোৱাৰ পাৰ্মিচন দিয়াৰ অৰ্ডাৰ এটা পালো।'

ভাস্কৰে হুমুনিয়াহ এটা এৰিলে।

'টকাখিনি নিশ্চয় তুমি বেংকত থোৱা নাই। উলুবাৰীৰ ঘৰটোত থোৱাৰতো প্ৰশ্নই নুঠে। নিৰাপদ স্থান হ'লগৈ এই ঘৰটো। কিন্তু ভোগ কৰিবা কেনেকৈ? খৈতান বা মদন জীয়াই থকালৈকে নোৱাৰিবা।'

'হৰ্ষ বাহাদুৰ মৰিল। চুলেমানো পুলিচৰ হাতত —'

'তথাপিও মদন আছে।' খানে মাত লগালে।

'কিন্তু সি মোৰ এই ঘৰটোৰ সম্ভেদ নাজানে। প্ৰকাশে জানিছিল। এতিয়া আপুনি জানিছে। চুলেমানে অৱশ্যে —'

'ৰ'লা কিয়?'

'সি গম পাইছিল খাৰঘুলিত মই ঘৰ এটা বনাই আছো বুলি। মাত্ৰ সিমানেই। আচল লকেশ্যনটো সিও নাজানে। তাতে আকৌ সি এতিয়া পুলিচৰ জিম্মাত। পুলিচক সি

কোনোপধ্যে একো নকয় আৰু মদনৰো সাধ্য নাই এতিয়া আমি ক'ত আছো উলিয়াবলৈ।'

'মদনক তুমি আণ্ডাৰ এষ্টিমেট কৰিছা।'

'আগতে কৰা নাছিলো। এতিয়া কৰিছো। আজি ৰাতিৰ ভিতৰতে আমি তিনিও লগ হৈ মদন আৰু খৈতানক শেষ কৰি দিব পাৰিলে.........।'

ভাস্কৰ হঠাতে বৈ গ'ল। কিবা যেন কাণ পাতি শুনিব খুজিলে সি। তাৰ পিছতেই সি প্ৰকাশলৈ চালে।

বাহিৰত কোনোবা এজন থিয় হৈছে।

প্ৰকাশ তড়িৎ বেগেৰে দৰ্জাখনৰ ওচৰ চাপিল।

কিন্তু এটা মুহূৰ্ত্ত দেৰী হৈ গ'ল।

দৰ্জাখনৰ এপাত ইতিমধ্যেই কিছু মেল খাইছিল। সৰু কিচকিচিয়া ক'লা লোহাৰ নলী এডালৰ আগটো চকামকাকৈ দেখিছিল প্ৰকাশে। পিছমুহূৰ্ত্ততে ৰঙা অগ্নিস্ফুলিঙ্গ এটাও প্ৰকাশে দেখিলে। প্ৰকাশে অগ্নিপিণ্ডটোৱে ক'ত আঘাট কৰিলে ঠাৱৰ কৰিব নোৱাৰিলে।

আৰ্তনাদ কৰি সি মাথো ঢলি পৰিল মজিয়াখনত।

ভাস্কৰে ঠিক সেই মুহূৰ্ত্ততে ট্ৰিগাৰটোত হেঁচা দিছিল। গুলীটোৱে ক'ত বিন্ধিলেগৈ সিয়ো ক'ব নোৱাৰিলে। ভাস্কৰেও চিৎকাৰ কৰি ঢলি পৰিছিল।

আব্দুল খানে হতভম্ভ হৈ প্ৰস্তৰ মুৰ্ত্তি এটাৰ দৰে বহি ৰ'ল। দৰ্জাখনৰ সিপাৰৰ পৰা আৰু অগ্নিস্ফুলিঙ্গৰ শ্ৰোত ব'ব বুলি অনুমান কৰি আছিল খানে। কিন্তু একমিনিট নীৰৱ হৈ থকা দেখি খান উঠি থিয় হ'ল।

বাহিৰত কোলাহল হৈছে। পুলিচৰ হুইচেলৰ মাতো খানৰ কাণত পৰিল।

বৰ সন্তৰ্পণে খান বাহিৰলৈ ওলাই আহিল। ড্ৰয়িং ৰুমটোৰ পোহৰ খোলা দৰ্জাখনেৰে বাৰান্দাত পৰিছিল। কিন্তু বাৰান্দাত ৰক্তাপ্লুত হৈ পৰি থকা মদনৰ দেহটোলৈ অৱশ্যে খানে নাচালে। ঘৰটোৰ ভিতৰলৈ এবাৰ চাইছিল। বাইশ কৌটি টকাৰ মোহ এৰি আহিবলৈ অতিশয় বেজাৰ লাগিছিল, কিন্তু উপায় নাই।

হুইচেলৰ শব্দ ক্ৰমাৎ বেছি ওচৰ চাপি আহিছে।

খানে অন্ধকাৰত ভৰি দিলে।

১২

টেলিফোনৰ ৰিচিভাৰটো ক্ৰেডেলত থৈ শঙ্কৰ খৈতান হতাশা ও গ্লানিৰে চোফাখনত বহি দিলে। পানবজাৰ থানাৰ অ. চি. প্ৰদ্যুৎ বৰুৱাই ফোন কৰিছিল। মদনৰ

মৃত্যু সংবাদটো প্ৰথমেই দিলে। পিছত ক'লে, 'মই আপোনাৰ ঘৰলৈ গৈ আছো। আপোনাৰ ষ্টেটমেণ্ট ৰেকৰ্ড কৰিবলৈ।'

বৰুৱাৰ কথাষাৰে খৈতানৰ সৰ্বশৰীৰ জঠৰ কৰি তুলিছিল।

এই প্ৰথম বাৰলৈ তেওঁ পৰাজয়ৰ মুখ দেখিলে।

হঠাতে খৈতান উঠিল।

লাহে লাহে খোজ দি বেড ৰুমটোত ভৰি দিলে।

শান্ত হৈ পৰি আছে বেড ৰুমটো। লাইট এটা জ্বলি আছিল। বিছনাখন দেখি খৈতানৰ ৰাখীলৈ মনত পৰি গ'ল। ৰাখীৰ বাৰু কেনেকুৱা ভাৱ খেলাইছিল তেওঁ নাইট গাউনৰ ৰছীডাল ডিঙিত মেৰিয়াই দিয়া দেখি!! হঠাতে খৈতানৰ চিলিং ফেনখনৰ হুকটো দেখি চক্ খাই উঠিল। কিন্তু পিছ মুহূৰ্ত্ততে হুকটোলৈ বৰ মৰম উপজিছিল খৈতানৰ। ইমান মৃসৃন হৈ আছে হুকটো!

খৈতানে আচম্বিতে বিছনাৰ তুলীখন ডাঙি দিলে।

দীঘল নাইনলৰ ৰচী এডাল তুলি ল'লে খৈতানে।

বেছ দীঘলেই ৰছীডাল।

বঢ়িয়া হ'ব — মনতে আওঁৰালে খৈতানে।

সেই সময়তে খিৰিকীৰ ফাঁকেৰে বাহিৰলৈ চকু গৈছিল খৈতানৰ। জীপ এখন আহি ৰৈছে। কোনোবা এজন নামিছে জীপখনৰ পৰা।

আৰু দেৰী কৰিব নোৱাৰি।

ৰাখীয়ে কিজানি দুখ পাব দেৰী কৰিলে। বেচেৰী বৰ অকলশৰীয়া হৈ আছে। খৈতানে চকী এখন টানি আনিলে। ৰছীডালো ডিঙিত মেৰিয়াই ল'লে।

কামখিনি কৰোতে অৱশ্যে যথেষ্ট কম সময় ল'লে খৈতানে।

এইবাৰ স্বস্তিৰ নিঃশ্বাস এৰিলে খৈতানে। এতিয়া মাথো কেইটামান মুহূৰ্ত্তৰ ব্যৱধান।

একমিনিট।

হয়তো কেইটামান ছেকেণ্ড।

............ অথবা এটা পলক।

সময় গণিবলৈ খৈতান অৱশেষত নোৱাৰা হৈ আহিল। ●

# ৰক্তাক্ত

নিশা দহবজাৰ লগে লগে ৰঙিয়া জংচনৰ ২নং প্লেটফৰ্মৰ পৰিবেশ আকৌ নিমাওমাও হৈ আহিল। নিশা এঘাৰ বজালৈ কোনো যাত্ৰীবাহী ট্ৰেইন অহাৰ সময় নাই আজি। চাউথ ইণ্ডিয়ান কফি হাউচখনত কিন্তু তেতিয়াও ভিৰ পাতলা নাই। দহজন গ্ৰাহকৰ সকলোকেইজনে দোচা খাই আছে। হয়তো আৰু দহমিনিটৰ পিছত ভিৰ পাতলিব। প্লেটফৰ্মখনত অন্য কোনো যাত্ৰীও নাই। কফি হাউছৰ সত্য নাৰায়ণ ৰাওৱে গেছৰ বাৰ্ণাৰৰ শিখা কমাই আনি চাৰিওফালে চাই হঠাতে চমকি উঠিল।

অনতি দূৰৈৰ কিতাপৰ বন্ধ হৈ থকা ষ্টলখনৰ ওচৰৰ খুটা এটাৰ আঁৰত যুৱতী এগৰাকী আহি ঠিয় হৈছে। ভৰিৰ ওচৰত ব্ৰীফকেচ এটা। যুৱতী গৰাকীয়ে ৰাওলৈ পিঠি দি ষ্টেচনৰ মূলদ্বাৰলৈ চাই আছে।

ৰাওৱে ভিতৰি ভিতৰি বেছ কৌতুহল অনুভৱ কৰিছিল।

বহু বছৰ আগতে ৰঙিয়া জংচনত যুৱতী এগৰাকীৰ হত্যা হৈছিল। সেই সময়তে ৰাও মাদ্ৰাজৰ পৰা আহি ৰঙিয়া ষ্টেছনৰ এই চাউথ ইণ্ডিয়ান কফি হাউচখনত দোচা বনোৱাৰ কামত সোমাইছিল। তেতিয়া বহু মুখৰোচক কাহিনী শুনিছিল সেই ঘটনাটোৰ ওপৰত। আজি যেন বহু বছৰৰ মূৰত তেনেকুৱা এটা ঘটনাই পুনৰ ঘটিব ওলাইছে। ৰাওৰ তেনেকুৱা এটা ভাৱ উপজিল।

ৰাওৱে ঘড়ীটো চালে।

দহ মিনিট উকলি গ'ল।

ৰাওৰ সন্মুখত এতিয়া কোনো গ্ৰাহক নাই। অৱশ্যে গ্ৰাহক কেইজনৰ পৰা পইচা লোৱাৰ সময়ত তেওঁ কিছু ব্যস্ত হৈ পৰিছিল। কফি বনোৱা নাগা ৰেড্ডী আৰু বাচন ধোৱা ল'ৰাটোও বাহিৰলৈ ওলাই গৈছে। ৰাওৱে কিন্তু চকুৰ দৃষ্টি আঁতৰৰ খুটাটোৰ দিশৰ পৰা অলপো ঘুৰাই আনিব পৰা নাই। যুৱতী গৰাকী তেতিয়াও একে ঠাইতে ঠিয় হৈ আছে, চকুৰ দৃষ্টিও ১নং প্লেটফৰ্মৰ মূল দৰ্জাখনত স্থিৰ হৈ আছে। হঠাতে ৰাওৰ খেয়াল হ'ল যুৱতী গৰাকী যেন চঞ্চল হৈ উঠিছে। চাৰিওফালে সতৰ্ক দৃষ্টি বুলাই এহাতত ব্ৰীফকেচটো লৈ লাহে লাহে খোজ দি যুৱতী গৰাকী প্লেটফৰ্মৰ দাঁতিত ঠিয় হ'ল। যুৱতীয়ে পিন্ধি থকা নীলা শাড়ীখন কিছু কোচাই লৈ প্লেটফৰ্মৰ পৰা নামি ৰেলৰ লাইন দুডাল পাৰ হৈ ১নং

প্লেটফৰ্মত ভৰি দিলে। ১নং প্লেটফৰ্মত তেতিয়াও অৱশ্যে ভিৰ আছিল। ৰাওৰ চকুত পৰিল যুৱতী গৰাকী কাফেটেৰীয়াখনৰ সন্মুখত ঠিয় হৈছে। ওচৰতে ঠিয় হৈছেহি যুৱক এজন।

যুৱকৰ পিন্ধনত ছামৰাৰ ক'লা জেকেট এটা।

হয়তো যুৱকজন ৰঙিয়াৰ নহয়!!

ৰাও নিজৰ অজানিতেই কফি হাউছৰ পৰা কেতিয়াযে বাহিৰ ওলাই আহিল ততকে ধৰিব নোৱাৰিলে। ৰাও যেতিয়া ১নং প্লেটফৰ্মত ভৰি দিছিল তাৰ ঠিক এপলক আগতে ৰহস্যময়ী যুৱতীগৰাকীয়ে যুৱকজনৰ সৈতে খোজ দিবলৈ আৰম্ভ কৰিছিল। মাত্ৰ এটা মুহূৰ্তৰ বাবেহে যুৱতী গৰাকীৰ মুখখন ৰাওৰ চকুত পৰিছিল। আৰু তেতিয়াই চমকি উঠিছিল ৰাও। ক'ত দেখিছিল এই মুখখন? ৰাও চিন্তিত হৈছিল। কেতিয়াযে চৰকাৰী ৰেলৱে পুলিচৰ এচ. আই. প্ৰভাকৰ শৰ্মাৰ মুখামুখি হৈছিল তেওঁ ততকে ধৰিব নোৱাৰিলে। প্ৰভাকৰ শৰ্মাৰ মাতত সম্বিৎ ঘূৰাই পাই ৰাও বৈ গ'ল।

'কি হ'ল? দোকান খোলা আছে আৰু ইপিনে......'

প্ৰভাকৰ শৰ্মাৰ মাতষাৰে ৰাওৰ মনটো কঁপাই দিলে। তেওঁৰ মনত পৰিল। যুৱতীৰ ফটো এখন তেওঁ দেখিছিল আৰু দেখুৱাইছিল স্বয়ং প্ৰভাকৰ শৰ্মাই।

'চাৰ!'

'কি হ'ল ৰাও? আজি দেখোন.......'

'মই ...... সেই ছোৱালীজনী দেখিছিলো।' ৰাওৰ মাতটো কঁপিছিল।

'ক'ৰ ছোৱালী? সেই বেয়া ছোৱালী কেইজনী নেকি যোৱা মাহত যে ধৰিছিলো!!'

'সেইকেইজনী নহয়। নতুন এজনী। ইয়াৰ নহয়। বাহিৰৰ। তাইৰ ফটো এখন এদিন মোক আপুনি দেখুৱাইছিল। ড্ৰাগ্‌ছ স্মাগলিং কৰে বোলে।'

'মনত পৰিছে।' প্ৰভাকৰ শৰ্মাই ক'লে।

'তাইক দেখিছিলো, সৌখিনিত.......' ৰাওৱে মূৰটো ঘূৰাই কাফেটেৰীয়াখনৰ ওচৰলৈ আঙুলিয়াই দেখুৱাই চমকি উঠিল। কোনো নাই তাত তেতিয়া। ৰাওৱে অৱশ্যে আৰু একো ক'বলৈ আহৰি নাপালে। প্ৰভাকৰ শৰ্মা ইতিমধ্যেই লৰৰি গৈছিল।

আৰু ঠিক তেতিয়াই..........

২

গুৱাহাটী-শ্বিলং পথৰ অকোৱা পকোৱা পাহাৰী পথটোৰে তীব্ৰবেগেৰে মাৰুতি কাৰখন চলাই আনিছিল সৌৰভে। নংপো এৰি থৈ অহাৰ পিছতে গৰম অনুভৱ কৰিছিল সৌৰভে। কিন্তু পিন্ধি থকা ক'লা ছামৰাৰ জেকেটতো খুলি থবলৈকো সৌৰভৰ এতিয়া সময় নাই। বগা ৰঙৰ মাৰুতি কাৰখনত আৰোহী আৰু চালক অকল সি। ড্ৰাইভিং ছিটত অইন কোনো এজন থকা হলেও অকনমান সকাহ পোৱা গ'লহেঁতেন। এতিয়া প্ৰতিটো মূহুৰ্তই মূল্যবান হৈ পৰিছে। আৰু ডেৰ ঘন্টাৰ ভিতৰত ৰঙিয়া ষ্টেচন পাব লাগিব। এতিয়াও দূৰত্ব অতিক্ৰম কৰিবলৈ আছে প্ৰায় ৭০ কিলোমিটাৰ। নিশা দহবজাৰ লগে লগে ৰঙিয়া জংছন পাব লাগিব। ১ নং প্লেটফৰ্মৰ কাফেটেৰীয়াখনৰ ওচৰত ৰৈ থাকিব যুৱতী এগৰাকী। পিন্ধনত থাকিব নীলা শাড়ী এখন। এহাতত ব্ৰীফকেচ এটা। যুৱতীগৰাকীক লৈ সি উপস্থিত হ'ব লাগিব ৰঙিয়াৰ মূৰাৰা চ'কৰ এপেক্স বেংকৰ কাষত থকা সৰু ঘৰ এটাত। পিছদিনাখন যুৱতীক লৈ যাব লাগিব দৰঙালৈ, তাৰপৰা থিম্ফুলৈ। তাৰপিছত আকৌ সি প্ৰত্যাৱৰ্তন কৰিব তাৰ মৰমৰ শীতৰ নগৰী শ্বিলঙলৈ।

সৌৰভৰ গাড়ীৰ গতি আৰু বাঢ়িছিল।

প্ৰতি পাঁচ মিনিটৰ অন্তৰে-অন্তৰে সৌৰভে ঘড়ীটো চাইছিল। উৎকণ্ঠাই তাৰ গাড়ীৰ গতি আৰু বঢ়াইছিল। হয়তো সেইবাবেই সি ভৱাতকৈ আৰু কম সময়ৰ ভিতৰতে ৰঙিয়া পালেহি। ৰেলষ্টেচনৰ কাৰ পাৰ্কিং এৰিয়াত তেতিয়া মাত্ৰ দুখন মিলিটাৰী শক্তিমান ট্ৰাক ৰৈ আছে। সৌৰভে চাৰিওফালে এবাৰ সতৰ্ক দৃষ্টি বোলাই ষ্টেচনৰ ভিতৰ সোমাল। ১নং প্লেটফৰ্মৰ কাফেটেৰীয়াখনৰ ওচৰ পাই সৌৰভ কিছু হতাশ হ'ল। নীলা শাড়ী পৰিহিতা কোনো যুৱতী নেদেখিলে সৌৰভে। কাফেটেৰীয়াখনৰ ভিতৰলৈ চকু ফুৰাই পিছৰ মুহূৰ্তটোত সন্মুখলৈ দৃষ্টি পেলাওঁতে সৌৰভ চমকি উঠিল। তাৰ নিচেই কাষতে নীলা শাড়ী পৰিহিতা যুৱতী এগৰাকী আহি থিয় হৈছে। নিয়মীয়া ওখ, ক্ষীণ, কিন্তু উজ্বল বগা ৰঙৰ যুৱতী গৰাকী দেখিবলৈ যথেষ্ট ধুনীয়া।

'আপুনি সৌৰভ বৰ্মন?'

সৌৰভে মূৰ দুপিয়ালে।

'মই আয়েচা আলী।' যুৱতীয়ে ক'লে।

সৌৰভে নামটো মনতে এবাৰ আওঁৰালে। সি কিবা এষাৰ ক'ব ওলাই আকৌ হঠাতে ৰৈ গৈ এইবাৰ কিছু উৎকণ্ঠিত হৈ ফুচ্‌ফুচাই ক'লে, 'পুলিচ অফিচাৰ এজন আহি আছে। আপুনি ক'লৈকো নাচাব। মাত্ৰে মোৰ পিছে-পিছে আহি থাকিব। খোজ কিন্তু খৰকৈ দিব।'

'ঠিক আছে।' আয়েচা আলীয়েও ফুচ্‌ফুচাই উত্তৰ দিলে।

সৌৰভে প্ৰায় দৌৰি যোৱাৰ দৰে খোজ দি গেটখনৰ ওচৰ চাপোতে এটা ধাতৱ শব্দ শুনা পালে। সৌৰভে ততালিকে গম পালে লোহাৰ গেটখনত সেইটো ক'ৰবাৰ পৰা অহা চাইলেন্সাৰযুক্ত ৰিভলভাৰৰ গুলীৰ আঘাট। সৌৰভে সন্মুখলৈ দৌৰি আহি মাৰুতিখনত উঠি বহিল। পিছ মূহূৰ্তত আয়েচাও গাড়ীত উঠি বহি লৈছিল। সৌৰভে কিন্তু কোনো খৰখেদা নকৰাকৈ বেছ স্বাভাৱিক ভাৱেই গাড়ীখন আগবঢ়াই নি কিছু দূৰ গৈয়ে আকৌ ৰৈ যাব লগা হ'ল। ওচৰৰ চিনেমা হলটোৰ নাইট শ্ব' শেষ হৈছে, পথটোত যথেষ্ট ভিৰ।

'পিছফালে গাড়ী বা স্কুটাৰ আহি আছে নেকি চাওঁকছোন।'

'নাই অহা।' আয়েচাই পিছলৈ ঘূৰি চাই উত্তৰ দিলে।

সৌৰভে হৰ্ণ বজাই বজাই অৱশেষত আকৌ আগবঢ়ালে মাৰুতিখন। একমিনিট অথলে গ'ল। এই সময়ত প্ৰতিটো মিনিটেই মূল্যবান হৈ পৰিছে। সৌৰভৰ হঠাতে দুঃচিন্তা উপজিল। বাওঁফালে ঘূৰিলেই যদি ৰেললাইনৰ গেটখন বন্ধ হৈ থকা পায় আৰু পিছফালৰ পৰা কোনোবাই সেইসময়তে খেদি অহাৰ উমান পালে সি কি কৰিব কথাষাৰ ভাৱিয়েই সৌৰভ যথেষ্ট উৎকণ্ঠিত হ'ল।

'কি চিন্তা কৰিছে?'

'নাই কৰা।' সৌৰভে মিছাকৈয়ে ক'লে। অৱশ্যে সৌৰভৰ উৎকণ্ঠা কমিছিল। ৰেল লাইনটো খোলায়ে আছে, কিন্তু লেভেল ক্ৰচিঙটোতে অট' এখন ৰৈ থকাৰ বাবে এটা ছেকেণ্ড অথলে গ'ল। সি ৰেল লাইনটো পাৰ হৈয়েই মাৰুতিখনৰ গতি দ্ৰুততৰ কৰিলে। এছ-ডি-চি অফিচটোৰ সন্মুখত ট্ৰাক এখন টাৰ্ণিং ল'বলৈ ওলাইছিল, সৌৰভে কিন্তু অৱলীলাক্ৰমে কাষৰ ফাঁক এটাৰে মাৰুতিখন পাৰ কৰাই নিলে। তাৰ মুখত হাঁহি বিৰিঙি উঠিল। অন্ততঃ দুইমিনিটৰ বাবে পথটো এতিয়া ট্ৰাকখনে বন্ধ কৰি থ'ব, অন্ততঃ পুনৰ টাৰ্ণিং লৈ আগৰ পজিচনলৈ অহালৈ। সেইকণ সময়ে সৌৰভৰ বাবে যথেষ্ট হ'ব।

সৌৰভে গাড়ীৰ গতি আৰু দ্ৰুত কৰিলে।

পথটো জনশূণ্য।

সৌৰভে একমিনিটৰ ভিতৰতে মুৰাৰা চ'ক পালে। এপেক্স বেংকৰ সন্মুখেৰে সৰু গলি এটাৰে প্ৰায় এশ মিটাৰমান গৈয়ে ঘৰ এটাত সোমাই দিলে গাড়ীখন। প্ৰায় লগে লগে চাপৰ আদহীয়া মানুহ এজন অন্ধকাৰ ঘৰটোৰ বন্ধ দৰ্জাখন খুলি ওলাই আহিল।

'মেম চাহাবক ভিতৰলৈ লৈ যা বাহাদুৰ।' সৌৰভে ক'লে।

৩

আয়েচাৰ বেছি সময় নালাগিল নিজকে সুস্থিৰ কৰি ল'বলৈ। পোন্ধৰ মিনিটৰ ভিতৰতে মুখ-হাত ধুই বাহাদুৰে আগবঢ়াই দিয়া কফিৰ কাপটোত চুমুক এটা দি সৌৰভলৈ চাই পঠিয়ালে। সৌৰভৰ হাততো কফিৰ কাপ এটা। আয়েচাই নিজে আগবাঢ়ি গৈ সৌৰভৰ কাষৰ চোফা এখনত বহি লৈ ক'লে 'কোনোবাই আমাৰ সকলো কথা গম পাই গ'ল।'

' পাব পাৰে।' খন্তেক ৰৈ সৌৰভে আকৌ ক'লে ' হয়তো নাপাবও পাৰে।'

'নুবুজিলো।'

'চাওঁক।' সৌৰভে কফিৰ কাপটো থৈ ক'লে ' আমাৰ গ্ৰুপৰ নেটৱৰ্ক ম্যানমাৰ, ইম্ফল, ডিমাপুৰ, খিলং আৰু গুৱাহাটীলৈকে ব্যাপ্ত। আমাৰ স্মাগলিঙৰ জগতখন ইয়াতে কেন্দ্ৰ কৰি গঢ়ি উঠিছে। আমি হ'লো টেস্পোৰটাৰ। আৰু আপোনালোক হ'ল আমাৰ গ্ৰাহক বা ষ্টকিষ্ট বা সহজ অৰ্থত পাইকাৰী ব্যৱসায়ী। কিন্তু আপোনালোকৰ বজাৰখন কলিকতা, শিলিগুৰি, পাটনা, নেপালক লৈহে গঢ়ি উঠিছে। আমাৰ দুয়োটা সংগঠনৰে দুটা সুকীয়া সত্বা আছে। আমাৰ শত্ৰুজন আপোনাৰ বা আপোনাৰ শত্ৰুজন আমাৰ শত্ৰু নহ'বও পাৰে।'

' তাৰমানে আপুনি বুজাব খুজিছে যে লক্ষ্য আছিলো মইহে , আপুনি নহয়, হয়নে?' সুধিলে আয়েচাই।

'হ'ব পাৰে।'

' তেতিয়া হ'লে মই যে দৰঙা হৈ থিম্ফুলৈ যাম , সেইয়াও অইনে জানিব পাৰে। আনকি কিহৰ কাৰণে খিলঙৰ ড্ৰাগছ স্মাগলিঙৰ ৰজা খাৰখুঙগাৰৰ এজেণ্টৰ সৈতে থিম্ফুলৈ ওলাইছো তাকো গম পাব পাৰে।' আয়েচাই কফিৰ কাপটো থৈ ক'লে — 'কোন তেওঁ?'

' কোন ময়ো নাজানো। এজন নে একাধিক তাকো গম পোৱা নাই। কিন্তু সেই বুলিয়েই মূৰে কপালে হাত দি বহি থকাৰ প্ৰয়োজন কি? অৱশ্যে আমি যথেষ্ট সাৱধান হ'ব লাগিব। আৰু সেই কাৰণেই অহাকালি ৰাতিপুৱা আমি ন বাজি পঞ্চলিশ মিনিটত এ. এছ. টি. চি. ৰ দৰঙালৈ যোৱা বাছখনেৰে যাম , মাৰুতিৰে নহয় , তাৰপৰা থিম্ফুলৈ। মাৰুতিখনৰ খিলঙৰ নাম্বাৰ প্লেট সলাই অসমৰ মানে গুৱাহাটীৰ নাম্বাৰ এটা বাহাদুৰে লগাই থ'ব। মই আপোনাক থৈ গুচি আহিম থিম্ফুৰ পৰা।'

সৌৰভৰ কথাৰ সুৰত আয়েচা কিছু যেন আশ্বস্ত হ'ল। আয়েচাই এইবাৰ খলিলুৰ ৰহমান

সৌৰভলৈ পোনপটিয়াকৈ চাই ক'লে - ' ঘৰটোত বেডৰুম এটাই। মই তাত শুলে আপুনি ক'ত থাকিব ?'

' ময়ো.........' সৌৰভে আধা কোৱাকৈয়ে ৰৈ গ'ল।

সি অস্বস্তি অনুভৱ কৰিলে। কথাষাৰ কৈ ভুল কৰিলে নেকি ?

' থিক আছে।' আয়েচাই সৰুকৈ ক'লে।

৪

এটা ছেকেণ্ডৰ ভিতৰতে ঘটি গৈছিল কাণ্ডটো। প্ৰভাকৰ শৰ্মাৰ সৰ্তক চকুৰ আগতেই ঘটিছিল কাণ্ডটো। ঘটনাৰ নাটকীয়তাত তেওঁ বিবুদ্ধিত পৰিছিল। তেওঁ এবাৰ প্লেটফৰ্মৰ গেটখনলৈ আৰু এবাৰ ২নং প্লেটফৰ্মৰ সিটো মূৰলৈ চাই পঠিয়াইছিল। তেওঁৰ চকুত পৰিছিল চাপৰ গাঠলু মানুহ এটাই ৰিভলভাৰেৰে অগ্নি বৰষা আৰু ১নং প্লেটফৰ্মৰ গেটখনেৰে এহাল যুৱক-যুৱতী লৰ মৰা। তেওঁৰ দৃষ্টি ২নং প্লেটফৰ্মৰ চাপৰ শকত মানুহজনৰ ওপৰত বেছ কিছুপৰ স্থিৰ হৈ ৰৈ গৈছিল। চিনি পাইছিল মানুহজনক প্ৰভাকৰ শৰ্মাই। জি. আৰ. পি. আৰু আৰ. পি. এফৰ থানাৰ প্ৰত্যেকতে ফটো এখন ওলমি থাকে মানুহজনৰ। ৰেলৰে ওৱাগনৰ মাল চুৰি, ৰেলৰ স্মাগলিং কৰা আদি শতাধিক গোচৰত জড়িত হৈ থকা খলিলুৰ ৰহমানক বাৰু কোনে চিনি নাপাব!!

১ নং প্লেটফৰ্মত তেতিয়া হুৱা-দুৱা লাগিছিল।

হুলস্থুলে এটা বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰি পেলাইছিল।

১নং প্লেটফৰ্মত যাত্ৰী আছিল চাৰিশতকৈয়ো বেছি। প্ৰভাকৰ শৰ্মাই ধৰিব পাৰিছিল এই ভিৰ ঠেলি তেওঁ ১নং প্লেটফৰ্মৰ দৰ্জাৰ ওচৰ পাওঁতে যথেষ্ট সময় ল'ব। সেয়েহে প্ৰভাকৰ শৰ্মাই ১নং প্লেটফৰ্মৰ পৰা ৰেলৰে লাইন অতিক্ৰম কৰি ২নং প্লেটফৰ্মত ভৰি দিছিল। তেওঁ হুইছেল বজাইছিল। দূৰৈৰ পৰা দেখিছিল খলিলুৰ ৰহমানক দৌৰি যোৱা। প্ৰভাকৰ শৰ্মাই তেতিয়াই চৰম সিদ্ধান্তটো লৈ লৈছিল।

হলষ্টাৰৰ পৰা ৰিভলভাৰটো উলিয়াই ল'লে প্ৰভাকৰ শৰ্মাই।

আৰু দহ মিটাৰমান অতিক্ৰম কৰিলেই খলিলুৰ ৰহমান প্লেটফৰ্মৰ অন্ধকাৰ অংশটোত উপনীত হ'ব ; সেই খিনিতে প্লেটফৰ্মখনো শেষ হৈছে। কাষতে ৰেলৰ লাইনত আছে ডবাবোৰৰ শাৰী। আৰু সেইখিনি ঠাইত উপস্থিত হ'লেই খলিলুৰ ৰহমান মুহূৰ্ততে অন্তৰ্ধান হ'ব পাৰিব।

প্ৰভাকৰ শৰ্মাই হুইছেল বজাই এবাৰ ৰিভলভাৰৰ ট্ৰিগাৰ টিপিলে।

নৰ'ল।

ৰহমানৰ দৌৰৰ গতি আৰু দ্ৰুততহে হ'ল।

প্ৰভাকৰ শৰ্মাই এইবাৰ ৰহমানৰ ভৰিখনলৈ বুলি নিচান পোন কৰি ট্ৰিগাৰ টিপিলে। খলিলুৰ ৰহমান লগে-লগে এবাৰ হালিও পৰিছিল , কিন্তু পিছ মুহূৰ্ততে অৱলীলাক্ৰমে আকৌ ঠিয় হৈ অন্ধকাৰত নাইকিয়া হৈ গ'ল। প্ৰভাকৰ শৰ্মা সেইখিনি পাওঁতে সকলো শূণ্য, তলৰ মাটিত মাত্ৰ কেইটামান তেজৰ টোপাল।

'এই ৰেলৰ ডবাৰ জংঘলত কেনেকৈ বিচাৰি পাব?' পিছফালৰ পৰা ৰাওৰ মাতত প্ৰভাকৰ শৰ্মাই একো নক'লে।

তেওঁ উভতি আহিল।

তাৰপিছত চাৰি ঘণ্টা কেনেকৈ পাৰ হ'ল প্ৰভাকৰ শৰ্মাই ততকে ধৰিব নোৱাৰিলে। অৱশেষত সকলো কাম শেষ কৰি তেওঁ জি. আৰ. পি. থানাৰ হেলনীয়া চকী এখনত আৰামকৈ বহি লওঁতেহে ভাগৰে হঠাতে জুমুৰি দি ধৰিলে। তেনেতেই টেলিফোনটো সশব্দে বাজি উঠোতে বিৰক্তিৰে ৰিচিভাৰটো ডাঙি লৈ ক'লে - 'ৰঙিয়া জি. আৰ. পি. থানা। মই এছ. আই. প্ৰভাকৰ শৰ্মাই কৈছো।'

'মই এচ. ডি. পি. অ.' মৃগেন বৰা।' সিফাঁলৰ পৰা ভাঁহি আহিল গল্‌গলীয়া কণ্ঠস্বৰ এটা।

'কওঁক চাৰ।'

'লেটেষ্ট খবৰ কি?' সিফালৰ পৰা সুধিলে বৰাই।

'মই অলপ আগতে চাৰ্কোল ইন্সপেক্টৰক সকলো বুজাই কৈছো। তেখেতে কম্বিং অপাৰেছন আৰম্ভ কৰিছেই।'

'জানো। কিবা পাইছেনে?'

'নাই পোৱা। খলিলুৰ ৰহমানক ধৰাও ইমান সহজ নহয় চাৰ।'

'আৰু আয়েচা আলী?' আকৌ সুধিলে বৰাই।

'আয়েচা আলীৰ একো ক্লু পোৱা নাই।'

'লগত থকা ক'লা ছামৰাৰ জেকেটপিন্ধা যুৱকজনৰ?'

'এতিয়ালৈকে একো গম পোৱা নাই। কিন্তু.......'

'কিন্তু কি?'

'এই অক্টোবৰ মাহতে কোনেও ৰঙিয়াত জেকেট নিপিন্ধে, অন্ততঃ জেকেট পিন্ধিব লগীয়াকৈ শীত নপৰে। কিন্তু ভূটানৰ পৰা অহা মানুহখিনিয়েহে........'

'বুজিলো।'

কথাষাৰ কৈয়ে এছ. ডি. পি. অ. মৃগেন বৰাই ৰিছিভাৰটো থৈ দিয়াৰ শব্দ শুনিলে প্ৰভাকৰ শৰ্মাই। শৰ্মাই বুজিলে নতুকৈ অহা এছ. ডি. পি. অই দৰঙা পথত এতিয়া নিঃছিদ্ৰ তালাচী চলাব। কিন্তু আয়েচা আলীহঁতৰ শুংসূত্ৰ পাব জানো? আৰু ভূটানৰ পৰা নাহি দাৰ্জিলিং বা শ্বিলঙৰ পৰা আহিছিল নেকি যুৱকজন? অথবা চখতে পিন্ধি আছিল জেকেটটো; তেতিয়া?

প্ৰভাকৰ শৰ্মাই চকুহাল মুদি দিলে।

৫

আয়েচাই জীৱনত এই প্ৰথমবাৰৰ বাবে জৈৱিক তৃপ্তিৰ সীমাহীনতা অনুভৱ কৰিবলৈ সক্ষম হ'ল। ইমানদিনে তাই যেন অন্য এখন জগততহে বিচৰণ কৰি আছিল। আজিহে প্ৰকৃত জগতখনৰ অস্তিত্ব বিচাৰি পাইছে তাই। আয়েচাই সৌৰভৰ বুকৰ মাজত মুখখন গুজি দি ক'লে 'কেই ঘণ্টামানৰনো চিনাকী আমাৰ? চাৰি ঘণ্টাৰ? কিন্তু এতিয়া ভাৱ হৈছে বহুদিনৰ আগৰে পৰা আমি দুয়ো দুয়োকে চিনি পাই আহিছো।'

'মোৰো তেনেকুৱাই ভাব এটা মনত উপজিছে। কিন্তু মাজে-মাজে অন্য এটা ভাৱো আহে। আমাৰ দুয়োৰে জীৱনৰ গতিধাৰা বৰ বিপদসংকুল। কোন মুহূৰ্তত........'

'যাওঁক সেইবোৰ এতিয়া।' আয়েচাই সুধিলে 'কেইটা বাজিছে?'

সৌৰভে গাৰুৰ তলৰ পৰা ঘড়ীটো উলিয়াই ৰেডিয়াম থকা ডায়েলখন চাই ক'লে 'তিনিটা বাজিছে।'

'আৰু মাত্ৰ কেইটামান ঘণ্টাহে আছে।'

এই অসীম তৃপ্তিৰ স্থায়িত্ব আৰু মাত্ৰ কেইটামান ঘণ্টালৈহে থাকিব বুলি জানি সৌৰভৰ আৱেগৰ মাত্ৰা হঠাতে আকৌ উথলি উঠিল। কিন্তু ঠিক সেই মুহূৰ্ততে বন্ধ হৈ থকা দৰ্জাখনত বাহিৰৰ পৰা টোকৰ পৰা শুনি সৌৰভ উচপ খাই উঠিল। কিন্তু সি কিবা এষাৰ কোৱাৰ আগেয়েই আয়েচাই মাত লগালে — 'কোন?'

'মই। বাহাদুৰ।' সিফালৰ পৰা বাহাদুৰৰ মাত ভাঁহি আহিল।

সৌৰভে একেলৰে উঠি নাইট গাউন এটা গাত সুমুৱাই লৈ দৰ্জাখন খুলি সমুখতে কিছু অস্থিৰভাৱে ঠিয় হৈ থকা বাহাদুৰক দেখি শুধিলে 'কি হ'ল বাহাদুৰ?'

'ৰেল ষ্টেচনত আপোনালোকক গুলীওৱা মানুহজনৰ নাম খলিলুৰ ৰহমান।'

'কোন খুলিলুৰ ৰহমান?' সুধিলে সৌৰভে ' নামটো অৱশ্যে চিনাকী যেন লাগিছে।'

' খলিলুৰ ৰহমানক মই জানো।' আয়েচাই বিছনাখনৰ পৰাই মাত লগালে ' হাওৰাৰ পৰা বৰপেটা ৰোডলৈ — এই গোটেই ৰেলৰে ট্ৰেকৰ তেওঁ মাফিয়া দল এটাৰ লীডাৰ। দুৰ্ভাগ্যক্ৰমে তেওঁ আমাৰ দলৰ হৈ কাম নকৰে।' আয়েচাই এটা মুহূৰ্ত তভক মাৰি ৰৈ আকৌ ক'লে ' খলিলুৰ ৰহমানে শিলিগুৰিৰ কিশোৰ স্যান্যাল নামৰ নতুনকৈ মুৰ ডাঙি উঠা আৰ্মচ ডীলাৰ এজনৰ হৈ কাম কৰা বুলি শুনিছিলো। স্যান্যালৰ লগত আকৌ আমাৰ অহি-নকুল সম্পৰ্ক। আমি এতিয়া ড্ৰাগছৰ উপৰিও আৰ্মচতো হাত দিব খুজিছো; যিটো স্যান্যালে ভাল পোৱা নাই।'

' তেওঁ একছত্ৰী সম্ৰাট হ'ব খুজিছে।' সৌৰভে ক'লে।

' আৰু সেইকাৰণে হয়তো মোক নিঃশেষ কৰি দিব খুজিছিল।' আয়েচাই ক'লে।

সৌৰভে এইবাৰ বাহাদুৰলৈ চাই সুধিলে ' ইয়াৰ পুলিচে কি কৰিছে?'

' কম্বিং অপাৰেছন কৰিছে। দৰঙালৈ যোৱা পথতে পুলিচ চেকিং বহুৱাইছে।' বাহাদুৰে উশাহ সলাই এইবাৰ ক'লে ' শ্বিলঙৰ পৰা ফোন আহিছিল। অহাকালি যিকোনো প্ৰকাৰে দৰঙা পাব লাগিব। মোক আপোনালোক দুয়োকো খবৰ দিবলৈ ক'লে।'

বাহাদুৰ গ'লগৈ।

সৌৰভে দৰ্জাখন জপাই আকৌ বিছনাখনৰ ওচৰ চাপি আহিল। আয়েচাৰ মুখখনে ইতিমধ্যে বৰণ সলাইছিল। সৌৰভে বিছনাতে বহি লৈ সুধিলে ' ভয় লাগিছে?'

' ভয়? ওঁহো। নাই লগা। চিন্তা কিন্তু হৈছে।'

' অলপো চিন্তা নকৰিবা। মই আছো।' সৌৰভে অভয় দিলে।

' কিন্তু খলিলুৰ ৰহমান বৰ নৃশংস লোক। ৰেলৰে আণ্ডাৰৱৰ্ল্ডৰ সি বচ।'

' তথাপিও চিন্তা নকৰিবা। আমাৰ হাতত এতিয়াও সুকলমে থিম্ফু পোৱাৰ হেজাৰটা উপায় আছে।' সৌৰভে কথাষাৰ কৈ আয়েচাক আকৌ আকোৱালি ল'লে।

৬

খলিলুৰ ৰহমানে ভাগৰত ফোপাঁইছে। প্ৰায় ১০ মিনিট তীব্ৰবেগে দৌৰি এখন লাহে-লাহে গৈ থকা গুড়চ ট্ৰেইনৰ খালী ডবা এটাত একে জাপে উঠি লৈছিল। আন্ধাৰত

পকেটৰ পৰা ৰুমাল এখন উলিয়াই লৈ ভৰিৰ ক্ষতস্থানটো মেৰুৱাই ল'লে ৰহমানে। তেজ ওলোৱা বন্ধ হৈছে। যন্ত্ৰণাৰ অৱশ্যে উপশম হোৱা নাই। তথাপিও ক্ষতি নাই। গুলীটো ভিতৰত নাই যেতিয়া ৰহমানৰ চিন্তা কৰিবলগীয়া একো নাই।

কিন্তু.........।

খলিলুৰ ৰহমানৰ হঠাতে খেয়াল হ'ল ট্ৰেইনখন যেন ৰৈ গৈছে।

ৰহমানৰ দুঃশ্চিন্তা উপজিল।

অন্ধকাৰ ডবাটোৰ পৰা মুৰটো সামান্য হুলাই বাহিৰলৈ চালে ৰহমানে। আঁতৰত ৰেলৱে ক্ৰছিং ছিগনেল পোৱা নাই বাবে ট্ৰেইনখন ৰৈ গৈছে।

ৰহমান এইবাৰ ডবাৰ পৰা ওলাই আহিল।

ৰেলৱে ট্ৰেকটো অন্ধকাৰ। এশ মিটাৰমান আঁতৰত ৰেলৱে ক্ৰছিঙটোৰ ওচৰত মাৰ্কাৰী লাইটৰ পোহৰে ঠাইখনক আলোকময় কৰি ৰাখিছে। ৰহমান খৰ খোজেৰে আগবাঢ়িল। ৰেলৱে ক্ৰছিঙটোৰ ওচৰ চাপি ৰহমান ৰ'ল। নিয়মমতে স্যান্যালৰ মানুহজন এই ক্ৰছিঙটোতে ৰৈ থাকিব লাগে। ওচৰত থাকিব এখন অ'টো। ৰহমান সেই দেখিয়ে হতাশ হ'ল। লগে-লগে দুঃশ্চিন্তাইয়ো মনটো পুনৰ ভাৰাক্ৰান্ত কৰি তুলিলে। আঁতৰেদি পুলিচৰ জীপ এখন ক্ৰছিঙটো পাৰ হৈ ঘূৰি ৰেলৱে ষ্টেচনলৈ যোৱা দেখি ৰহমানৰ অন্তৰাত্মা কঁপি উঠিল।

এই গোটেই অভিযানটোৱে এতিয়া ফুটুকাৰ ফেন হ'ব।

আজি গধূলিলৈ ৰহমান নিউ বঙাইগাওঁ ৰেলেৱে ষ্টেচনত আছিল। হঠাতে খবৰ আহিছিল , কলিকতাৰ আয়েচা আলী ৰেলেৰে আহি আছে ৰঙিয়ালৈ বুলি। ৰহমানক দিয়া আদেশ আছিল আয়েচা আলীক দেখা পোৱা মাত্ৰকে শেষ কৰি দিয়াৰ। নিউ বঙাইগাঁৱৰ পৰা ৰঙিয়ালৈ এই গোটেই বাট চোৱা সমগ্ৰ ট্ৰেইনখনতে আয়েচাক বিচাৰি-বিচাৰি ৰহমান হায়ৰান হৈছিল। অৱশেষত চিকাৰ হাতত পায়ো হেৰাই গ'ল।

ৰহমানে ছিগ্নেলৰ খুটা এটাৰ আঁৰৰ অন্ধকাৰৰ ঠাই এডোখৰ বাছি লৈ ঠিয় হৈ ৰ'ল। ৰহমানে ক্ৰছিঙটোৰে অহা যোৱা কৰি থকা প্ৰতিজন মানুহ , প্ৰতিখন গাড়ী মটৰত চকু ফুৰাই গ'ল। প্ৰায় ১০ মিনিট উকলি যোৱাৰ পিছত ৰহমান নিঃশ্চিন্ত হ'ল কিশোৰ স্যান্যালৰ মানুহজন বিপদত পৰিছে!!

খলিলুৰ ৰহমান খুটাটোৰ আঁৰৰ পৰা ওলাই আহি ক্ৰছিঙটোত ভৰি দিওঁতে হঠাতে খেয়াল হ'ল তেওঁৰ নিচেই কাষতে অ'টো এখন আহি ৰৈ গৈছে। অট'ৰ ভিতৰৰ

পৰা বয়সীয়াল মানুহ এজনৰ চেপা কণ্ঠস্বৰ ভাঁহি আহিল — 'আহক।'

ৰহমান অ'টত বহাৰ লগে-লগে অ'টখনে পুনৰ গতি ল'লে।

'দেৰী হ'ল কিয় ? কথামতে আপুনি ক্ৰছিঙটোতে ৰৈ থাকিব লাগিছিল।'

'ৰৈ আছিলো।' ৰহমানৰ কাষতে বহি যোৱা বয়সীয়াল মানুহজনে ক'লে, 'কিন্তু হঠাতে ক্ৰছিঙটোৰে মাৰুতি কাৰ এখনেৰে আয়েচা আলী গৈ থকা দেখি আচৰিত হৈছিলো। তেতিয়াই গম পালো আপুনি তাইক মাৰিব নোৱাৰিলে বুলি। আমি অ'টখনৰে পিছ লৈছিলো। কিন্তু কিছুদূৰ গৈয়ে এছ. ডি. চি. অফিচটোৰ সন্মুখত ভিৰ এটাত আমি ফছি গ'লো। মাৰুতিখনক আৰু লগ ধৰিব নোৱাৰিলো। সেইকাৰণেই দেৰী হ'ল।'

ৰহমানে একো নুসুধিলে।

ৰহমানে ছিগাৰেট এটা জ্বলালে। দুই হোপা একে লগে মাৰি তেওঁ সুধিলে 'ক'লৈ গৈ আছো আমি ?'

'অলপ আগত মিউনিচিপালটিৰ অফিচ আছে। অফিচটোৰ কাষেৰে গলি এটাৰে আমি বৰলীয়া নদীৰ পাৰৰ ঘৰ এটালৈ যাম। নদীৰ পাৰে-পাৰে আমি নেচনেল হাইৱেলৈকে যাব পাৰিম, অৱশ্যে গাড়ী যোৱা ৰাস্তা নহয়। তথাপিও .......'

'ঠিক আছে।'

অ'টখন অন্ধকাৰ মিউনিচিপালটিৰ অফিচৰ কাষেৰে যোৱা ঠেক পথ এটাৰে গৈ এমূৰত থকা সৰু আছাম টাইপৰ ঘৰ এটাৰ সন্মুখত ৰৈ গ'ল। ৰহমান আৰু ইজন মানুহ ঘৰ এটালৈ সোমাই গ'ল। ৰহমানে ভিতৰৰ সৰু কোঠা এটাত থকা এজনীয়া বিছনাখনত শুই দিলে।

'লাইটটো জ্বলাই দিওঁনে ?'

'নালাগে।'

মানুহজন যাব ওলাল। ৰহমানে তেতিয়াই মাত লগালে 'আপোনাৰ নামটো নুশুধিলো।'

'প্ৰবোধ সাহা।' মানুহজনে ৰৈ উত্তৰ দিলে।

'বহক।' ৰহমানে ক'লে। প্ৰবোধ সাহা বহিল। ৰহমানে আকৌ এটা ছিগাৰেট জ্বলাই ল'লে। সাহাৰ পৰা আকৌ এবাৰ বৃতান্তটো শুনি ৰহমান চিন্তাত পৰিল। তেওঁ আয়েচা আলীক ক'লা জেকেট পিন্ধা যুৱক এজনৰ সৈতে চকা মকাকৈ দেখিছিল। ৰহমান নিঃশ্চিত হ'ল সেইজনেই আয়েচাৰ যোগসূত্ৰ। কিন্তু জেকেট পিন্ধিছিল কিয় যুৱকজনে ? ৰহমানে ভাবি

ওৰ নাপালে। ৰঙিয়াত মুঠেই শীত পৰা নাই। অৱশ্যে পাহাৰীয়া শীত প্ৰধান ঠাইৰ বাসিন্দা সকলে অভ্যাসবশতঃ শীতৰ কাপোৰ অনবৰতে পৰিধান কৰিয়ে থাকে। সেয়ে হ'লে.........

'মানুহজন শ্বিলং, দাৰ্জিলিং বা ......

'ভূটানৰ, নহয়নে?'

'ঠিক ধৰিছে আপুনি।'

'আয়েচা আলীৰ অৰ্গেনাইজেছনে শ্বিলঙৰ এছ খাৰখুংগাৰৰ পৰা ড্ৰাগ্‌ছ ক্ৰয় কৰে। মই খাৰখুংগাৰক জানো। তেওঁ বুঢ়া। কিন্তু শ্বিলঙলৈ যাব লগা হ'লে আয়েচা ফ্লাইটেৰে গুৱাহাটীলৈ গ'লহেঁতেন, তাৰপৰা শ্বিলঙলৈ যোৱা উজু। ট্ৰেইনেৰে ৰঙিয়ালৈ আয়োচা আলী গৈ থকা বুলি স্যান্যালে খবৰ দিওঁতেই মই গম পাইছিলো এইবাৰ আয়েচা আলীৰ লক্ষও অন্য কিবা। অন্ততঃ শ্বিলং নহয়।' এইবাৰ ছিগাৰেটটোৰ অৱশিষ্টখিনি পকা মজিয়ালৈ দলি মাৰি দি ৰহমানে ক'লে 'ইয়াৰ পৰা ভূটানলৈ যোৱা উজু পথটো কি?'

'দৰঙা হৈ ভূটানলৈ যাব পাৰি। প্ৰায় ডেড় ঘণ্টাৰ বাট।'

'তেতিয়া হ'লে তালৈ এতিয়াই মানুহ এজনক পঠিয়াই দিয়ক।'

সাহা উঠি ঠিয় হ'ল। সুধিলে 'আৰু আপুনি?'

'মই এতিয়া নাযাওঁ। ৰাস্তাত পুলিচৰ চেকিং বেছি হ'ব এতিয়া। অহা কালি মই যাম।'

প্ৰবোধ সাহা গ'লগৈ।

খলিলুৰ ৰহমানে এইবাৰ নিজেই ক্ষতস্থানডোখৰ ড্ৰেচিং কৰি ল'লে। আধা ঘণ্টা পিছত কাম শেষ হোৱাত পেণ্টৰ পকেটতো খেপিয়াই চাওঁতে খলিলুৰ ৰহমান শিয়ঁৰি উঠিল। তেওঁৰ পকেটত ৰিভলভাৰটো নাই!! খলিলুৰ ৰহমানৰ অন্তৰাত্মা শুকাই গ'ল। ষ্টেচনত দৌৰি আহোতে হয়তো কোনোবা এটা অসতৰ্ক মুহূৰ্তত ৰিভলভাৰটো পকেটৰ পৰা পৰি গ'ল। আৰু এতিয়া দুনাই ক'ত পাব আন এটা ৰিভলভাৰ? শিলিগুৰিলৈ খবৰ পঠিয়ালে হয়তো পোৱা যাব, কিন্তু অহাকালি ৰাতিপুৱা কি কৰিব ৰহমানে?

খলিলুৰ ৰহমান আকৌ বিছনাখনত শুই পৰিল।

দীঘলকৈ নিঃশ্বাস এটা এৰি দিলে তেওঁ।

এতিয়া পৰিকল্পনাটোৰেই সলনি কৰিব লাগিব। নতুনকৈ তৈয়াৰ কৰিব লাগিব। কিন্তু.....

৭

অনৰ্গলি কথা কৈ আছে ৰঙিয়া থানৰ অ. ছি. ইন্সপেক্টৰ হিতেশ মেধিয়ে। এছ. ডি. পি. অ' মৃগেন বৰাই অৱশ্যে তেওঁলৈ নোচোৱাকৈ অ. চি. ৰ টেবুলখনত কাগজ এখিলা পঢ়ি আছে। নিশা এঘাৰ বজাৰপৰা নিশা বাৰটা বজালৈ হৈ যোৱা ঘটনাটোৰ কথাই লিখা আছিল তাত। পঢ়ি যাওঁতে কাগজ খিলাত মাজে-মাজে তেওঁ আঁচ টানি গৈছে। প্ৰায় দুইমিনিটৰ ভিতৰত তেওঁৰ পঢ়া শেষ হ'ল। এইবাৰ ছিগাৰেট এটা জ্বলালে। হিতেশ মেধিয়ে কথা কোৱা বন্ধ কৰি বৰালৈ চাই ৰ'ল।

মৃগেন বৰাৰ বয়স ত্ৰিশ পাৰ হৈছে মাত্ৰ। বয়স তেওঁৰ কম। কিন্তু আজি এই ছমাহতে তেওঁ বহু অভিজ্ঞতা অৰ্জন কৰিছে। সেয়েহে তেওঁৰ ৰিপৰ্টটো দুবাৰমান পঢ়ি বুজি পালে এটা ডাঙৰ দুৰ্ঘটনা ঘটিব। আয়েচা আলী আৰু খলিলুৰ ৰহমান দুয়োজনেই একে অন্ধকাৰ পৃথিৱীৰ দুই বিপৰীত মেৰুৰ বাসিন্দা। যিকোনো মুহূৰ্ততে এজনে আনজনৰ ওপৰত জপিয়াই পৰিব। সেই মুহূৰ্ততো কেতিয়া পুনৰ আহিব কোনেও নাজানে। কিন্তু.......

'তেওঁলোকে ৰঙিয়াক কিয় বাৰু বাছি ল'লে যুদ্ধভূমি হিচাবে?'

'অইনে কি ভাবে মই নাজানো। পিছে মোৰ বোধেৰে কাৰণটো বুজিবলৈ সহজ। ৰঙিয়া হ'ল গুৱাহাটীৰ নিচেই ওচৰৰ অথচ পুলিচৰ সৰ্তকতা নাই বা কম। তদুপৰি ভূটানলৈকে সহজে যাব পাৰি।' মেধিয়ে ক'লে।

'তথাপিও লোকেল লিঙ্ক এই থাকিবই লাগিব। নহ'লে কলিকতা আৰু শিলিগুৰিৰ পৰা কাম চলোৱা উজু নহয়।' কথাষাৰ কৈ মৃগেন বৰা এপলক বৈ ছিগাৰেটটোত এটা শেষ হোপা দি এছট্ৰেত অৱশিষ্ট খিনি গুজি দি ক'লে — 'ধৰি ল'লো ক'লা জেকেট পিন্ধাজন আয়েচা আলীৰ লোকেল লিঙ্ক। তেতিয়া হ'লে খলিলুৰ ৰহমানৰ লোকেল লিঙ্ক কোন?'

মেধিয়ে কিবা এষাৰ ক'বলৈ ওলায়ো ঠিক তেতিয়াই কোঠাটোলৈ সোমাই অহা এ. এছ. আই জনলৈ চাই সুধিলে, 'কি হ'ল ঠাকুৰীয়া?'

'বাছ ষ্টেণ্ডৰ ওচৰত থকা পেট্ৰোল পাৰ্টিয়ে খবৰ দিছে অ'টোএখনত দুজন মানুহ ধৰা পৰিছে। লগতে দুটা ৰিভলভাৰ।'

মৃগেন বৰা বহাৰ উঠি থিয় হ'ল।

'ক'ত আছে মানুহদুজন?' তেওঁ সুধিলে।

'থানালৈ আনি আছে, চাৰ।'

'মেধি! আপুনি আগবাঢ়ি যাওঁক। মই গৈ আছো।' মৃগেন বৰাই কথাষাৰ কৈ আকৌ বহি ল'লে। হিতেশ মেধি যোৱাৰ লগে লগে চকুহাল মুদি দিলে তেওঁ। নিশা দহটাৰ পৰা এই চাৰিঘণ্টামান তেওঁলোকে অকল মৰিচীকাৰ পিছে পিছে অহৰহ দৌৰি আছিল। এতিয়া এনে ভাব উপজিল বৰাৰ। প্ৰথমবাৰৰ বাবে তেওঁ পোহৰৰ ৰেঙনি এটা দেখা পাইছে। কিন্তু......

অৱশেষত এই অকনমান পোহৰৰ ৰেঙনিও যে মৰুভূমিৰ মৰিচীকা হ'বগৈ সি মৃগেন বৰাৰ সপোনৰো অগোচৰ আছিল। প্ৰায় এঘণ্টাৰ মূৰকতো যেতিয়া অ'টো চালকজনৰ মুখৰ পৰা এটাও কথা বাহিৰ নহ'ল তেতিয়াই মৃগেন বৰাই বুজি পালে তেওঁ এতিয়া অন্য পথ ল'ব লাগিব।

অৱশ্যে এটাই সান্ত্বনা।

অ'টখন দৰঙালৈ যোৱাৰ কথা আছিল।

তেন্তে?

মৃগেন বৰা হঠাতে বহাৰপৰা উঠি থিয় হ'ল। লগে লগে মেধিয়েও কাষলৈ আহিল। মৃগেন বৰাই ক'লে 'মেধি। হেভি পাৰ্টি এটা সাজু কৰক। আমি এতিয়া দৰঙালৈ যাম।'

৮

'সৌৰভ।'

'হু।'

'এই সৌৰভ। উঠা।' আয়েচাই সৌৰভৰ গাতো জোকাৰি দিলে।

সৌৰভে সাৰ পায়েই হাত ঘড়ীতো চালে। আয়েচাই পিছে ততালিকে মাত লগালে 'ৰাতিপুৱা সাত বাজিছে এতিয়া।'

'তেতিয়া হ'লে হাতত আমাৰ এতিয়াও প্ৰচুৰ সময় আছে।'

'মুঠেই প্ৰচুৰ নহয়। মাত্ৰ তিনি ঘণ্টা।'

'তিনি ঘণ্টাই যথেষ্ট।' কথাষাৰ কৈয়ে আয়েচাক আকোৱালি ল'ব খোজোতেই কোঠাটোৰ বন্ধ দৰ্জাখনত টোকৰ পৰিল। সৌৰভ ততালিকে মাত লগালে 'কোন?'

'মই, বাহাদুৰ।' বন্ধ দৰ্জাখনৰ সিপাৰৰ পৰা ভাঁহি আহিল।

সৌৰভে উঠি গৈ দৰ্জাখন খুলি দিলে। বাহাদুৰক দেখিয়েই সৌৰভে মাত

লগালে 'কি হ'ল বাহাদুৰ?'

'প্ৰবোধ সাহা পুলিচৰ হাতত ধৰা পৰিল।'

'কোন প্ৰবোধ সাহা?'

'মই জানো।' আয়েচাই বিছনাৰ পৰা নামি আহি ক'লে 'কিশোৰ স্যান্যালৰ লোকেল এজেন্ট।'

'কিন্তু খলিলুৰ ৰহমানৰ খবৰ কি?'

'তেওঁৰ একো খবৰ নাই। কিন্তু দৰঙালৈ পুলিচৰ পাৰ্টি এটা গৈছে বোলে।' বাহাদুৰে ক'লে।

'দৰঙালৈ?' আয়েচাই কথাষাৰ সুধি সৌৰভলৈ চালে।

সৌৰভো চিন্তাত পৰিল। কি কৰিব এতিয়া সি? আনহাতেদি শ্বিলঙৰ পৰা সহায় বিচৰাৰ আশাও মিছা। সি যেনে তেনে আয়েচাক দৰঙা হৈ থিম্ফুলৈ লৈ যাব লাগে। দৰঙা আৰু থিম্ফুৰ লোকেল কন্‌ট্ৰেকো সিয়ে ঠিক কৰি থৈ আহিব লাগিব। কিন্তু দৰঙাহৈ থিম্ফুলৈ নিৰাপদে যাব পৰা যাব জানো?

'কি চিন্তা কৰিছা?'

'নাই কৰা।' সৌৰভে মিছা মাতিলে।

'মিছা নামাতিবা। মই জানো তুমি চিন্তা কৰিছা। কিন্তু মনলৈ এতিয়া কোনো দুঃশ্চিন্তা নানিবা। এ. এছ. টি. চি.ৰ বাছত বোলে পুলিচৰ চেকিং নহয়। তুমিয়েইতো কৈছিলা। গতিকে কিহৰ চিন্তা কৰিছা তুমি!! চাবা, আমি নিৰাপদে দৰঙালৈ যাব পাৰিম।'

'আৰু দৰঙাৰ পৰা?'

'সেইয়া চিন্তা কৰি চাবলৈ এতিয়াও হাতত বহু সময় আছে।'

'তাৰমানে........' সৌৰভে কথাষাৰ কৈ আয়েচাৰ চকুলৈ চায়ে পলকতে ইংগিততো বুজি পালে। বাহাদুৰৰ মুখৰ আগতেই দৰ্জাখন সশব্দে বন্ধ কৰি দি সৌৰভে ক'লে 'অৱশ্যে হয়। হাতত আমাৰ প্ৰচুৰ সময় আছে। আৰু সেইবাবেই...........'

৯

বাছখন ঠিক দহ বজাৰ লগে লগেই ৰঙিয়া বাছ ষ্টেচন পাইছিল। বাহাদুৰে ইতিমধ্যে দুটা টিকেট কাটি থৈছিলেই, কিন্তু চিটৰ নম্বৰ নাছিল। সৌৰভ আৰু আয়েচাই অৱশ্যে একে লগে থকা দুটা খালী চিটেই পালে। আয়েচাক এতিয়া চিনিবৰ উপায় নাই।

মেক আপে আয়েচাক প্ৰায় ৪০/৫০ বছৰীয়া আদহীয়া কৰি তুলিছে। তদুপৰি চুলিৰ উইগতোৱে আয়েচাৰ মুখখনৰ অৱয়বটোকেই যেন সম্পূৰ্ণ এক ভিন্ন ব্যক্তিত্ব প্ৰদান কৰিছে। আনকি সৌৰভো প্ৰথম দৰ্শনতে চক খাই উঠিছিল। কোনজনী আয়েচা আচল, এতিয়াৰ নে আগৰ ষোড়শী চঞ্চলা ধুনীয়া আয়েচাজনী?

'আৰু কিমান সময় ৰ'ব বাছখন?' আয়েচাই খিৰিকীৰে কাষৰ চিটটোত বহি লৈ সুধিলে।

'দহ মিনিট।'

আয়েচাৰ বাবে প্ৰতিটো মিনিটেই এতিয়া মূল্যবান। আয়েচাৰ সতৰ্ক দৃষ্টিয়ে বাছখনৰ গোটেইকেজন যাত্ৰীৰ মুখ চুই গৈছে। প্ৰথমবাৰ আয়েচাৰ চকুত একো অস্বাভাৱিকতা ধৰা নপৰিল , দ্বিতীয়বাৰো। বাছখনেও ইতিমধ্যে গতি লৈছিল। আৰু শেষবাৰৰ বাবে আকৌ গোটেইকেইজন যাত্ৰীক চকু ফুৰাওতেই আয়েচা উচপ খাই উঠিল।

হে ভগবান , সন্মুখৰ শাৰীৰ ড্ৰাইভাৰৰ ঠিক পিছৰ চিটটোৰ খিৰিকীখনৰ কাষত কোন সেইজন!! খলিলুৰ ৰহমান নহয়নে.... যদি হয়.......

'সন্মুখৰ শাৰীৰ খিৰিকীৰ কাষত বহি থকাজনক চোৱাছোন।' আয়েচাই সৌৰভৰ কানৰ কাষত ফুচফুচাই ক'লে। সৌৰভৰ দৃষ্টি পিছে আগতেই স্থিৰ হৈ ৰৈ আছিল মানুহজনৰ ওপৰত। মানুহজনৰ মুৰৰ পিছফালটোহে পোনে-পোনে চকুত পৰে। অৱশ্যে এবাৰ মুখখনৰ একাংশ চকুত পৰিছিল সৌৰভৰ। তেতিয়াই সি সচকিত হৈছিল। কিন্তু আয়েচাৰ কথাষাৰে সৌৰভৰ সন্দেহ দৃঢ় কৰি আনিলে।

'খলিলুৰ ৰহমান। মই চিনি পাইছো।' আয়েচাই অস্পষ্ট কণ্ঠেৰে ক'লে।

বাছখনৰ গতি ইতিমধ্যে দ্ৰুত হৈছে। এই মুহূৰ্তত বাছখন ৰখাই নামি গ'লেই খলিলুৰ ৰহমানৰ দৃষ্টিত ধৰা পৰি যাব লাগিব। ইয়াৰ ফলাফলো হ'ব ৰক্তপাত। আনহাতেদি এই দুঘণ্টাৰ বাট এজন দুধৰ্ষ আততায়ী , যিজনৰ লক্ষ্য অকল সৌৰভ আৰু আয়েচাৰ ৰক্তাক্ত মৃতদেহ , তেওঁৰ লগত যোৱাটো আৰু বেছি ভয়াবহ হ'ব।

'কি কৰিবা?'

'ভাবিছো।' সৌৰভৰ চুটী উত্তৰ।

'সোনকালে ঠিক কৰা কি কৰিবা। এবাৰ পিছফালে মূৰ ঘূৰালেই সি মোক দেখা পাব। আনে চিনিব নোৱাৰিলেও ৰহমানে মোক চিনি পাবই।'

আয়েচাই কথাষাৰ কৈয়ে মূৰটো বাচৰ খিৰিকীখনেৰে বাহিৰলৈ চাই ৰ'ল।

জানোচা সন্মুখলৈ চাই গ'লে কোনোবা এপাকত খলিলুৰ ৰহমানৰ চকুত পৰি যায়েই.....!! সৌৰভৰ দৃষ্টি কিন্তু পোন। সি সমুখলৈ চাই ৰ'ল। সৌৰভে জানে আয়েচাৰ ভেনেটী বেগটোৰ ভিতৰত এটা লডেড ৰিভলভাৰ আছে। সেইটোৱেই আত্মৰক্ষাৰ একমাত্ৰ অস্ত্ৰ। কিন্তু খলিলুৰ ৰহমানৰ হাতত নিঃশ্চয় আছে আৰু অধিক মৰাণাস্ত্ৰ। গতিকে সন্মুখ সমৰৰ ফলাফল হ'ব ৰক্তাক্ত মৃত্যু। তেন্তে?

বাছখনে পাক এটা ঘুৰিলে। ব্যস্ত জনপথ। বাছৰ গতি যথেষ্ট মৃদু। এই গতিত বাছখনৰপৰা অনায়েসে নামি যাব পৰা যাব। বাছখনৰ বন্ধ হৈ থকা দৰ্জাখনৰ কাষৰ ৰেলিং দুটাত আউজি ঠিয় দি আছে বাছৰ কণ্ডাক্টৰজন। গতিকে এইমুহূৰ্তত বাছখনৰ পৰা নামিব খুজিলে কণ্ডাক্টৰে প্ৰশ্ন সুধিব। আৰু তেতিয়াই খলিলুৰ ৰহমানৰ দৃষ্টি আকৰ্ষণ হ'ব। এই ঠেক বাটটোত দুজন ব্যক্তি এপলকৰ ভিতৰত লুকাই পৰাৰ সুবিধাও নোলাব।

সৌৰভৰ চকুত পৰিছে আঁতৰত আৰু এটা কেকুঁৰি।

হঠাতে সৌৰভৰ খেয়াল হ'ল সেইখিনিতেই পাবলিক বাছ ষ্টেণ্ডটো থকাৰ কথা, বাহাদুৰে কোৱা মতে। এই সময়ত কম পক্ষেও ৩০/৪০ খন বাছ তাত নিঃশ্চয় থাকিব, যাত্ৰীও হয়তো ৪০০/৫০০ মান থাকিব পাৰে। এই সময়ত এটা বিশৃংখল জন সমাগমৰ আৱশ্যক। আৰু সেই জন সমাগম পোৱা যাব আৰু মাত্ৰ এক মিনিটৰ ভিতৰত।

'আয়েচা!'

'কি!' আয়েচাই মূৰটো কিছু পোন কৰি সুধিলে।

'আৰু একমিনিটৰ পিছতে বাছখনে টাৰ্ণিং ল'ব। তাতে পাবলিক বাছ ষ্টেচনটো আছে। এখন্তেক ৰ'ব বাছখন। আমি দুয়ো কিছু অগা-পিচাকৈ বাছৰপৰা নামিম। তুমি আগেয়ে, মই কিছু পিছত। মনত থাকিবনে?'

'থাকিব। কিন্তু তাৰ পিছত?'

'নামিয়েই তুমি ক'লৈকো নোচোৱাকৈ অ'ট এখনেৰে বা অ'ট নাপালে ৰিক্সা এখনেৰে ৰেলৰে ষ্টেচনলৈ যাবা।'

'আৰু তুমি?'

'মই অইন এখনেৰে যাম।'

'আৰু খলিলুৰ ৰহমান?'

'ৰহমানে যাতে একো কৰিব নোৱাৰে তাৰ বাবে তুমি বেগৰপৰা ৰিভলভাৰটো উলিয়াই মোৰ পেণ্টৰ পকেটত সুমুৱাই দিয়া; চাবা, যাতে কোনেও গম নাপায়।'

আয়েচাই তাকেই কৰিলে।

আয়েচাৰ উশাহ-নিশাহ কিছু অস্থিৰ হ'ল।

এতিয়া মাথো অপেক্ষাৰ সময়।

'টাৰ্ণিঙটো পামহি এতিয়া।'

'দেখিছো।' আয়েচাৰ চুটী উত্তৰ।

বাছখনৰ গতি আৰু কমিল। গিয়েৰ সলাওঁতে যান্ত্রিক শব্দ এটা হ'ল। সৌৰভে দেখিলে বাছখনে অত্যন্ত ধীৰ গতিৰে টাৰ্ণিং লৈছে। আয়েচাৰ চকুত পৰিল আঁতৰত অ'ট দুখনমান ৰৈ থকাৰ দৃশ্য। সৌৰভে ঠিক সেই মুহূৰ্ততে আয়েচাৰ গাত চিকুটি দিলে। কণ্ডাক্টৰজনে বাছৰ চিলিঙত থকা ৰছীডাল টানি দিছিল। সৌৰভে গম পালে আঁতৰত ৰৈ থকা যাত্ৰী কেইজনক উঠাবলৈ বাছখন এতিয়াই ৰ'ব। সৌৰভৰ মুখলৈ কিছু পানী আহিল।

আয়েচাই অৱলীলা ক্ৰমে বহাৰ পৰা উঠি বাছৰ দৰ্জাখনলৈ বুলি খোজ ল'লে। বাছখন গতি লৈ থকা কাৰণে আয়েচাৰ গতিও বেছ মন্থৰ হৈছিল।

বাছখন ৰৈ যোৱাৰ কিছু আগতেই কণ্ডাক্টৰজনে দৰ্জাখন মেলি দিছিল। আয়েচাই অতি ক্ষীপ্ৰতাৰে কণ্ডাক্টৰজনৰ গাৰ কাষেৰে নামি গ'ল। সেই সময়তে বাছত যাত্ৰীকেইজন উঠিবলৈ ঠেলা হেঁচা লগাইছিল ; কণ্ডাক্টৰজনে আয়েচাক কিবা সুধিব খুজিছিল ; কিন্তু একো সুধিব নোৱাৰিলে। দুজন যাত্ৰীও চিঞৰ বাখৰ কৰি উঠোতে যিটো বিশৃংখল পৰিস্থিতিৰ সৃষ্টি হ'ল সেই সুবৰ্ণ সুযোগটোৱে আয়েচাক প্ৰচুৰ সুবিধা দিলে। কিন্তু সৌৰভ নামিব খোজা মুহূৰ্ততে কণ্ডাক্টৰজনে প্ৰায় চিঞৰিয়ে কৈ উঠিলে 'ক'লৈ নামি যায় আপুনি? বাছখন এইমাত্ৰ যাব। আনপিনে লেডী এগৰাকীও এইমাত্ৰ নামি গৈছে। তেৱোঁ.....'

ঠিক সেই মুহূৰ্ততে খলিলুৰ ৰহমানে পিছলৈ ঘূৰি চাইছিল।

খলিলুৰ ৰহমানে পলকতে বুজি পালে, চৰাই ডেউকা মেলি উৰিবলৈ উপক্ৰম কৰিছে। সৌৰভে বাছৰ চিৰিৰে নামি ৰাস্তাত ভৰি দিওঁতেই খলিলুৰ ৰহমান বহাৰ পৰা উঠিছিল। পিছৰ মুহূৰ্ততে বাছৰ চিৰিৰ শেষ ধাপটোত ভৰি দিছিল ৰহমানে। কিন্তু এখন ভৰি ৰাস্তাত দিওঁতেই খলিলুৰ ৰহমানৰ সৰ্বাংগ শিয়ৰি উঠিছিল। মাত্ৰ বিশ ফুটমান আঁতৰত পুলিচ অফিচাৰ এজন আহি ঠিয় হৈছে। খলিলুৰ ৰহমানে অভ্যাসবশতঃ পেণ্টৰ পকেটত হাত ভৰাইছিল। সৌৰভে তেতিয়াই অনুমান কৰি পেলালে খলিলুৰ ৰহমান আক্ৰমণৰ বাবে প্ৰস্তুত হৈছে।

কিন্তু....

সি এতিয়া কি কৰিব!!

সৌৰভে পিছে ভাবিবলৈ এৰি দিলে।

বিদ্যুৎ গতিৰে ৰিভলভাৰটো পেন্টৰ পকেটৰ পৰা উলিয়াই লৈয়ে খলিলুৰ ৰহমানলৈ বুলি লক্ষ্য স্থিৰ কৰি লৈছিলে সৌৰভে। মাত্ৰ এটা পলকৰ ভিতৰতে খলিলুৰ ৰহমান ঢলি পৰিছিল বাছখনৰ চিৰিত থকা ৰেলিং দুটাৰ লোহা এডালত ধৰি। কিন্তু....

সৌৰভেও ভুল কৰিলে।

মাত্ৰ এটা মুহূৰ্ত অথলে নিলে সৌৰভে।

মাত্ৰ এটা ক্ষুদ্ৰ মুহূৰ্তৰ বাবে সৌৰভৰ দৃষ্টি ৰহমানৰ ৰক্তাক্ত বুকুখনত স্থিৰ হৈ ৰৈ গৈছিল। তাৰ পিছতেই ঘূৰি গৈ দৌৰিব উপক্ৰম কৰোতেই ঘটি গ'ল কাণ্ডটো। প্ৰথমে তীব্ৰ হুইচেল, পিছত এযাৰ বুট জোতাৰ শব্দৰ লহৰ আৰু বাছখনৰ যাত্ৰীৰ অবিৰাম আৰ্তনাদৰ মাজতে সৌৰভৰো লগে লগে খেয়াল হ'ল তাৰ পিঠিখনত যেন উত্তপ্ত কিন্তু ধাৰাল জোঙ এটা আহি তাৰ সমস্ত শৰীৰটোকেই ৰক্তাপ্লুত কৰি থাওকতে অসাৰ কৰি আনিছে। সৌৰভে যন্ত্ৰণাত চিঞৰিব ওলাইছিল। কিন্তু এষাৰিও মাত নুফুটিল মুখৰ পৰা। ঠাইতে সৌৰভো ঢলি পৰিল।

কিন্তু....

আয়েচা পিছে ভাৱলেশহীন চাৱনি এটা লৈ নিৰুদ্বেগ চিত্তেৰে ইতিমধ্যেই অ'ট এখনত বহি লৈছিল। বুকুৰ সমস্ত ঢপ্‌ঢপনি ঢাকি তাই এইবাৰ দীঘলকৈ উশাহ ল'লে। অ'ট চালকজনে অ'টখন ষ্টাৰ্ট কৰি সুধিলে 'সোনকালে কওঁক বাইদেউ ক'লৈ যাব? দেখিছেই নহয়, ফায়াৰিং হৈছে, যিকোনো মুহূৰ্ততে......'

'ৰেল ষ্টেচন।' আয়েচাই ক'লে।

আয়েচাই কথাষাৰ কৈ মুখখন ঘূৰাই পুনৰ ক'লে, 'জলদি। সোনকালে।' ●

# বিস্ফোৰণ

ক্ষীণকায় আদহীয়া মানুহজনে খপি খুপি চিৰি বগাই নামি আহি হোটেলখনৰ কণমানি লাউঞ্জত ভৰি দিলে।

জনশূণ্য লাউঞ্জ।

নিশা এঘাৰটা বজাত এনেকুৱা এখন হোটেলত কোনোবা থকাটোহে আচৰিত হ'লহেঁতেন।

মানুহজনে যথেষ্ট সাৱধানতাৰে ৰিছেপচন কাউন্টাৰলৈ আগবাঢ়িল। কাউন্টাৰত কোনো নাই যদিও তেওঁ যথেষ্ট সতৰ্কতাৰে টেলিফ'নৰ ৰিছিভাৰটো তুলি লৈ চাৰিওফালে এবাৰ চকু ফুৰালে। ডায়েল ঘূৰাওঁতে তেওঁৰ হাতখন কঁপিছিল। মাজে মাজে চাৰিওফালে চাই আছে; এক অনামী সংশয়ে তেওঁক যেন কাহিল কৰি পেলাইছে।

অৱশেষত মাতটো অত্যন্ত কম্পিত স্বৰেৰে ওলাল, 'এইটো কালাপাহাৰ পুলিচ আউটপষ্ট নেকি?'

১

পৰিবেশটো নীৰৱ, থমথমীয়া। নিশা এঘাৰটা বাজিছে এতিয়া। গুৱাহাটীৰ উপকণ্ঠ বুলিয়েই কালাপাহাৰখন শান্ত হৈ পৰিছে এতিয়া। তেনে স্থলত কালাপাহাৰ আৰক্ষী চকী মুখৰিত হৈ থকাৰ প্ৰশ্নই নুঠে। অৱশ্যে ভি. এইচ. এফ চেটটো সৰৱ হৈ থাকিলে ব্যতিক্ৰম হলহেঁতেন। কিন্তু সেইটোও গধূলি হঠাতে অকামিলা হৈ পৰিল। একমাত্ৰ এ. এচ. আই হৰেন পাঠক গৈছে কাহিলীপাৰাৰ আসাম পুলিচ ৰেডিঅ' অৰ্গেনাইজেছনৰ কাৰ্য্যালয়লৈ, লগত ভি. এইচ. এফৰ চেটটোও লৈ গৈছে।

থানাত এতিয়া অকল অ. চি. এছ. আই আদিত্য ফুকন আৰু তিনিজন চিপাহী। ফুকনে ৰেইডত ধৰি অনা হুইস্কীৰ বটল এটা খুলি লৈছে। অকলে অকলে তেওঁ গিলাচৰ পানীয়ত চুমুক দি আছে।

এনেকুৱা নীৰৱতা তেওঁৰ অসহ্য লাগে।

আৰক্ষী চকীখনো নতুনকৈ পতা। ঘৰ নাই বাবে পাহাৰীয়া ঢাল এটাত অকলশৰীয়াকৈ থকা পুৰণা ঘৰ এটাতে চকীখন পতা হৈছে। ঘৰটোৰ ঠিক তলেদি পাহাৰীয়া জুৰি এখন বৈ গৈছে, আঁতৰত ভৰলুত পৰিছে।

ফুকনে গিলাচটো চালে।

শেষ হৈ আহিছে পানীয়খিনি।

ঠিক তেনেতেই টেবুলখনত থকা টেলিফ'নটো বাজি উঠিল। ফুকনে কিছু অলসভাৱে ৰিচিভাৰটো ডাঙি ল'লে। লগে লগে সিফাঁলৰ পৰা পুৰুষ কণ্ঠ এটাৰ কম্পিত স্বৰ তেওঁৰ কাণত পৰিল, 'এইটো কালাপাহাৰ পুলিচ আউট পষ্ট নেকি?'

'হয়।'

'মই আপোনাক এটা গোপন খবৰ দিব বিচাৰো।' সিফাঁলৰ পৰা কম্পিত স্বৰেৰে মাত দিলে কোনোবাই।

'কওঁক।' ফুকন নিৰ্বিকাৰ। এনেকুৱা ধৰণৰ টেলিফোন তেওঁ দিনৌ শতাধিক পায়।

'খবৰটো সাংঘাটিক। মাৰাত্মক।'

'বুজিছো। আপোনাৰ পৰিচয়টো?'

'মই.......? নামটো নকওঁ......'

'নামটো নক'লেও উচ্চাৰণত আপোনাক বঙালী যেন লাগিছে।'

'হ'ব পাৰে।' সিঁফালৰ পৰা এইবাৰ অত্যন্ত অনুচ্চ কণ্ঠেৰে ভাঁহি আহিল 'মোক এজন ইনফৰমাৰ বুলি ধৰি ল'ব। ক'ৰ পৰা কৈছো নকওঁ। মাথো জানি থ'ব আজি বাৰটা বজাৰ লগে লগে আজাদ নগৰত বোমা বিস্ফোৰণ এটা হ'ব। বজাৰখনত। নতুবা বস্তিত।'

'কিন্তু........ আপুনি..........'

টেলিফ'নটোৰ সংযোগ তেতিয়াই বিছিন্ন হৈ গ'ল। ফুকন বিমোৰত পৰিল। অইন ঠাইৰ কথা হলেও সুকীয়া হ'লহেঁতেন। কিন্তু আজাদ নগৰৰ প্ৰশ্নই সকলো জটিল কৰি তুলিলে। এসত্তৰৰ ৰিফিউজীৰে ঠাই খাই আছে ঠাইখন।

'পেগু!'

'য়েচ চাৰ।' হাবিলদাৰ ৰমেশ পেগু হাজিৰ হ'ল।

'বলেন বড়ো আৰু প্ৰফুল্ল কলিতা দুয়োটাকে ইউনিফৰ্ম পিন্ধি মোৰ ওচৰত হাজিৰ হ'বলৈ ক'ব লাগে। এতিয়াই।'

'হ'ব চাৰ।'

পেগুয়ে চালাম এটা দি ওলাই গ'ল, কিন্তু এমিনিটমান পিছতে উধাতু খাই

দৌৰি সোমাই অহা দেখি ফুকনে ভেঁকাহি মাৰি শুধিলে, 'কি হ'ল আকৌ?'

'টেলিফোনৰ খুটাটোৰ পৰা মানুহ এটা নামি তললৈ দৌৰি যোৱা দেখিলো।'

'কি?'

ফুকন দৌৰি বাহিৰ পালেহি। পেগুৱে ইতিমধ্যে হুইচেল বজাইছিল। ফুকনে টৰ্চটোৰ পোহৰত দেখিলে টেলিফোনৰ খুটাটোৰ সংযোগী তাঁৰ ডাল গুৰিতে কটা গৈছে।

পেগু ইতিমধ্যে তলৰ জানটোলৈ দৌৰি গৈছিল। পিছে পিছে কনিষ্টবল প্ৰফুল্ল কলিতা। ফুকনে অন্ধকাৰ তললৈ চাই হলষ্টাৰত থকা ৰিভলভাৰটো খেপিয়াই চালে, আছে মাৰণাস্ত্ৰটো।

২

থানাৰ লকআপত কাৰাৰুদ্ধ হৈ থকাৰ অভিজ্ঞতা যোগিন্দৰ সিঙৰ আগতেও হৈছিল। সেই কাৰণে ম'হ আৰু উৰহৰ কামোৰৰ প্ৰকোপেও যেগিন্দৰৰ টোপনিত ব্যাঘাত ঘটাব পৰা নাছিল। কিন্তু হঠাতে হুইচেলৰ অহৰহ ধ্বনিয়ে যোগিন্দৰৰ টোপনি ভাঙি দিলে। কিছুসময়ৰ পিছতে লক আপৰ লোহাৰ দুৱাৰখন খুলি অ. চি. আদিত্য ফুকন সোমাই অহা দেখি যোগিন্দৰ দুঃশ্চিন্তাত পৰিল।

'চাৰ........' যোগিন্দৰ খপজপাই উঠি থিয় হ'ল।

'তই আজাদ নগৰত থাক নহয়?'

'অ।'

'তহঁতৰ বস্তিত কোনোবাই বোমা দিব ওলাইছে।'

যোগিন্দৰে উচপ খালে। সি চুলাই মদৰ জগতখনহে চিনি পায়। সেই জগতত বোমাৰ আতংক নাই। এতিয়া ফুকনৰ কথাই সেয়েহে তাক কিছু সিয়ঁৰাই তুলিলে।

'শুন।' অ. চি. ফুকনে ক'লে, 'মোৰ থানাত চিপাহী মাত্ৰ তিনিজন আছে। টেলিফ'নৰ লাইনো কোনোবাই এইমাত্ৰ কাটি দি গৈছে। গতিকে তোক মই বিশ্বাস কৰি এৰি দিম। কিন্তু তই মোক সহায় কৰিব লাগিব। মঞ্জুৰ?'

'মঞ্জুৰ।'

'ব'ল এতিয়া।'

ফুকন লক আপ ৰূমৰ পৰা ওলাই আহিল। থানাৰ দৰ্জাৰ মুখতে কনিষ্টবল বলেন বড়োক দেখি ফুকনে ক'লে, 'তই ইয়াতে থাকিবি। পেগুহঁত আহিলে ভৰলুমুখ থানা বা ফটাশিল আমবাৰী থানাৰ পৰা ফৰ্চ আনি আজাদ নগৰলৈ আহিবলৈ কবি।'

ফুকনে পলম নকৰি আন্ধাৰৰ মাজে-মাজে যোগিন্দৰৰ সৈতে তললৈ নামি গ'ল। দুয়ো জানটোৰ পাৰে পাৰে নামি গৈছিল। সেইখিনিৰ পৰা আজাদ নগৰ বস্তিলৈ এমাইলমান দূৰ হ'ব। ফুকনে ঘড়ীটোলৈ চাই চাই খৰকৈ খোজ দিছিল। মানুহটো যথেষ্ট উত্তেজিত হৈ পৰিছিল। দূৰৈত বিজুলী চাকিৰ পোহৰ দেখি যোগিন্দৰে মাত লগালে, 'আজাদ নগৰ পালোহি।'

'বজাৰখনলৈ ব'ল।'

বজাৰখন অন্ধকাৰত আচ্ছন্ন হৈ নিঃসাৰ হৈ পৰি আছে। ফুকনে চাৰিওফালে চালে, কোনো নাই।

'ছাৰ।'

'কি?'

'ফটাশিলৰ ফালৰ পৰা মটৰ চাইকেল এখন আহি আছে যেন লাগিছে।'

ফুকনে দূৰৈৰ অন্ধকাৰাচ্ছন্ন পথটোলৈ চাই ক'লে 'অ।'

ফুকনে চাৰিওফালে চাই ওচৰতে পাণ-তামোলৰ সৰু গুমটি ঘৰ এটা দেখি যোগিন্দৰক আহিবলৈ ইংগিত দি নিজেও আঁৰত লুকাল। মটৰ চাইকেলৰ শব্দ তেওঁৰ কাণত পৰিছে; অস্পষ্টকৈ দেখাও পাইছে য়ামাহা মটৰ চাইকেল এখনত দুজন আৰোহী আহি থকা। এটা সময়ত মটৰ চাইকেলখন আহি গুমটি ঘৰটোৰ আঁতৰত ৰৈ গ'ল। এজন আৰোহী খৰখেদাকৈ নামিল মটৰ চাইকেলৰ পৰা। চালকজনে ক'লে 'খৰখেদা কৰিবি। মই বজাৰৰ সিটো মূৰত থাকিম। সেনগুপ্তাকো তাত পাবি।'

মটৰ চাইকেলখন তাৰপিছত আঁতৰি গ'ল।

ফুকনৰ চকুত পৰিল মটৰ চাইকেলখনৰ পৰা নমা মানুহজনে কান্ধৰ পৰা বেগ এটা নমাই তাৰ পৰা কিছু গধুৰ টোপোলা এটা উলিয়াই লৈছে।

'টাইম ব'ম্ব।' যোগিন্দৰে ফুচফুচাই ক'লে।

'অ।' সৰুকৈ সঁহাৰি এটা দি ফুকনে ক'লে 'পিছফালৰ পৰা তাক জপটিয়াই ধৰ।'

যোগিন্দৰে মেকুৰী খোজেৰে গৈ পিছফালৰ পৰা মানুহটোক গবা মাৰি ধৰিলে। কিন্তু কোন পলকতে যোগিন্দৰৰ বজ্ৰকঠিন হাতৰ মুঠিৰ মাজত মানুহটোৰ সুকোমল ডিঙিটো সোমাই গৈ কিছুসময় চটফটাই থাকি অৱশেষত নিঃশ্চল হৈ গ'ল সি ধৰিব নোৱাৰিলে।

'মৰি থাকিল।' যোগিন্দৰে অৱশেষত ক'লে।

'কি?'

ফুকনে হালি গৈ মানুহটোৰ অসাৰ দেহটো চালে। তাৰ পিছত তেওঁ বেছ নিৰ্লিপ্ততাৰে হুমুনিয়াহ এটা পেলাই ক'লে 'বেগটোত চাছোন কি আছে।'

'চাৰিটা টাইম বম্ব।' বেগটো খেপিয়াই চাই যোগিন্দৰে ক'লে।

'মানুহটোক দেখিছিলি কেতিয়াবা?'

'ওঁহো।'

ফুকনে যোগিন্দৰৰ হতুৱাই মানুহটোৰ মৃতদেহটো গুমটিখনৰ তললৈ টানি অনালে। বম্ব কেইটাৰ ফিউজ কেইটা একৰাই এইবাৰ আকৌ বজাৰৰ মাজৰ জনশূন্য পথটোৰে অগ্ৰসৰ হ'ল। দুশমিটাৰ মান গৈয়ে ফুকনৰ চকুত পৰিল আঁতৰত ৰৈ থকা মটৰ চাইকেলখন। কিন্তু পিছু মুহূৰ্ত্ততে মটৰ চাইকেলখনৰ উল্কাবেগে আঁতৰি যোৱা দেখি ফুকন হতাশ হ'ল।

'ক'লৈ গৈছে ৰাষ্টাটো?' সুধিলে তেওঁ।

'১নং বস্তিলৈ। বস্তিৰ মাজেৰে গৈ নন্দিনী হোটেলৰ সন্মুখত মেইন ৰ'ড চুইছে।'

'নন্দিনী হোটেল।' ফুকনে অনুচ্চ কণ্ঠেৰে নামটো পুনৰাই উচ্চাৰণ কৰিলে।

৩

সৰু কোঠাটোত জ্বলি থকা নিচেই কম শক্তিৰ বাল্বটোৰ পোহৰে কোঠাটোত নীৰৱে বহি থকা ত্ৰিশৰ দেওনা গৰকা মহিলা গৰাকী আৰু প্ৰায় সমান বয়সৰ এজন যুৱক আৰু ক্ষীণকায় আদহীয়া পুৰুষজনৰ মুখ কেইখন উজ্জ্বলাই ৰাখিব পৰা নাই। মহিলা গৰাকীয়ে তলমূৰকৈ কিবা ভাবি আছে, পুৰুষ দুজনৰ দুচকুৰ দৃষ্টি তেওঁতে স্থিৰ হৈ ৰৈ আছে। হঠাতে মহিলা গৰাকীয়ে মূৰ তুলি যুৱকজনলৈ চাই শুধিলে 'কেইটা বাজিছে এতিয়া মুখাৰ্জী?'

'বাৰটা বাজিবলৈ বিশমিনিট আছে।'

'হামিদ আৰু আব্দুল আজাদ নগৰ পালে হবলা।'

'কেতিয়াবাই পালে।' মুখাৰ্জীয়ে ক'লে, 'সেনগুপ্তাই থানাৰ টেলিফোনৰ তাঁৰ চিঙি বজাৰৰ মূৰত ৰৈ থাকিব। আব্দুলক বজাৰৰ মূৰত থকা সৰু গুমটিখনত বম্ব ফিট কৰিব দি হামিদে মটৰ চাইকেলেৰে বজাৰৰ আনটো মূৰত এতিয়া ৰৈ থাকিব। ইতিমধ্যে সেনগুপ্তাই বস্তিত আৰু স্কুলঘৰত বম্বকেইটা থৈ আহিব! তিনিও আৰু দহমিনিটৰ ভিতৰতে আমি ৰাতি পুৱা চাই অহা ঠাইতে লগ হ'ব। তাৰপিছতে সিহঁতে বম্বকেইটাৰ ধ্বংসলীলা চাইয়ে হোটেললৈ আহিব।'

'কিন্তু— 'আদহীয়া ক্ষীণকায় মানুহজনে মাত লগালে।

'কি হ'ল হালদাৰ?' মহিলাগৰাকীয়ে শুধিলে।

'কিন্তু.... তিনি চাৰিহাজাৰ মানুহ অনাহকতে মৰিব। আমি আকৌ এবাৰ ভাবি.......'

'চেলিনা আখতাৰে এবাৰ যেতিয়া কামৰ বাবে পইচা লয়, তেতিয়া আৰু পিছুহুহকাৰ বাবে বাট নাথাকে। মোৰ বাবে তিনিহাজাৰ মানুহৰ জীৱনৰ কোনো মূল্য নাই। তেওঁলোকৰো নাই যিয়ে আমাক পইচা দিছে এই কামটোৰ বাবে।' মহিলা গৰাকীয়ে এইবাৰ আৰু অধিক উষ্মাৰে ক'লে 'এতিয়া আপোনাৰ আদৰ্শ, নৈতিকতা সকলো পাহৰি যাওঁক হালদাৰ বাবু।'

'তথাপিও —'

'মোক খং উঠাই নল'ব হালদাৰ।' চেলিনা আখতাৰে আৰু কিবা এষাৰ ক'ব ওলাইছিল, কিন্তু তেনেতেই দৰ্জাত কোনোবাই টোকৰ দিয়াত তেওঁ চকুৰে মুখাৰ্জীক ইংগিত দিলে। মুখাৰ্জী সন্তৰ্পণে উঠি গৈ দৰ্জাখন সামান্য মেলিলে।

সন্মুখত হোটেলৰ বেয়েৰা মজনুৰক এই অসময়ত দেখি মুখাৰ্জী কিছু আচৰিত হ'ল। সুধিলে তেওঁ 'কি হ'ল মজনুৰ?'

'আপোনালোকে ৰুমৰ লাইট নুমুৱাই ৰাখক। পুলিচ আহিছে।'

'পুলিচ?'

'অ। সদায় আহে। মদ খোৱা আৰু লেতেৰা কাম কৰা গম পালে..........'

'বুজিছো।' মুখাৰ্জীয়ে পকেটৰ পৰা পঞ্চাশ টকীয়া নোট এখন উলিয়াই আনি মজনুৰক দি দৰ্জাখন পুনৰ জপাই দিলে।

'এতিয়া মুখাৰ্জী আৰু হালদাৰ নিজৰ ৰুমলৈ যাঁওক। মুখাৰ্জীৰ ৰুমলৈ সেনগুপ্তা অহাৰ কথা। গতিকে আহিলেই মোক খবৰ দিব। ভাল বেয়া দুয়োটাই।'

মুখাৰ্জী আৰু হালদাৰ দুয়ো ওলাই গ'ল।

মুখাৰ্জীয়ে নিজৰ ৰুমত সোমাই দৰ্জাখন ভিতৰৰ পৰা বন্ধ কৰি ল'লে। কিন্তু হালদাৰে নিজৰ কোঠাটোৰ দৰ্জাৰ সন্মুখতে ৰৈ থাকিল। ভিতৰলৈকো নোসোমালে। চাৰিওফালে সন্ধানী দৃষ্টি বুলাই তেওঁ আকৌ খোজ দিলে।

মজনুৰে বিস্ময় অনুভৱ কৰিছিল।

নন্দিনী হোটেলত আজি সাত বছৰ ধৰি সি ৰূম বেয়েৰা স্বৰূপে কাম কৰি আছে। কমদামী হোটেল এখন। বকচিছ হিচাবে দুটকাৰ বেছি কাৰোবাৰ পৰা পোৱা তাৰ মনত নপৰে। কিন্তু যোৱা দুদিনে তাৰ ভাগ্যৰ চকৰি যেন অন্যফালে ঘূৰিছে। দিনৌ সি পঞ্চাশ টকাতকৈ বেছি পাই আহিছে; দিছেও একে তিনিজন মানুহেই।

মজনুৰে চিৰি বগাই নামি আহি লাউঞ্জত ভৰি দিল। লাউঞ্জত ভৰলুমুখ থানাৰ এ. এছ. আই যতীন দাসক দেখি সি চেলাম এটা দিলে।

'কি অ মজনুৰ? মেনেজাৰ গ'লনে?'

'গ'ল!' মজনুৰৰ চুটী উত্তৰ।

'সকলো বৰ্ডাৰ শুলে?'

'অ।'

'সেই বেয়া ছোৱালী কেইজনীয়ে আকৌ গ্ৰাহক লৈ অহা নাইতো.....?'

'নাই। সেইদিনাখনৰ পৰা মেনেজাৰ বৰ কাঢ়া হৈ গৈছে।'

দাসে ৰেজিষ্টাৰখনৰ পাতবোৰ লুটিয়াই গ'ল। তেওঁ কিছু অন্যমনস্ক হৈ পৰিছিল হয়তো, সেয়েহে লাউঞ্জলৈ নামি অহা চিৰিৰ মুখত হালদাৰক থিয় হোৱা তেওঁ গম পোৱা নাই। মজনুৰে অস্বস্তি অনুভৱ কৰিছিল। চকুৰ ইংগিতেৰে সি হালদাৰক আঁতৰি যাবলৈ ক'লে। কিন্তু মজনুৰক পুনৰ বিস্ময়ত পেলাই ওলোটাই তাকহে হালদৰে মাতি পঠিয়ালে। মজনুৰ যাওঁ নেযাওঁকৈ আগুৱাই হৈ হালদাৰৰ ওচৰ পালে। হালদাৰে সৰু কাগজ এখিলা মজুনুৰক দি কাণৰ কাষতে কথা এষাৰ কৈ গুছি গ'ল।

মজনুৰ আকৌ উলটি আহিল। যতীন দাসৰ ডায়েৰীখনৰ মাজত হালদাৰে দিয়া কাগজখিলা সি সুমুৱাই দি উশাহ এটা ল'লে দীঘলকৈ।

'যাওঁ।' যতীন দাসে ডায়েৰীখন হাতত লৈ ওলাই আহিল। থানাত তেওঁৰ চকীখনত আৰামকৈ বহি লৈ ছিগাৰেট এটা জ্বলালে। ভাগৰো লাগিছিল দাসৰ। দিনটো ব্যস্ততাৰে কটাই আকৌ 'নাইট ডিউটি' কৰিব লগা হোৱাত তেওঁৰ বিৰক্তি লাগিছিল। বিৰক্তিয়ে চৰম সীমা পাইছিল যেতিয়া হোটেল চেকিঙৰ বাবে অ. চিয়ে নিৰ্দেশ দিছিল। দাস পিছে নিৰূপায়। পাল মাৰি হোটেল কেইখনৰ ৰেজিষ্টাৰ চাই আহি এতিয়াহে তেওঁক ভাগৰে জুমুৰি দি ধৰিলে।

এতিয়া নিশা বাৰটা বাজিবলৈ দহ মিনিট আছে।

ৰাতিপুৱা ছয়তালৈ তেওঁ এনেকৈয়ে বহি কটাব লাগিব।

কথাটো ভাবি দাসৰ আকৌ বিৰক্তি লাগিল। কিন্তু হঠাতে ডায়েৰীখনৰ মাজত পাত এখিলা দেখি দাস কিঞ্চিত কৌতুহলী হ'ল। পাতখিলা তেওঁ ডায়েৰীখনৰ মাজৰ পৰা টানি আনিলে।

সৰু বগা কাগজ এখিলা।

এষাৰ কথাই মাথো লিখা আছিল ' আজাদ নগৰত নিশা বাৰটা বজাত বম্ব ফুটিব। সাৱধান।'

দাস উত্তেজিত হৈছিল।

ঠিয় হৈ দিছিল তেওঁ নিজৰ অজানিতেই। কেনেকৈ আহিল পাতখিলা? আৰু কোনে দিলে পাতখিলা? যিয়ে লিখিছে মানুহজন নিশ্চয় বঙালী হ'ব, ৰ শব্দটো লিখাৰ ধৰণতে তেওঁ নিশ্চিত হ'ল। কিন্তু তেওঁ কামাখ্যা হোটেলত ৰওঁতে ডায়েৰীখন মেলি লিখিছিল কথা এষাৰ। তেতিয়াতো ডায়েৰীখনত এখিলাও বাহিৰা কাগজ নাছিল। তাৰমানে নন্দিনী হোটেলত কোনোবাই........

দাসে টেলিফোনৰ ৰিছিভাৰ ডাঙি ডায়েল ঘূৰালে।

' ক'লৈ টেলিফোন কৰিছে চাৰ?' হাবিলদাৰ অচ্যুৎ শৰ্মাই শুধিলে।

' আজাদ নগৰ অ. চিলৈ।'

' ফোনটো বেয়া হৈ আছে হবলা, ময়ো অলপ আগতে কৰিছিলো। আকৌ তেওঁলোকৰ ভি এইচ এফৰ চেটটোও বেয়া হৈ আছে।'

' আজাদ নগৰলৈ মটৰ চাইকেল যায় নে?'

' যায়। কিন্তু পথটো আধাৰ পৰা কেঁচা মাটিৰ।'

' কিমান সময় ল'ব গৈ পাওঁতে?'

' দহ মিনিটমান লাগিব হবলা বেগেৰে গ'লে।'

' তেন্তে আপুনি মোৰ লগত ওলাওঁক। কিন্তু তাৰ আগেয়ে অ. চি. চাৰৰ ঘৰত খবৰ এটা দিব লাগিব নন্দিনী হেটোলত ৰেইড কৰাবলৈ।'

' কিন্তু.... সেইখন হোটেলৰ লগততো চাৰ আমাৰ....... মাহিলী বন্দবস্তী হৈ গৈছে।'

দাসে পিছে পিছৰ কথাখিনি শুনিবলৈ ৰৈ নাথাকিল।

৫

নিঃসাৰ হৈ পৰি আছে আজাদ নগৰ।

হামিদে দূৰৈতে মটৰ চাইকেলৰ ইঞ্জিন বন্ধ কৰি আনিছিল। সেয়েহে ব্ৰেক মৰাৰ লগে লগে আজাদ নগৰৰ বজাৰৰ মূৰত নিঃশব্দে মটৰ চাইকেলখন ৰৈ গ'ল। মটৰ চাইকেলৰ হেড লাইট বন্ধ কৰি হামিদে চাৰিওফালে চালে।

'হামিদ।'

পিছফালৰ অন্ধকাৰৰ পৰা মানুহ এজন আহি হামিদক অনুচ্চ কণ্ঠেৰে মতা শুনি হামিদ উচপ খাই উঠি পিছলৈ ঘূৰি চালে।

'সেনগুপ্তা?'

'অ।' মানুহজন হামিদৰ আৰু ওচৰলৈ আহি আকৌ শুধিলে 'আব্দুল আহি পোৱা নাই?'

'সি গুমটিখনৰ ওচৰে পাজৰে চাৰিটা বম্ব ফিট কৰিয়েই ইয়ালৈ আহিব।'

'দেৰী কৰিলে বিপদ আছে। মই থানাৰ টেলিফ'নৰ তাঁৰ কাটিব যাওঁতে ধৰা পৰিব ওলাইছিলোৱে। কোনোমতেহে দৌৰি আহি এইখিনি পাইছিলো।' সেনগুপ্তাই এইবাৰ দীঘলকৈ উশাহ্ এটা লৈ শুধিলে 'কেইটা বাজিছে এতিয়া?'

'বাৰটা বাজিবলৈ আৰু দহ মিনিট আছে।'

'মই অৱশ্যে স্কুলঘৰটোত আৰু বস্তিত বম্বকেইটা থৈ আহিছো। এতিয়া আব্দুল আহি পালেই—'

'আব্দুলৰ বাবে অপেক্ষা কৰাতকৈ মই চাই আহো।'

'থিক আছে। মই ইয়াতে ৰৈ আছো।'

হামিদে মটৰ চাইকেলখন ষ্টাৰ্ট কৰি গুছি গ'ল। সেনগুপ্তাই ছিগাৰেট এটা জ্বলালে। কিন্তু কেইহোপামান মৰাৰ পিছতে সেনগুপ্তাৰ হঠাতে খেয়াল হ'ল কোনোবা এটা যেন নিচেই ওচৰতে থিয় হৈছে! সেনগুপ্তাই সচকিত হৈ ঘূৰি চাওঁতেই যোগিন্দৰে পিছফালৰ পৰা দুইখন হাতেৰে বজ্ৰ মুঠিৰে চেপি ধৰিলে সেনগুপ্তাক।

'সৌখিনিলৈ টানি হৈ আহ। কিন্তু সাৱধান! মাৰি নেপেলাবি।' আদিত্য ফুকনে মাত লগালে।

যোগিন্দৰে সেনগুপ্তাক আওঁহতীয়া ঠাই এটুকুৰালৈ টানি আনিলে। ফুকনে

সেনগুপ্তাৰ মুখত টৰ্চৰ পোহৰ পেলাই শুধিলে ‘বস্ব কেইটা ক’ত ক’ত থৈছ?’

সেনগুপ্তা নিৰুত্তৰ।

‘সোনকালে ক, নহ’লে.......’ ফুকনে বাট নাচালে। যোগিন্দৰলৈ চাই ক’লে ‘ইয়াৰ হাতৰ মুঠি এটা ভাঙি দে ; অন্যথা ই কথা নক’ব।’

যোগিন্দৰে যেন এনেকুৱা এটা আদেশলৈকে বাট চাই আছিল। সি অৱলীলাক্রমে সেনগুপ্তাৰ সোঁ হাতৰ মুঠিটো ভিতৰলৈ হেঁচা মাৰি ধৰিলে। যন্ত্রনাত সেনগুপ্তাৰ মুখৰ পৰা গেঙঁনি ওলাইছিল। কিন্তু যোগিন্দৰ যেন এটা ৰক্তলোলুপ ৰাক্ষস হৈ উঠিছে। সি আৰু অধিক জোৰ দিলে। আৰু এটা সময়ত সি স্বগোক্তি কৰাৰ দৰে কৈ উঠিল ‘ভাঙি দিলো।’

সেনগুপ্তাৰ গেঁঙনি বেছি হ’ল।

যোগিন্দৰে ইখন হাতৰ মুঠিতো আকৌ অৱলীলাক্রমে চেপি ধৰি ক্রমান্বয়ে বেকাঁকে আনিব খোজোতে সেনগুপ্তাই ক’লে ‘বস্তিত তিনিটা ........ গেটৰ মূৰত ....সাহাৰ ঘৰত.... ।’

‘আৰু?’ ফুকনে শুধিলে।

‘এটা..... ঘোষৰ ঘৰত।’

‘আৰু এটা?’

‘আৰু........’ যোগিন্দৰৰ হেঁচা হয়তো ক্রমান্বয়ে বেছি হৈ আহিছিল। সেয়েহে চৰম বিন্দু পাওঁতে সেনগুপ্তাৰ সহ্যৰ বান্ধোন চিঙি গ’ল। মানুহটো হঠাতে নিঃসাৰ হৈ পৰিল।

‘মৰা নাই। জ্ঞান হেৰুৱাইছে।’ যোগিন্দৰে ক’লে।

ফুকনে কিন্তু বিশ্বাস কৰিবলৈ টান পালে। নিজে হালি গৈ সেনগুপ্তাৰ নাড়ী স্পন্দন চাওঁতে ওচৰতে মটৰ চাইকেল এখনৰ শব্দ হোৱা যেন পাই তেওঁ দৃষ্টি ঘূৰালে।

কিছু আঁতৰেৰে বজাৰৰ গলি এটাৰে মটৰ চাইকেল এখন তীব্র বেগে যোৱা তেওঁৰ চকুত পৰিল।

‘ক’লৈ গৈছে ৰাস্তাটো?’

‘গলিটো গৈ গৈ নন্দিনী হোটেলৰ কাষেৰে মেইন ৰ’ডত লগ লাগিছে।’ যোগিন্দৰে উত্তৰটো দি এইবাৰ কিছু অধৈর্য্য ভাৱে শুধিলে ‘দুটা বম্বৰ ঠাইহে গম পালো। আৰু আন এটা?’

ফুকনে একো নক’লে।

তেওঁ চিন্তাত পৰিল।

এই পাঁচ মিনিট বা দহ মিনিটেই তেওঁৰ বাবে অতি মূল্যবান। কোনো এটা মূহুৰ্ত অপব্যয় হ'ব দিব নোৱাৰি। কিন্তু...........

৬

এক্সিলেটাৰ কেৱল সাজোৰে হেঁচা মাৰি ধৰি আছে হামিদে। উল্কা বেগেৰে ওখোৰা -মোখোৰা কেঁচা মাটিৰ পথেৰে যোৱাটো , তাকো নিশাৰ অন্ধকাৰত যে সমিচীন হোৱা নাই হামিদে গম পাইছে। কিন্তু এতিয়া সময়ো নাই অপব্যয় কৰিবলৈ। যিমান পাৰে কম সময়ৰ ভিতৰতে তেওঁ নন্দিনী হোটেলত খবৰ দিব লাগিব যে সেনগুপ্তা ধৰা পৰি গ'ল আৰু আব্দুলৰ মৃত্যু হ'ল।

কিন্তু আব্দুলৰ মৃত্যু হ'ল কেনেকৈ ?

অৱেশ্য এই মৃত্যু স্বাভাৱিক নহয়। কোনোবাই.........

কিন্তু কোনে ?

আচঁনি বৰ নিখুঁত আছিল। গুৰি ধৰিছিল চেলিনা আখতাৰে। লগত আছিল মুখাৰ্জী আৰু হালদাৰ। সেনগুপ্তা , তেওঁ আৰু আব্দুল আছিল হাতিয়াৰ। বিশ্বাসঘাটকতা এই কেইজনৰ ভিতৰতে কোনোবাই কৰিব লাগিব। কিন্তু চেলিনা আখতাৰ হ'বই নোৱাৰে। তেওঁৰ অভিন্ন স্বৰূপ মুখাৰ্জীও হ'ব নোৱাৰে। আব্দুলো হ'ব নোৱাৰে। যোৱা চব্বিশ ঘণ্টা আব্দুল তেওঁৰ লগতে আছে। গতিকে এতিয়া থাকিল সেনগুপ্তা আৰু হালদাৰ। কোন বিশ্বাসঘাটক ? হালদাৰ নে সেনগুপ্তা ? সেনগুপ্তা ধৰা পৰিছে পুলিচৰ হাতত। হয়তো এইয়া তেওঁৰ নিজক বচাবলৈ কৰা অভিনয় ! আঁৰকাপোৰত অভিনয় কৰি আছে হালদাৰে !

হামিদ ভিতৰি ভিতৰি যথেষ্ট উত্তেজিত হৈ পৰিছিল। হয়তো কিছু অন্যমনস্কও হৈছিল। সেয়েহে দূৰৈত মটৰ চাইকেল এখনৰ হেডলাইটৰ পোহৰটো দেখিও বেছ কিছুপৰলৈ অচঞ্চল হৈয়ে আছিল। কিন্তু এপলকৰ ভিতৰতে হঠাতে হামিদ সচকিত হৈ উঠিল। তেতিয়াই স্পষ্টকৈ দেখা পালে পোহৰৰ বিন্দুতো। হামিদে দেখিলে মটৰ চাইকেলত দুজন আৰোহী। হয়তো দুয়োজনেই পুলিচ।

হামিদৰ মটৰ চাইকেলৰ গতি তেতিয়া তুংগত। আৰু মাত্ৰ সামান্য ব্যৱধান আছে দুয়োখন মটৰ চাইকেলৰ মাজত। হামিদ নিশ্চিত হ'ল এই ঠেক অপ্ৰশস্ত পথটোত অলপ অসাৱধান হলেই দুয়োখন মটৰ চাইকেল সজোৰে আৰু ভয়ংকৰ ভাৱে মুখামুখি হ'ব। ইয়াৰ ফলাফল হ'ব সুনিশ্চিত মৃত্যু। হামিদে পলকতে অৱশ্যে অনুমানো কৰি ল'লে ইয়াৰ মাজতেই বাচি যোৱাৰ একমাত্ৰ উপায়ো আছে। বৰ বিপদ সংকুল এই উপায়।

হামিদে গতিবেগ আৰু অলপ বঢ়াই দিলে।

হামিদে শুনা পাইছে সন্মুখৰ মটৰ চাইকেলখনৰ পৰা ভাঁহি অহা অহৰহ বাজি থকা হৰ্ণৰ ধ্বনি।

হামিদে মটৰ চাইকেলখন পথটোৰ আৰু সোঁমাজলৈ লৈ আনিলে। গতিবেগো আৰু বঢ়াই আনিলে। এতিয়া ব্যৱধান হিচাবে আছে মাথো কেইমিটাৰমান দূৰত্ব। প্ৰতিটো পলকত কমি আহিছে ব্যৱধান। হামিদ পিছে বিচলিত হোৱা নাই। মাথো অপেক্ষা কৰি আছে সুবৰ্ণ সুযোগটোলৈ.......

৭

চেলিনা অধৈৰ্য্য হৈ পৰিছে। বাৰেপতি হাতঘড়ীটোলৈ চাব ধৰিছে, প্ৰতিটো ছেকেণ্ড পাৰ হৈ যাওঁতেই এযুগ যেন লাগিছে তেওঁৰ। পুলিচ অফিচাৰজন হয়তো কেতিয়াবাই গ'ল। তেওঁৰ কাণত পৰিছিল মটৰ চাইকেল এখন যোৱাৰ শব্দ। কিন্তু মুখাৰ্জী অথবা হালদাৰ কোনো এজনেই তেওঁক খবৰ এটা দিয়া নাই কিয় ? এইমূহুৰ্তত তেওঁ ৰুমৰ পৰা বাহিৰ ওলাই যোৱাটো সমিচীন নহ'ব। অন্য বৰ্ডাৰৰ সন্দেহ উপজিলেই সকলো ফুটুকাৰ ফেন হ'ব।

চেলিনা অৱশ্যে উত্তেজিত হৈছিল বেছি।

এই সৰু কামটোৰ অগ্ৰিম ধন হিচাবে পাইছিল বিশ লাখ টকা। সামান্য কেইটামান বম্বৰ বিস্ফোৰণ ঘটোৱাৰ বাবদ যে অন্য এখন ৰাষ্ট্ৰই চল্লিশ লাখ টকা দিব তেওঁ কল্পনাও কৰিব পৰা নাছিল। কলিকতাত ট্ৰাম জ্বলোৱা, বাছ জ্বলোৱা, পেট্ৰোল এচিদ বোমা নিক্ষেপ কৰা এই সৰু সুৱা কামৰ কনট্ৰেক এতিয়াৰ পৰা আৰু তেওঁ নলয়। আজি সাফল্যৰ মুখ দেখিলেই তেওঁৰ ভৱিষ্যতৰ ৰূপো সলনি হ'ব। কিন্তু......

চেলিনাই ঘড়ীটো চালে। বাৰটা বাজিবলৈ আৰু দহমিনিট আছে।

এতিয়ালৈকে তেওঁ একো খবৰ নোপোৱাতো বেয়া লক্ষণ। মুখাৰ্জীয়ে জানে তেওঁ এতিয়া পাতল নাইটি এটা পৰিধান কৰিয়েই ৰুমত আছে। আনকালে এনেকুৱা পৰিবেশত মুখাৰ্জীয়েতো তেওঁৰ সংগ এৰিবই নোখোজে। তেন্তে মুখাৰ্জীয়েও হালদাৰৰ দৰে ক্ৰমান্বয়ে নিৰাসক্ত হৈ যোৱা নাইতো!

কিন্তু হালদাৰ হঠাতে এনেদৰে সলনি হৈ গ'ল কিয় চেলিনাই ধৰিব পৰা নাই। আজি ছবছৰ প্ৰতিটো কামতে তেওঁৰ সংগী হৈ আহিছে হালদাৰ। অৱশ্যে সেইবোৰ কাম আছিল নিচেই সামান্য। হতাহতি অথবা ৰক্তপাত কেতিয়াবা নঘটা নহয়। মাত্ৰ তিনিজনৰ মৃত্যু হৈছিল তেওঁলোকৰ হাতত যোৱা ছবছৰে। এইবাৰ শতাধিক লোকৰ মৃত্যু হ'ব বুলি

শুনিয়েই হালদাৰ বিমৰ্ষ হৈছিল। হালদাৰৰ বাবে টকাৰ সংখ্যাটো গৌণ হৈ পৰিছিল।

হয়তো হালদাৰেই এদিন তেওঁৰ বিপদ ঘটাব পাৰে।

তেন্তে?

তেনেতেই দৰ্জাখনত মৃদু টোকৰ এটা পৰাত তেওঁ অনুচ্চ কণ্ঠেৰে সুধিলে — 'কোন?'

'মই। মুখাৰ্জী।'

চেলিনাই ততালিকে দৰ্জাখন খুলি দিলে। কিন্তু মুখাৰ্জীৰ লগত হামিদক দেখা পাব বুলি চেলিনাই অনুমান কৰিব পৰা নাছিল। ইংগিতেৰে দুয়োকো ভিতৰলৈ সোমাই আহিব দি চেলিনাই দৰ্জাখন বন্ধ কৰি দি দুয়োটালৈ চালে এবাৰ; তাৰ পিছত ডিম লাইটতো জ্বলাই চেলিনাই বিছনাখনতে বহি লৈ সুধিলে 'কি হ'ল?'

'খবৰ বেয়া।'

'কৈ যোৱা।' চেলিনাই উত্তেজনা দমাই ৰাখিয়ে সুধিলে।

'আব্দুলক কোনোবাই মাৰি মৃতদেহটো গুমটি এখনৰ ওচৰত পেলাই গৈছে।' মুখাৰ্জীয়ে এখেন্তেক ৰৈ পুনৰ ক'লে, 'সেনগুপ্তা পুলিচৰ হাতত ধৰা পৰিছে। হামিদো ধৰা পৰিব ওলাইছিল। মটৰ চাইকেলত আহি থকা পুলিচ অফিচাৰ দুজনৰ চকুত হামিদে নিজৰ হেডলাইটৰ পোহৰ হঠাতে পেলাই দি সেইখন পাল্টা খুৱাব পাৰিলে হয়, কিন্তু তেওঁলোক মৰিল নে......'

'কিন্তু.........'

'আমাক কোনোবাই বিশ্বাসঘাটকতা কৰিলে।'

'কোনে?' চেলিনাৰ ৰুক্ষ প্ৰশ্ন।

'সেনগুপ্তা। অথবা —'

'অথবা কোনে? হালদাৰে?'

'হ'ব পাৰে।'

'মই কাকো ক্ষমা নকৰো।' চেলিনাই কথাষাৰ কৈয়ে বহাৰ পৰা থিয় হৈছিল, মুখাৰ্জীয়ে আগভেটা দি সুধিলে 'কলৈ যায়? হালদাৰ ৰূমত নাই। আমি বিচাৰি গৈছিলো। নাপালো। আনহাতেদি হালদাৰৰ হাতত অন্ততঃ ৰিভলভাৰ এটা আছে; আমাৰ হাতত এতিয়া একোৱেই নাই।'

'তেতিয়া হ'লে আমি ইয়াৰ পৰা পলাব লাগিব।' চেলিনাই কথাষাৰ কৈয়ে খন্তেকতে জীনছ পেণ্ট এটা আৰু চাৰ্ট এটা পিন্ধি কান্ধত সৰু বেগ এটা ওলোমাই সুধিলে,

'কোন বাটেৰে ওলাই যাবা?'

'একেলগে আমি নাযাওঁ। হামিদ অকলে ওলাই গৈ মটৰ চাইকেলেৰে গৈ পাণ্ডুত বৈ থাকিব। আমি এই ৰুমৰ খিৰিকীৰে তললৈ নামি গৈ....'

'বুজিলো।'

হামিদ কোঠাটোৰ পৰা ওলাই গ'ল।

চেলিনাই এইবাৰ কান্ধৰ পৰা বেগটো নমাই বেগৰ পৰা নাইনলৰ ৰছী এডাল উলিয়াই আনিলে। চেলিনাই এই কোঠাটো নিজৰ বাবে বহু ভাবি চিন্তি বাছনি কৰিছিল। কোঠাটোৰ পিছফালৰ এখন খিৰিকীত গ্ৰীল নাই। তদুপৰি খিৰিকীখনৰ তলৰ পৰা এখন পিতনি আৰম্ভ হৈছে। পিছফালৰ পৰা কোনোবাই বেঢ়ি ধৰাৰ কোনো সুবিধাই নাই। আনহাতে চেলিনাই পিতনিৰ মাজে মাজে দেও দি দি যোৱাৰ কৌশল বঢ়িয়াকৈ জানে।

'সোনকালে কৰক।'

চেলিনাই ৰছীডাল খিৰিকীৰে তললৈ নমাই দি সুধিলে, 'বম্ব কেইটাৰ কি হ'ল? এটাও.... নুফুটিল নে.... ?'

'ক'ব নোৱাৰো......... হে ভগবান! পুলিচৰ হুইচেলৰ শব্দ শুনিছো....'

চেলিনা নৰ'ল। সু-তীব্ৰ গতিৰে তললৈ নামি গ'ল।

কিন্তু.........

'হালদাৰ, তুমি? এই অসময়ত পিতনিৰ মাজত.... ?' চেলিনাৰ সৰ্বশৰীৰ জিকাৰ খাই উঠিছিল হালদাৰক দেখি।

'কাৰণটো বুজিছাই।'

'তাৰমানে তুমিয়েই.... ?'

'মই খবৰ দিছিলো। এজন নহয়, দুজন নহয়, এশ-দুশ নিৰপৰাধী মানুহক অনাহকতে মৰিব দিব নোৱাৰি। এতিয়া তুমি মৰিব লাগিব।'

হালদাৰ ঠিয় হৈ আছে পিতনিৰ মাজত।

এহাতত ক'লা কিচকিচিয়া ধাতৰ বস্তু এটা।

চেলিনাই জানে সেইটো ৰিভলভাৰ। বহুবাৰ এই ৰিভলভাৰটো দেখুৱাইয়ে তেওঁলোকে ৰেলত ডকাইতি কৰিছিল।

'হালদাৰ..... তুমি কি কৰিব খুজিছা..... আ.....অ.......'

চেলিনাৰ কথা শেষ নহ'ল। অগ্নিস্ফুলিঙ্গ এটাই সজোৰে আঘাত কৰিলে চেলিনাক। হালদাৰৰ ৰিভলভাৰৰ পৰা ওলাইছিল অগ্নিস্ফুলিঙ্গটো। চেলিনা ৰক্তাপ্লুত হৈ ঢলি পৰিছিল। হালদাৰ পিছে স্থিতপ্রজ্ঞ হৈ ঠাইতে ঠিয় হৈ ৰ'ল। ওপৰ তলাৰ চেলিনাৰ ৰুমৰ খিৰিকীত হতভম্ব হৈ চাই থকা মুখাৰ্জীলৈ চাই এবাৰ হালদাৰে শেঁতা হাঁহি মাৰিলে। মুখাৰ্জীয়েও অৱশ্যে প্ৰত্যুত্তৰ দিবলৈ অৱকাশ নাপালে। কোঠাটোত একেলগে বহুকেইজনৰ কণ্ঠস্বৰ আৰু অহৰহ বজিব ধৰা হুইচেলৰ শব্দ শুনিয়ে হালদাৰে বুজি পালে যৱনিকা পৰিল বুলি। কিন্তু বম্ব কেইটা?

হে ভগৱান...... বাৰটা বাজিবলৈ এতিয়া মাত্ৰ পাঁচ মিনিটহে আছে।

৮

'যোগিন্দৰ! সোনকালে কৰ.... আৰু মাত্ৰ কেইটামান মিনিটহে আছে। আৰু এটা বম্ব বিচাৰিবলৈ আছেই......।'

আদিত্য ফুকনে যথাসম্ভৱ সৰু মাতেৰে ক'ব খুজিছিল। কিন্তু তীব্ৰ উত্তেজনাই মাতটো ডাঙৰ কৰি পেলালে। ফুকনৰ কণ্ঠস্বৰে আজাদ নগৰৰ সুভাষ সাহাক প্ৰথমেই টোপনিৰ পৰা জগালে। তেওঁ বাহিৰলৈ ওলাই আহিয়েই ফুকনক দেখি হতভম্ভ হৈ শুধিলে, 'কি হ'ল চাৰ?'

'বস্তিত কোনোবাই বম্ব ফুটাব খুজিছে। আমি দুটা বম্ব পালো। এটা পোৱা নাই।'

'কি!' সাহাই চিঞৰি দিলে। খন্তেকতে ওচৰে-পাজৰে শতাধিক লোক গোট খালে। ফুকনে এইবাৰ আৰু বেছি খয় খালে। তেওঁ চিঞৰিলে, 'আপোনালোক সাৱধান হওঁক। য'তে ত'তে বম্ব থাকিব পাৰে। যিকোনো মুহূৰ্ত্তত ফুটিব পাৰে।'

ফুকনৰ কথা শেষ হোৱাৰ মুহূৰ্ততে আঁতৰত আকাশ বতাহ কঁপাই প্ৰচণ্ড শব্দ এটা হ'ল।

'হে ভগৱান .... স্কুলঘৰটোতে বম্বটো লুকাই থৈছিল।'

'ভাগ্যে তাত কোনে নাথাকে।'

'কিন্তু স্কুলঘৰটো আমি নিজেই সাজিছিলো। ঘোষাল আৰু বসাকৰ মাটিত। নামো দিছিলো শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যামন্দিৰ বুলি। স্কুলঘৰটোতনো বম্ব দিব পাইনে?' সাহাই প্ৰশ্ন কৰিলে।

'আকৌ স্কুলঘৰটো বনাম।'

'এইবাৰ আমিও সহায় কৰিম।' যোগিন্দৰে হঠাতে মাত লগালে। ●

# গধূলি লগ্ন

কিমিনত গধূলি হৈছে। পাতল অন্ধকাৰৰ আলিঙ্গনতে নিচেই সৰু ঠাইখন যেন প্ৰেতপুৰী হৈ পৰিছে। অইন দিনাখন এই সময়ত পাৱাৰ হাউছৰ মানুহ কেইজনে জিৰনি লবলৈ বুলি ওলাই আহিলেহেঁতেন। আজি কিনকিনিয়া বৰষুণজাকে সকলো পণ্ড কৰি দিলে। ডেকা ইলেকট্ৰিকেল ইঞ্জিনীয়াৰ যুগল দত্ত সেইদেখিয়েই এতিয়া ঘৰৰ ভিতৰতে সোমাই আছে। সৰু ড্ৰইং ৰূমটোত যোৱাকালিৰ নিউজপেপাৰখন লৈ নিথৰ হৈ যুগল বহি আছে। চকুহালৰ দৃষ্টি কাগজখনত নাই, খিৰিকীৰ ফাঁকেৰে বাহিৰৰ অন্ধকাৰ জগতখনলৈ চাই আছে যুগলে।

যুগলৰ কপালৰ ৰেখাবোৰ কোচ খাইছিল।

নাকৰ পাহি দুটা একোবাৰ কঁপি উঠে। পিছৰ বাৰ শান্ত হয়।

যুগলে ভয় খাইছিল। ভয় নাখালেহেঁতেন যদিহে নিউজপেপাৰখন উত্তৰ লক্ষীমপুৰৰ পৰা এইমাত্ৰ আহি নাপালেহেঁতেন।

কিমান সুন্দৰকৈ এই এবছৰ মালাৰ লগত সি কটাই দিলে। আৰু এতিয়া?

যুগলে জানে কিমিনখন বৰ সৰু ঠাই। ইলেকট্ৰিচিটি বৰ্ডৰ পাৱাৰ হাউটোৰ সি পৰিচালক ইঞ্জিনীয়াৰ। সিহঁতৰ পাৱাৰ হাউচটোৰ কাষেৰে কিমিন নদীখন বৈ গৈছে। সিফালে নীলা আকাশচুম্বী অৰুণাচলৰ পাহাৰ ৰাশি আৰু এইফালে মাত্ৰ দুই ফাৰ্লং আঁতৰত আছাম ৰাইফলচৰ কেম্পটো।

এনেকুৱা এখন সৰু ঠাইত অচিনাকি মুখ এখন লুকাই থাকিব নোৱাৰে। হয়টো সেইকথা কুমাৰে জানে। হয়টো সি ভবা নাই, চিন্তা কৰা নাই। তথাপিও জেল পলাতক কুমাৰ আহিবই।

'কি ভাবি আছা?' মালাই চাহ একাপ হাতত লৈ আহি সুধি পেলালে।

যুগলে একো নক'লে। সি নীৰৱে চাহকাপ তুলি ল'লে। মালাই ওচৰৰ চোফাখনত বহি যুগলৰ হাতৰ পৰা নিউজ পেপাৰখন লৈ আনিলে। যুগলে চাহকাপটোত চুমুক মাৰি গহীন স্বৰেৰে ক'লে, 'তুমি সেইখন নপঢ়িবা।'

'কিয়?' মালা অবাক হ'ল।

'কিয় ক'ব নোৱাৰো।' যুগলে এইবাৰ চাহকাপত দীঘলীয়া হোপা এটা মাৰি

অস্ফুট স্বৰেৰে বিৰবিৰালে 'কুমাৰ আহিবই। সি আহিবই।'

মালা কৌতুহলী হ'ল। তাই আঁৰ চকুৰে যুগললৈ চালে। মানুহটো শেঁতা পৰিছে।

মালাই নিউজ পেপাৰখনত চকু ফুৰালে।

সৰু বাতৰি এটাৰ ওপৰত মালাৰ দৃষ্টি থৰ হৈ ৰৈ গ'ল। বাতৰিটোৰ শীৰ্ষত লিখা আছিল কুমাৰ দাসৰ পলায়ন। তাৰ ঠিক তলতে লিখা আছিল, তেজপুৰ, ১৭ আগষ্ট। আজি তেজপুৰ জেলৰ পৰা বেংক ডকাইটি আৰু দুটা হত্যাকাণ্ডত অভিযুক্ত কুমাৰ দাস পলাই যায়। তেওঁক শেষবাৰৰ বাবে বিশ্বনাথ চাৰিআলিত দেখা গৈছিল। পুলিচে জোৰ অনুসন্ধান চলাইছে।

মালাই পঢ়ি উঠি যুগললৈ চালে।

'কুমাৰ মোৰ বন্ধু। সি জানে মই কিমিনত আছো বুলি। মোৰ মনে ধৰিছে সি কিমিনলৈকে বুলি আহি আছে। সি মোৰ ইয়াতে আশ্ৰয় বিচাৰিব।'

'পুলিচক খবৰ দিলেইতো.....'

' নোৱাৰো। কাকো খবৰ দিব নোৱাৰো। তাক মই আশ্ৰয় দিবই লাগিব। নহ'লে....' যুগলে মূৰটো তললৈ হলাই দিলে।

মালাই চোফাখন যুগলৰ ওচৰ চপাই আনিলে।

মালা কিছু উত্তেজিত হৈছে। তাই ধৰিব পাৰিছে যুগলৰ এটা দুৰ্ব্বলতা আছে। সেই দুৰ্ব্বলতাৰ সুবিধাকণ ল'ব পাৰে মাথো কুমাৰ দাসৰ দৰে দাগী পলাতক আচামী এটাই।

'যুগল।'

যুগলে একো নকলে।

ক'বলৈ পিছে বহু কথাই আছে। কিন্তু সি এতিয়া কেনেকৈ মালাক বুজাই ক'ব যে কুমাৰ দাসৰ লগত সিয়ো দুটা বেংক ডকাইতিত জড়িত আছিল। বেশ্যা এজনীকো সি কুমাৰৰ দুচকুৰ আগতে হত্যা কৰি পেলাইছিল।

সেইবোৰ বহুদিনৰ আগৰ কথা। সি গুৱাহাটীত পঢ়ি থকা দিনৰে কথা। তথাপিও সেই তথ্য পুলিচৰ বহীত মচখোৱা নাই। তাৰ ফিংগাৰ প্ৰিন্টৰ সাঁচ আছে পুলিচৰ হাতত। আৰু এতিয়া কুমাৰে মুখখন খুলিলেই সি জেললৈ সোমাই যাব লাগিব। হয়তো ফাঁচীকাঠতো ওলমিব লাগিব পাৰে।

আৰু যদি সচাঁকৈয়ে কুমাৰ আহি ওলায়হি, সি কি কৰিব? খুব বেছি এদিন বা দুদিন সি কুমাৰক লুকুৱাই ৰাখিব পাৰিব। তাৰ পিছত? এই তিনিটা কোঠালীৰ সৰু ঘৰটোত কুমাৰৰ দৰে অতীৱ সুপুৰুষ আৰু যৌৱন উতলা মালাক এৰি থৈ সি নিশ্চয় কামলৈ যাব নোৱাৰিব। কুমাৰৰ দুচকুৰ এটি কটাক্ষই মালাৰ দৰে চব্বিশ বছৰীয়া যুৱতীৰ কাৰণে যথেষ্ট।

এতিয়া হাতত মাথো এটা পথেই আছেগৈ।

কুমাৰক সি হত্যা কৰিব লাগিব। এই সুযোগটোৱেই সুবৰ্ণ সুযোগ।

'যুগল।'

'হু।'

'বাহিৰৰ গেটখন কোনোবাই খুলিছে।' মালাই ক'লে।

যুগল উঠি ঠিয় হ'ল। সি কাণপাতি শুনিলে। কোনোবা এটা চেপি-চেপি খোজ দি বাৰান্দাখনত ভৰি দিছে।

'তুমি ভিতৰলৈ যোৱাগৈ। ভিতৰৰ সকলো দুৱাৰ খিৰিকী বন্ধ কৰি থৈ তুমি বেডৰুমত সোমাই থাকিবা। ভুলতো বাহিৰ নহ'বা।' যুগলে মালাৰ কাণত ফুচফুচাই কৈ দৰ্জাখনৰ ওচৰ চাপিল।

'যুগল।' বাহিৰৰ পৰা কোনোবাই মাতিলে।

যুগল উচপ খালে। কুমাৰ সঁচাকৈয়ে আহি ওলাল!!

২

যুগলে দৰ্জাখন সামান্য ফাঁক কৰি দিলে। কুমাৰে দৰ্জাখন আৰু অলপ বহলাই এইবাৰ ভিতৰলৈ সোমাই আহিল। ড্ৰইং ৰূমটোৰ চাৰিওফালে চকু ফুৰাই কুমাৰে যুগললৈ চালে। যুগল নিথৰ হৈ থিয় হৈ আছে। কুমাৰে পলকতে বুজি পালে সি এইখন ঘৰৰ অনাহুত অতিথি।

হওঁক। তাক মাত্ৰ সদ্যহতে এটি আশ্ৰয় লাগে।

এসপ্তাহৰ কাৰণে। তাতকৈ কিছু বেছি অথবা কম।

কুমাৰে খবৰ কাগজখন দেখি ওপৰে ওপৰে চকু ফুৰাই মাত লগালে, 'মই ইয়ালৈকে আহিম বুলি তই অনুমান কৰি ল'ব পাৰিছিলি তেন্তে।'

যুগল নীৰৱ।

'তই অকলে নিশ্চয় নাথাক। মই শুনিছিলো তই হেনো এবছৰৰ আগতে বিয়াও কৰালি কোনোবা মালা বৰা নামৰ ছোৱালী এজনীক।'

'তই মোৰ সকলো খবৰেই ৰাখিছ।' যুগলে ক'লে।

'অতীতৰ কথা-কাহিনীবোৰ অৱশ্যে বেছিকৈ মনত ৰাখিছো।'

যুগল অপ্ৰস্তুত হ'ল। যুগলে জানে ঠিক এই দুৰ্বল স্থানটোত আঘাত দিয়েই কুমাৰে তাক এতিয়া শাসন কৰিব।

যুগলে দৰ্জাখন বন্ধ কৰি লাইটটো নুমুৱাই ভিতৰলৈ গ'ল। ডাইনিং ৰুমতে কুমাৰক বহিব দি যুগলেও বহি ল'লে। এইবাৰ কিছু গহীন স্বৰেৰে যুগলে ক'লে, 'তোক মই এদিন বা দুদিনৰ বেছি থাকিব দিব নোৱাৰো। ঠাইখন বৰ সৰু আৰু তই ইয়াত ধৰা পৰা মানে মোৰ চাকৰি যোৱা। সেইটো হ'বলৈ মই কেতিয়াও এৰি দিব নোৱাৰো। মই অতীতক পাহৰি গৈছো। তয়ো পাহৰি যা।'

কুমাৰে কিছুপৰ তলকা মাৰি বৈ সুধিলে, 'মালা তোৰ লগত থাকে?'

যুগলে আকৌ চক খালে। সি সুধিলে, 'কিয় সুধিলি?'

'এনেকুৱা সময়ত তিৰোতা মানুহ এগৰাকীৰ খুবেই আৱশ্যক। মালাই ইচ্ছা কৰিলে মোক বহুধৰণেৰে সহায় কৰিব পাৰে।'

'নোৱাৰে, নকৰে। শুন, ময়ো তোক একো সহায় কৰিব নোৱাৰো। এই এসপ্তাহৰ পিছত তই যিকোনো উপায়েৰে ঘৰৰ পৰা ওলাই যাব লাগিব।'

'তই অতীতৰ কথাবোৰ পাহৰিলি।' কুমাৰে ক'লে।

'নাই পাহৰা। সেই কাৰণেইটো তোক এসপ্তাহৰ সময় দিছো।' যুগলে কথাষাৰ কৈ বহাৰ পৰা উঠিল। 'তই সৌ ষ্টৰ ৰুমটোত শুব লাগিব। খাট এখন পৰা আছে। অলপ পিছত মই ভাত লৈ আহিম।'

কুমাৰ ডাইনিং ৰুমৰ সিটো কোণত থকা দৰ্জাখন খুলি ভিতৰলৈ সোমাই গ'ল। সি লাইটটো জ্বলাব খুজিছিল, যুগলে নিদিলে। কুমাৰে পকেটৰ পৰা সৰু পেঞ্চিল টৰ্চটো উলিয়াই ল'লে।

কোঠাতো নিচেই সৰু। কোনো ৰকমে খাট এখন থ'ব পৰা গৈছে। খিৰিকী বুলিবলৈ এখন। কুমাৰে জানে এই খিৰিকীখনো খুলিব নোৱাৰে। এনেকৈয়ে সি এই এসপ্তাহ লুকাই থাকিব লাগিব। পাৰিব জানো সি!! অৱশ্যে...

যুগলে আধা ঘণ্টাৰ পিছত ভাতৰ থাল এখন আনি কুমাৰক দিলেহি। কুমাৰে ততাতৈয়াকৈ গো-গ্ৰাসে খালে ভাত কেইটা। যুগলে যাবৰ সময়ত কৈ গ'ল, 'ভুলতো তই ৰাতিপুৱা মৰ্ণিংৱাক কৰিব নোৱাৰ।'

যুগল গ'লগৈ।

কুমাৰে মূৰটো দুপিয়াই খাটখনত শুই পৰিল। অন্ততঃ নিশাটো নিশ্চিন্ত মনেৰে টোপনিয়াব পাৰিব সি। পুলিচক খবৰ দিবলৈ যুগলৰ সাহস নুকুলাব। যুগলৰ পত্নী মালাৰ কথা অৱশ্যে সুকীয়া। মালাই যদি কথাৰ চলতে অইন কাৰোবাক কৈ দিয়ে যে কুমাৰ দাস নামৰ মানুহ এজন সিহঁতৰ ঘৰত থিতাপি লৈছেহি বুলি.......

ওহো মালাই সেইটো ভুল কৰিব নোৱাৰে। অন্ততঃ যুগলে কৰিব নিদিয়ে।

কিন্তু মালা ক'ত? আছে জানো এই সৰু ঘৰটোত?

কুমাৰৰ ভাব হ'ল কাষৰ ডাইনিং ৰুমটোত কোনোবাই খুপি খুপি খোজ কাঢ়িব ধৰিছে। কুমাৰে একে জাপে বহাৰ পৰা উঠি বন্ধ হৈ থকা দৰ্জাখন যৎসামান্য ফাঁক কৰি দিলে। অন্ধকাৰ ডাইনিং ৰুমটো কুমাৰৰ চকুত পৰিছে এতিয়া।

'মই যাওঁ। তুমি দৰ্জাখন বন্ধ কৰি সোমাই থাকিবা।'

'মোৰ ভয় লাগিছে।'

'মুঠেই ভয় নকৰিবা। তোমাৰ হাতত লডেড ৰিভলভাৰ এটা আছেই।' যুগলে ফুচফুচাই কোৱা শুনিলে কুমাৰে।

কুমাৰে দেখিলে যুগলে ভৰ যৌৱনা যুৱতী এগৰাকীক সাৱতি ধৰি ওঠত চুমাৰ পৰশ দিছে। হয়তো এইয়াই মালা, কুমাৰে অনুমান কৰিলে।

যুগল ডাইনিং ৰুমৰ পৰা ওলাই গ'ল। পিছে পিছে মালা। কিন্তু এমিনিটমান পিছতে মালা আকৌ উভতি আহিল। ষ্টৰ ৰুমটোৰ বন্ধ হৈ থকা দৰ্জাখনলৈ চালে এবাৰ মালাই।

কুমাৰে দৰ্জাখন আকৌ অলপ ফাঁক কৰি দি ওলাই আহিল।

মালা এখোজ পিছুৱালে।

'যুগল ক'লৈ গ'ল?' কুমাৰে সুধিলে। তাৰ অনুমান হ'ল তাৰ মাতৰ গহীনতা খিনি এতিয়া যেন নাই, বৰ ৰোমাণ্টিক হৈ পৰিছে কণ্ঠস্বৰ।

মালাই একো উত্তৰ নিদিলে।

আৰু দুখোজ পিছুৱাই আহি মালা বেডৰুমটোলৈ সোমাই গৈ ভিতৰৰ পৰা দৰ্জাখন বন্ধ কৰি দিলে।

৩

যুগলৰ ঘৰটো একাষৰীয়া। ঘৰটোৰ সন্মুখেৰে যোৱা কেঁচা মাটিৰ পথটোৰে

বেছ কিছুদূৰ আগুৱালেহে ষ্টাফ কোৱাৰ্টাৰ বিলাক পায়। আৰু তাৰ কিছু নিলগত পাৱাৰ হাউচটো আছে।

যুগলে দূৰৈৰ পৰাই দেখিলে পাৱাৰ হাউচটোৰ অফিছ ৰুমটো অন্ধকাৰ হৈ আছে। তাৰ অৰ্থ হ'ব চাব জুনিয়ৰ ইঞ্জিনীয়াৰ মহিম শইকীয়া নাই!

যুগলে খৰকৈ খোজ দি পাৱাৰ হাউচ পালেহি। অফিচ কোঠাত কাকো নেদেখি যুগল কণ্ট্ৰল ৰুম পালেহি।

কণ্ট্ৰল ৰুমত মাথো জগদীশ ছেত্ৰী টোপনিয়াই বহি আছিল।

যুগলৰ মাতত খপজপাই উঠি জগদীশ ছেত্ৰীয়ে চেলাম দিলে।

'শইকীয়া ক'ত আছে?'

'অলপ আগতে ওলাই গ'ল।'

'ক'লৈ?'

'আচাম ৰাইফলছৰ মেছেঞ্জাৰ এজন আহিছিল। তেঁৱে মটৰ চাইকেলত উঠাই লৈ গ'ল। কিবা জৰুৰী সকাম আছে হেনো, সেই দেখি আপোনাকো খবৰ দিব নহ'ল।' জগদীশে ক'লে। যুগলৰ ভাব হ'ল তাৰ অন্তৰাত্মা যেন কঁপিছে, খৰকৈ।

যুগল কণ্ট্ৰলৰুমৰ পৰা ওলাই আহি বাৰান্দাত ভৰি দিলে। আঁতৰত ষ্টাফ কোৱাৰ্টাৰ বিলাকৰ বাৰান্দাত জ্বলি থকা লাইটবোৰ সৰু একোটা বিন্দু যেন লাগিছে।

যুগলে ছিগাৰেট এটা জ্বলাই মাত দিলে, 'জগদীশ।'

জগদীশ দৌৰি আহিল।

'জীপখন আছে নে?' যুগলে সুধিলে।

'আছে।'

'পেট্ৰল কিমান আছে?'

'বিশ লিটাৰ মান আছে কিজানি।'

যুগলে কিবা এটা হিচাব কৰি চালে। তাৰপিছত সুধিলে, 'তই কাম এটা কৰিব পাৰিবি?'

জগদীশ কৌতুহলী হ'ল। এই প্ৰথম বাৰৰ কাৰণে যুগলে তাৰ নিচিনা সামান্য ইলেকট্ৰিছিয়ান এটাৰ লগত বৰ আন্তৰিকতাৰে কথা পাতিছে।

'কি কাম কওঁক।'

'কামটো নিচেই সামান্য।' যুগল কিছুপৰ ৰ'ল। সি আকৌ ভাৱি চালে। তাৰ কথাত যদি জগদীশে অসন্মতি প্ৰকাশ কৰে তেতিয়া যে তাৰ সমস্ত আঁচনিখনেই পণ্ড হৈ যাব। তাৰ ওপৰতো সন্দেহ হ'ব পাৰে।

'আচ্ছা! তোৰ সেই লালুক থানাৰ পুলিচ কেচটোৰ কি হ'ল?' যুগলে হঠাতে সুধিলে।

'মানে....' জগদীশে সেপ ঢুকিলে।

যুগলে দেখিলে জগদীশৰ বগা মুখখনে নিমিষতে বৰণ সলাইছে। যুগলৰ ওঁঠত ক্ৰুৰ হাঁহি এটা বিৰিঙিলে। সঠিক সময়ত কথাটো মনত পৰাৰ কাৰণে নিজকে সি ধন্যবাদ দিলে।

এমাহমান আগতে চুলাই মদৰ বিক্ৰীৰ কেচ এটাত পৰিছিল জগদীশ ছেত্ৰী। টকা সিকা দি জেলত ভাত খোৱাৰ পৰা সেইবাৰলৈ বুলি কোনো ৰকমে বাচিছিল সি। কিন্তু কেচটো এতিয়াও কৰ্টত চলি আছে, আৰু জগদীশে জানে লালুক থানাৰ অ' চি যুগলৰ বন্ধু। তেনেস্থলত যুগলে মাথো এবাৰ কথা ক'লেই........

'তই চিন্তা নকৰিবি। মই আছো।' যুগল ৰ'ল। জগদীশে তাৰ চকুলৈ চাই আছে, নীৰবে। যুগলে এইবাৰ গহীনাই ক'লে, 'শুন। তই জীপখন লৈ ডফলা গাওঁলৈ যাব লাগিব। ডফলা গাওঁৰ গাওঁবুঢ়াক মোৰ কথা কৈ কবি গেগং লগীক মই বিচাৰিছো বুলি আৰু তাৰ পিছত তই গেগং লগীক লৈ আহিব লাগিব। গেগং লগীক তই মোৰ ঘৰলৈ নিনিবি। তোৰ ঘৰতে ৰাখিবি। কোনোবাই যদি তোক সোধে ক'লৈ গৈছিলি; তেতিয়া তই ভুলতো মোৰ কথা ক'ব নোৱাৰ। লাইন ৰিপিয়াৰিং কৰিব গৈছিলো বুলি কবি। আৰু শুন! এতিয়া দহটা বাজিছে। তই এঘাৰটা বজাৰ আগেয়ে লগীক লৈ এইখিনি পাব লাগিব।'

জগদীশৰ চকুৱে-মুখে আতংকৰ অভিব্যক্তি এটা ফুটি উঠা দেখি যুগলে সুধিলে, 'কি হ'ল তোৰ?'

'মানে ডফলা গাওঁৰ গেগং লগীক পুলিচে মাৰ্ডাৰ কেচ এটাত বিচাৰি আছে বুলি শুনিছো। তেওঁক লগ নাপাবও পাৰো। আৰু পালেও ইয়াত তাৰ লগত কোনোবাই মোক দেখিলে.....'

'তই মুঠেই চিন্তা নকৰিবি। গেগং লগীক ডফলা গাওঁৰ গাওঁ বুঢ়াৰ ঘৰত লগ পাবিয়েই। মোৰ কথা ক'লে সি জৰুৰ তোৰ লগত আহিব। আৰু তোৰ লগত গেগং লগীক কোনেও নেদেখে। কাৰণ তোৰ ঘৰটো আমাৰ পাৱাৰ হাউচ ষ্টেচনৰ সৰ্বশেষ মূৰত আৰু এই

ৰাতিখন কিমিন নদীৰ ওচৰত থকা তোৰ ঘৰলৈ বুলি কোনেও হাৰা খাব নাযায়।'

জগদীশ তথাপিও নিথৰ হৈ ঠিয় হৈ ৰ'ল।

যুগলে পেণ্টৰ পকেটতো খেপিয়াই চালে। হাতৰ মুঠিত নোটৰ বাণ্ডিল এটা উলিয়াই আনি সি জগদীশলৈ আগবঢ়াই দিলে।

জগদীশে ইতস্ততঃ কৰি লওঁ নলওঁকৈ অৱশেষত বাণ্ডিলটো হাত পাতি ল'লে। তাৰ পিছত চেলাম এটা দি সি বাৰান্দাখনৰ পৰা নামি গ'ল। কেইমিনিটমান পিছত যুগলে দেখিলে গেৰেজৰ দৰ্জাদুখন মেল খাইছে। জগদীশে জীপখন থেলি আনিছে। সেইখিনিৰ পৰা পথটো ক্ৰমান্বয়ে হেলনীয়া। ষ্টাৰ্ট নকৰাকৈয়ে জীপখন বহুদূৰ তললৈ যাব পাৰি।

যুগলৰ ভাৱ হ'ল জীপখন যেন গেৰেজৰ পৰা অলপদূৰ গৈয়ে ৰৈ গৈছে।

কিন্তু হেলনীয়া পথটোত সাধৰণতে জীপখন ষ্টাৰ্ট নকৰে। জীপখন ৰৈ যাবলৈ হ'লে নিশ্চয় ব্ৰেক ধৰিব লাগিব। কিন্তু জগদীশেতো সেইখিনিতে ব্ৰেক ধৰাৰ কোনো আৱশ্যক নাই। হয়তো অইন কোনোবা এজন উঠিছে জীপখনত!!

যুগল বাৰান্দাৰ পৰা নামি আহিল।

জীপখনে আকৌ গতি লৈছে।

যুগলে টৰ্চটো উলিয়াই ল'লে। যুগলৰ ভাৱ হ'ল লেফ্‌ট হেণ্ড ড্ৰাইভিঙৰ জীপখনৰ সোঁফালে কোনোবা এটা বহি আছে। তেন্তে জীপখনত জগদীশৰ বাহিৰে দ্বিতীয় ব্যক্তি এজনো আছে!

যুগলে জগদীশ বুলি চিঞৰিছিল। কিন্তু জীপখন নৰ'ল। এঢলীয়া পথটোৰে জীপখন তেতিয়া ক্ৰমাশঃ দ্ৰুত গতিৰে নামি গৈছিল।

'কাক মাতিছিলে চাৰ?'

উচপখাই উঠি যুগলে পিছলৈ ঘুৰি চালে। চাব জুনিয়ৰ ইঞ্জিনীয়াৰ কিশোৰ গগৈ নিঃশব্দে তাৰ পিছফালে ঠিয় হৈছে।

'নাই.... মানে জগদীশক বিছাৰিছিলো... কিন্তু আপুনি এই অসময়ত ... মোৰ ঠিক মনত আছে আপুনি আজি ছুটী বিচাৰিছিল...'

'হয় চাৰ। কিন্তু অলপ আগতে মহিম শইকীয়া মোৰ ঘৰলৈ আহি ক'লে যে তেওঁ আছাম ৰাইফলচৰ কেম্পলৈ যাব লগীয়া হৈছে, সেই দেখি তেওঁৰ হৈ যেন মই ডিউটী কৰো.....'

'কিন্তু তেওঁ তালৈ গৈছে কিয়?'

'ক'ব নোৱাৰো। সোধোতে মাথো কৈছিলে ভীষণ জৰুৰী সকাম বুলি।'

'তেন্তে মোক খবৰ নিদিলে কিয় ?' যুগলে সুধিলে।

গগৈয়ে একো নক'লে। যুগল নীৰৱ। তাৰ মনটো বিক্ষিপ্ত ভাৱনাৰে উত্তপ্ত হৈ পৰিছে।

'চাৰ!' বহুপৰৰ পিছত গগৈয়ে মাত লগালে।

'অসম্ভৱ।'

'মুঠেই অসম্ভৱ নহয়।'

'আপুনি বিশ্বাস কৰক নকৰক, আমি ডাঠি ক'ব পাৰো যে কুমাৰ দাস নামৰ পলাতক অপৰাধী এজন এতিয়া কিমিনত আশ্ৰয় লৈছে। অইনতো নহয়, ইলেকট্ৰিচিটি বৰ্ডৰ পাৱাৰ হাউচ ষ্টেচনৰ ষ্টাফ কোৱাৰ্টাৰ বিলাকৰ কোনোবা এটাত।'

'মিছা কথা।'

'শুনক মিঃ শইকীয়া।' আছাম ৰাইফলছৰ লেফটেনেণ্ট জন চাংমাই মাত লগালে ' কুমাৰ দাস বিশ্বনাথ চাৰি আলিৰ পৰা ট্ৰাক এখনেৰে উঠি আহি কিমিনলৈ সোমোৱা পথটোৰ ওচৰত নামি গৈছিল। ৰাতিখন তেনেকুৱা এখন আচহুৱা ঠাইত মানুহ এজন নামি যোৱা দেখি ট্ৰাক চালকজনৰ সন্দেহ হ'ল। ঠিক তেনেকুৱাতে আমাৰ মেছেঞ্জাৰ এজন মটৰ চাইকেলেৰে উত্তৰ লক্ষীমপুৰৰ পৰা আহি সেইখিনি পাইছিলহি। ট্ৰাক চালকজনে মানুহজনক অৰ্থাৎ কুমাৰ দাসক আমাৰ মেচেঞ্জাৰজনৰ লগত যাবলৈ পৰামৰ্শ দিলে। মেছেঞ্জাৰ জনৰো একো আপত্তি নাছিল।'

'তাৰ পিছত ?' সুধিলে মহিম শইকীয়াই।

'কিন্তু মানুহজনে নুশুনিলে। ট্ৰাকচালকজনো গুছি গ'ল। আনপিনে আমাৰ মেছেঞ্জাৰ জনে উত্তৰ লক্ষীমপুৰ থানাত শুনি আহিছিল কুমাৰ দাস নামৰ অপৰাধী এজন বিশ্বনাথ চাৰি আলিৰ পৰা এইটো দিশেৰে আহি আছে বুলি।'

'কিন্তু সেইটোৱে মানুহজন যে কুমাৰ দাস তাৰ কোনো প্ৰামাণ নিদিয়ে।'

'দিয়ে। শুনক। মানুহজন তড়িৎ গতিৰে তাৰ পৰা নোহোৱা হ'ল। মেচেঞ্জাৰজনে সন্দেহবশতঃ লালুক থানা পালেগৈ। তাত কুমাৰ দাসৰ ফটো এখন আছিল। ফটোখনৰ চেহেৰাৰ লগত মানুহজনৰ অদ্ভুত মিল।'

'কি ?'

'অ' মেছেঞ্জাৰ জন ঘূৰি আহিল। আমাৰ কেম্প পাৰ হৈ আপোনালোকৰ

ষ্টেচনলৈ যিটো ৰাস্তা গৈছে ঠিক সেইখিনিতে আকৌ এবাৰ ছকামকাকৈ দেখিলে তেওঁক। মেছেঞ্জাৰজনে এইবাৰ খোজকাঢ়িয়ে পিছ ল'লে। আপোনাৰ ঘৰটো এৰি....'

'কি?'

'ভয় নাখাব। আপোনাৰ ঘৰত সোমোৱা দেখা নাই। আপুনি নিশ্চয় জানে আপোনাৰ ঘৰটো এৰি ফুটবল ফিল্ড এখন আছে। কিন্তু ফুটবল ফিল্ডখন পাৰহৈ কুমাৰ দাসযে ক'ত হেৰাই গ'ল মেছেঞ্জাৰ জনে ধৰিব নোৱাৰিলে।'

চাংমা ৰ'ল। মহিম শইকীয়াই হুমুনিয়াহ এৰিলে।

'আমি পুলিচক খবৰ দিছো। এছ. পি. এতিয়া লালুক থানাত আছে। খুব সম্ভৱ অলপ পিছতে এইখিনি পাবহি।'

'কিন্তু মোৰ ইয়াত কৰিবলগীয়া কি আছে? কুমাৰ দাসক মই চিনি নাপাওঁ।'

'আপুনি চিনি নাপায়। অইন এজনে পায়, আৰু সেইজনৰ ঘৰতে কুমাৰ দাসে আশ্ৰয় লৈছে।' লেফটেনেণ্ট চাংমাই সুধিলে, 'কওঁকছোন আপোনালোকৰ শাৰীত কেইটা ঘৰ আছে?'

'নটা।'

'কৈ যাওঁক।'

'মোৰ। চাব জুনিয়ৰ ইঞ্জিনীয়াৰ প্ৰণৱ পাঠক, প্ৰদীপ দাস, কিশোৰ গগৈ আৰু মুকুট চৌধুৰী। একাউণ্টেন ভদ্ৰ নাথ। অফিচ এচিটেন্ট ভৱেন ব্ৰহ্ম, কণ্ট্ৰলাৰ সুকুমাৰ পেগু, আৰু পৰিচালক ইঞ্জিনীয়াৰ যুগল দত্ত। এই শাৰীটো এৰিবাৰ ঘৰ মেকানীক, চকীদাৰ জাতীয়ৰ ঘৰ।'

'বছ, এই খিনিয়েই?'

'অ। পিছে অলপদূৰ গ'লেই নেপালী কিছুমানৰ গৰুৰ খুঁটি আছে। আকৌ নদীখন পাৰ হ'লেই অৰুণাচল প্ৰদেশৰ ডফলা গাওঁ বোৰতো আছেই।'

'তেন্তে কুমাৰ দাসক বিচাৰি পোৱাটো সহজ নহ'ব।'

'সহজ হ'বও পাৰে, কাৰণ এই এঘৰকেশ ঘৰ চাৰ্চ কৰোতে এঘণ্টাও নালাগে।'

'এঘণ্টা নালাগিব পাৰে, কিন্তু কুমাৰ দাসক আমি নাপাবও পাৰো। কুমাৰ দাস অতিশয় ধুৰন্ধৰ অপৰাধী। আমাৰ মেছেঞ্জাৰে আপোনাক লৈ অহা তেওঁ নিশ্চয় গম পাই গৈছে। ইয়াৰ পিছত অনুমানতে তেওঁ পৰিস্থিতিটো উপলব্ধি কৰি ল'ব পাৰিব। আনপিনে...'

'আনপিনে কি?' শইকীয়াই সুধিলে।

'আপুনি জানে কিমিনখন অসম অৰুণাচলৰ সীমামুৰীয়া অঞ্চল। কাষৰ ডফলাবোৰে প্ৰায়ে দিগদাৰী লগাই থাকে। গতিকে কিমিনত অত্যাধিক আছাম পুলিচৰ উপস্থিতিয়ে গুৰুত্বৰ ল এণ্ড অৰ্ডাৰৰ পৰিস্থিতি সৃষ্টি কৰি দিব পাৰে।'

'তেন্তে?'

'আমি এতিয়া এচ. পিৰ. কাৰণে বাট চাই ৰ'ব লাগিব।'

'কিন্তু লালুক থানাত এতিয়া কি কৰি আছে তেওঁ?'

চাংমাই হাঁহিলে। শইকীয়া অপ্ৰস্তুত হৈ সুধিলে 'হাঁহিলে যে?'

'এছ. পিৰ মতে আপোনালোকৰ কোনোবা এজনৰ লগত কুমাৰ দাসৰ সম্পৰ্ক এটা থাকিবই লাগিব যিটো সম্পৰ্কৰ তাড়ণাত পৰি কুমাৰ দাস কিমিনলৈ বুলি দৌৰি আহিছে। হয়টো সেইজন আপুনিও হ'ব পাৰে, যুগল দত্ত হ'ব পাৰে; অথবা চকীদাৰজন নতুবা আন কোনোবা এজন।'

শইকীয়াই একো নক'লে। ঘড়ীটো চোৱা দেখি চাংমাই সুধিলে, 'কেইটা বাজিছে?'

'দহটা।'

লেফঃ চাংমা কাষৰ কোঠাটোলৈ বুলি ওলাই গ'ল। শইকীয়াই দৰ্জাৰ ফাঁকেৰে দেখিলে চাংমাই টেলিফ'নৰ ৰিচিভাৰটো ডাঙি লৈছে। শইকীয়া উৎসুক হ'ল।

লেফঃ চাংমা কিছুপৰৰ পিছতে উভতি আহিল।

'আপোনালোকৰ পাৱাৰ হাউচত কোন আছে এতিয়া?' সুধিলে তেওঁ।

'জগদীশ ছেত্ৰী বোলা ইলেকট্ৰিচিয়ান এটা আৰু চাব জুনিয়ৰ ইঞ্জিনীয়াৰ কিশোৰ গগৈ থাকিব লাগে।'

'মই ফোন কৰিছিলো। কোনেও নধৰিলে।'

'তাৰমানে?'

'ক'ৰবাত কাণ্ড এটা ঘটিছে। ইয়াত নহয়। মোৰ বোধেৰে আপোনালোকৰ পাৱাৰ হাউচত।'

৫

মালাৰ টোপনি অহা নাই। কিবা এটা অচিনাকী অনুভূতিয়ে তাইৰ সমস্ত সত্বা নচুৱাই আছে। মালাৰ দুচকু জাপ যোৱা নাই। চিলিঙলৈ চাই চাই তাই মাথো ভাৱিছে।

মালাৰ অন্তৰত মাথো এতিয়া এজন পুৰুষৰ ছবি।

সুপুৰুষ। সেইজন যুগল নহয়। কুমাৰ।

অন্ধকাৰ ডাইনিং কোঠাটোত মালাই কিজানি আধামিনিট অথবা তাতকৈ কম সময়ৰ কাৰণেহে কুমাৰক দেখিছিল। এতিয়া মালাৰ ভাৱ হ'ল এই চব্বিশ বছৰীয়া জীৱনটোত তাই এই প্ৰথমবাৰৰ কাৰণে এক সীমাহীন দেহজ উত্তেজনা অনুভৱ কৰিছে। অন্ধকাৰত দেখা কুমাৰৰ প্ৰতিচ্ছৱিখনকে বাৰেপতি মালাই মনত পেলাই আছে। মালাই জানে এইয়া অন্যায়। বিবাহিতা তিৰোতা এগৰাকীৰ কাৰণে এইয়া পাপ। তথাপিও....

সমগ্ৰ জীৱনটোৰ মাত্ৰ কেইটামান মূহুৰ্ত্তৰ কাৰণে তাই জানো এটা ভুল বা পাপ কৰিব নোৱাৰে?

যুগলেও কৰিছিল। আৰু এতিয়া তাই কৰিলেও....

হঠাতে মালাৰ ভাৱ হ'ল ডাইনিং ৰূমত এটা যেন শব্দ হৈছে।

মালা উচপখাই উঠিল। কিছুপৰৰ পিছত তাইৰ কাণত পৰিল ' মিচেচ দত্ত!'

মালাৰ সিৰা উপসিৰাৰ মাজেৰে কামনাৰ ঢৌ বৈ গ'ল।

' মিচেচ দত্ত!' আকৌ মাতিলে কুমাৰে।

মালা বিছনাখনৰ পৰা উঠি বাহিল। তাই গোটেই মানুহজনী কঁপিছিল। ভয়ত নহয়। কিবা এটা সম্পূৰ্ণ অচিনাকী তাড়নাই তাইক কঁপাই গ'ল।

মালাই গাৰুৰ তলৰ পৰা ৰিভলভাৰটো তুলি আনিলে।

' মিচেচ দত্ত। দুৱাৰখন খোলকছোন।'

মালা দুখোজমান আগুৱাই গৈয়ে ৰৈ গ'ল। তাই আকৌ শুনা পালে ' ৰিভলভাৰটো লগত লোৱাৰ একো দৰকাৰ নাই মিচেচ দত্ত।'

মালাই দুইমিনিটমান পিছতে দৰ্জাখন খুলি দিলে।

এবাৰ কুমাৰৰ চকুৰে চকুৰে চালে মালাই। তাৰপিছত চকুহালৰ দৃষ্টি নমাই আনিলে।

' মই জানিছিলো আপুনি দৰ্জাখন খুলিবই বুলি।' কুমাৰ এখোজ আগুৱাই মালাৰ হাতখনৰ পৰা ৰিভলভাৰটো আলফুলে বুটলি লৈ মাত লগালে ' আপোনাৰ হাতত ৰিভলভাৰ এটা নুশুৱাই মিচেচ দত্ত। তদুপৰি এইটো আপোনাৰ নহয়, যুগলৰো নহয়। মোৰ। ময়ে যুগলক দিছিলো।'

মালাই একো নক'লে। তাই তললৈ মূৰ কৰি থাকিয়েই দেখিলে কুমাৰৰ ভৰি দুখন তাইৰ ওচৰৰ পৰা আৰু মাত্ৰ এহাত দূৰত্বত ৰৈ আছে।

' আপোনাক মই মালা বুলিয়েই মাতিম। আপুনিও নহয়, তুমি বুলি ক'ম। ইমান ওচৰ চাপি অহাৰ পিছত আপুনি কোৱাৰ কোনো অৰ্থ নাথাকে।' কথাষাৰ কৈয়ে কুমাৰে আলফুলে মালাক আকোৱালি ল'লে।

মালা যেন বৰ লেতুসেতু। অসহায়।

মালাৰ উশাহ নিশাহ ঘন হ'ল। তাইৰ চঞ্চলা হাতদুখনে কুমাৰৰ বহল পিঠিখন খেপিয়াই ধৰিলে।

' যুগল ক'লৈ গ'ল?' কুমাৰে সুধিলে।

' পাৱাৰ হাউচলৈ।' মালাৰ চুটি উত্তৰ।

' যাওঁতে কিবা কৈ গৈছিল?'

' শেষৰাত্ৰিহে উভতিব বোলে। কাষৰ ডফলা গাওঁখনলৈও যাব।'

কুমাৰে ততালিকে একো নুসুধিলে। সি বুজি পালে যুগলে শেষ সিদ্ধান্তটো লৈ পেলাইছে। কিন্তু ডফলা গাৱঁলৈ বুলি যুগল যাব কিয়? নিশ্চয় এনে কোনোবা মানুহক সি লগ ধৰিবলৈ গৈছে যিজনে কুমাৰক হত্যা কৰিবলৈ সন্মতি দিব। কি কৰিব এতিয়া সি?

এফালে পুলিচ, অইনফালে যুগলৰ......

' মালা!'

' হু।'

কুমাৰে কিবা ক'ব ওলাইছিল। নক'লে। সি বুজিলে মালাই এতিয়া তাৰ মুখৰ পৰা কোনো কথাই শুনিব নোখোজে। মালা এতিয়া উত্ৰাৱল। কুমাৰে মালাৰ ককালত ধৰি বিছনাখনলৈ বুলি টানি লৈ গৈ আলফুলে বিছনাখনত শুৱাই দিলে।

কুমাৰৰ এইখিনি সময়ত সময়জ্ঞান নাথাকে।

হঠাতে ঘড়ীটোলৈ চকু পৰাত কুমাৰ চমকি উঠিল। আধাঘন্টা পলকতে উৰি গ'ল।

কুমাৰ উঠি বহিল। তেতিয়াই খিৰিকীখনলৈ চকু গৈছিল কুমাৰৰ। খিৰিকীৰ বগা পৰ্দাখনেদি টৰ্চৰ পোহৰৰ ৰেখা এডাল দেখা পালে কুমাৰে। কুমাৰে ততালিকে বিছনাখনৰ পৰা নামি খিৰিকীখনৰ পৰ্দাৰ ফাঁকেৰে বাহিৰলৈ চালে।

বাহিৰৰ অন্ধকাৰ পথটোৰে মানুহ এজন আগবাঢ়ি গৈছে।

'মালা!'

মালা উঠি আহিল। শৰীৰত বিছনা চাদৰখন।

'তুমি এবাৰ চোৰাছোন মানুহজনক চিনি পোৱা নেকি।'

মালাই জুমি চালে। ক'লে, 'কিশোৰ গগৈ যেন লাগিছে। সেই খোজ... সেই হালি পৰা পিঠিখন..... এইয়া কিশোৰ গগৈ হ'বই লাগিব। কিন্তু..... আজিতো গগৈয়ে ছুটী লৈছে...।'

'তেন্তে.....' বিৰবিৰালে কুমাৰে। অলপ পিছত সি সুধিলে, 'মালা! তুমি বাৰু শুই থাকোতে কোনোবা অহা-যোৱা কৰাৰ শব্দ শুনিছিলা নেকি?'

মালাই চিন্তা কৰিলে। কুমাৰে ক'লে, 'ভালদৰে ভাবি চোৱা।'

'মটৰ চাইকেল এখন গৈছিল হ'ব পায়। এঘণ্টামানেই হ'ল কিজানি!'

'পাৱাৰ হাউচৰ কাৰোবাৰ হাতত মটৰ চাইকেল আছে নে?'

'কাৰো নাই। ওচৰৰ আছাম ৰাইফলৰ কেম্পটোতহে আছে।'

কুমাৰে সঁচাকৈয়ে এইবাৰ ভয় খালে। বিপদ ওচৰ পালেহি। সি ভৱাতকৈ বহু আগতে।

'মালা, তুমি এতিয়া মোক সহায় কৰিব লাগিব। তোমাৰ লডেড ৰিভলভাৰটো মোক দিব লাগিব। আৰু.....'

৬

'কেইটা বাজিছে এতিয়া গগৈ?'

'এঘাৰটা।'

হুমুনিয়াহ পেলালে যুগলে। পল অনুপলবোৰ বৰ খৰকৈ আগুৱাইছে।

'আপুনি চাৰ ঘৰলৈকে যাওঁক। মহিম শইকীয়া নহালৈকে মই আছোৱেই। তদুপৰি জগদীশ ছেত্ৰী আৰু পুলক দাসো আছে।'

'পুলক দাসো আছে নেকি?'

'থাকিব লাগে। ৰিপেয়েৰিং চেকশ্যনটোত আজি তেওঁৰেই ডিউটি আছে।'

'আপুনি অলপ ৰ'বছোন।' কথাষাৰ কৈয়ে যুগলে খোজ পেলালে। কিশোৰ গগৈয়ে সুধি পেলালে, 'ক'লৈ যায় চাৰ?'

'বাথৰুমলৈ।' মিছা মাতিলে যুগলে।

কিন্তু যুগল কোঠাটোৰ পৰা ওলাই গৈ বাওঁহাতে বাথৰুমলৈ বুলি নুঘূৰি সোঁহাতে যোৱা দেখি সন্দেহৰ গোন্ধ পালে গগৈয়ে। তেৱোঁ বহাৰ পৰা উঠি দুৱাৰদলিত ঠিয় হ'ল। যুগল দত্তই বাৰু কিয় মিছাৰ আশ্ৰয় ললে.....!!

গগৈয়ে দেখিলে যুগল ৰিপেয়েৰিং চেকশ্যনৰ দিশলৈ খৰকৈ খোজ কাঢ়িছে। যুগলে সঁচাকৈয়ে তড়িৎ গতিৰে খোজ কাঢ়িছে।

যুগলক সশৰীৰে এই অসময়ত ৰিপেয়েৰিং চেকশ্যনৰ দুৱাৰমুখত ঠিয় হোৱা দেখি অকলশৰীয়াকৈ বহি থকা মেকানিক সুভাষ পায়েং বিবুদ্ধিত পৰিল।

ঠিয় হৈ চেলাম দিলে পায়েঙে। যুগলে সুধিলে, 'পুলক দাস নাই?'

'আছিল। অলপ আগতে ওলাই গ'ল।' পায়েঙে ক'লে।

'ক'লৈ গ'ল?' যুগলৰ কণ্ঠস্বৰ গহীন, ৰুক্ষ।

'ছিগাৰেট এটা খাই আহোঁ বুলি কৈ সৌ বাৰান্দাখনেদি নামি বাহিৰলৈ গৈছিল। আধাঘণ্টামানেই হ'ল কিজানি। তাৰপিছত আৰু তেওঁ উভতি অহা নাই।'

'মোক ইনফৰ্ম নকৰিলা কিয়?'

'কৰিবলৈ গৈছিলো। কিন্তু কণ্ট্ৰল ৰূমত কাকো দেখা নাপালো। মই গৈ পোৱাৰ আগলৈকে টেলিফ'নটোও বাজি আছিল। টেলিফ'নটো ধৰিবলৈও কণ্ট্ৰলৰূমত কোনো নাছিল।'

'তুমি টেলিফ'নটো ধৰিছিলা?'

'মই গৈ পোৱাৰ লগে লগে টেলিফ'নটোও বজা বন্ধ হ'ল।'

যুগল আৰু তাত নৰ'ল, সি ওলাই আহিল। বাৰান্দাখনত কম পাৱাৰৰ লাইট এটা জ্বলি আছিল। লাইটটোৰ পোহৰ সমুখৰ মুকলি ঘাঁহনি ডৰাত পৰিছে। যুগলে ঘাঁহনি উঁৰাত ভৰি দিলে। কেইখোজমান গৈয়েই সি ৰৈ দিলে। ঠাইখিনি অন্ধকাৰ। তাৰ পিছফালে ৰিপেয়েৰিং চেকশ্যনৰ সমুখৰ বাৰান্দাখন। সন্মুখৰ কিছু আঁতৰত মটৰ গেৰেজটো। তাৰমানে.....!!

যুগলে মটৰ গেৰেজটোত ভুমুকি মাৰি অন্ধকাৰেদি অগ্ৰসৰ হ'ল।

সুভাষ পায়েঙে দহমিনিট মানলৈ বাট চাই অৱশেষত উধাতু খাই দৌৰি গ'ল। কিশোৰ গগৈ তেতিয়াও কণ্ট্ৰল ৰূমতে বহি আছিল।

'কি হ'ল তোৰ?' সুধিলে গগৈয়ে।

'চাৰো হেৰাই গ'ল।'

'কাৰ কথা কৈছ তই? কোন হেৰাই গ'ল?'

'দত্ত চাৰ কিছুসময় আগতে ৰিপেয়েৰিং চেকশ্যনলৈ আহি......' কথাখিনি সংক্ষেপে বৰ্ণাই উঠি পায়েঙে ক'লে, 'মোৰ মনে ধৰিছে ক'ৰবাত কিবা এটা কাণ্ড ঘটিছে।'

গগৈ দোমোজাত পৰিল। সুধিলে, 'পাৱাৰ হাউচত এতিয়া কিমান জনে ডিউটি কৰি আছে?'

'অকল আপুনি আৰু মই।'

'কি?' আতংকত চিঞৰি উঠি গগৈয়ে সুধিলে, 'কিয় জগদীশ?'

'কোনো নাই। জীপখনো নাই দেখোন।'

গগৈয়ে কিবা ভাবি হঠাতে টেলিফোনটোৰ ডায়েল ঘুৰালে। পায়েঙে সুধিলে, 'ক'লৈ ফোন কৰিছে চাৰ?'

'দত্ত চাৰৰ ঘৰলৈ। তেখেত কিজানি ঘৰলৈ গৈছে।'

সুভাষে কিবা ক'ব ওলাইছিল, নক'লে।

'হেল্ল! মই কিশোৰ গগৈয়ে কৈছো। চাৰ নাই নেকি?.... কি.... কিন্তু চাৰতো পাৱাৰহাউচ এৰি কেতিয়াবাই ওলাই গ'ল.... জীপখনো নাই..... হয়.... থৈছো।' ফোনটো থৈ দিলে গগৈয়ে।

'আচ্চা! চাৰৰ ঘৰত আজি কোনোবা আহিছে নেকি?'

'ক'ব নোৱাৰো।'

'কোনোবা মতা মানুহৰ কণ্ঠস্বৰ শুনা যেন লাগিল প্ৰথমে। পিছত অৱশ্যে বাইদেৱে ধৰিলে। থাওঁক সেইবোৰ।'

গগৈয়ে আকৌ ৰিছিভাৰটো উঠাই লৈ ডায়েল ঘূৰালে। আধা মিনিটমান কথাপাতি ফোনটো থৈ তেওঁ পায়েঙলৈ চাই ক'লে, 'তই কলৈকো নাযাবি। মই আছাম ৰাইফলচৰ কেম্পলৈ ফোন কৰিছিলো। শইকীয়া চাৰ, এছ. পি. আৰু লেফটেনেণ্ট চাহাবৰ সৈতে আহি আছে বোলে। কিন্তু ... এছ. পি আৰু লেফটেনেণ্ট চাহাব লগত অহাৰটো কোনো আৱশ্যক নাই।'

৭

'মোৰ বৰ ভুল হ'ল। সাংঘাতিক ভুল হ'ল।'

'কিহৰ ভুলৰ কথা কৈছে?' মালাই সুধিলে।

'প্ৰথমে মই টেলিফোনটো ধৰিব নালাগিছিল। কিন্তু হঠাতে যে কি হৈ গ'ল।'

'তাৰ কাৰণে অকণো চিন্তা নকৰিব। ফোনটো গগৈয়েহে কৰিছিল।'

'কিন্তু তেঁৱো ইমান ৰাতি ফোন কৰাৰ আৱশ্যক হ'ল কিয়?' অলপপৰ বৈ কুমাৰে ক'লে 'যুগল নাই যেতিয়া সি সঁচাকৈয়ে ডফলা গাৱঁলৈ গৈছে। জীপখনো নাই বুলি গগৈয়ে কৈছে যেতিয়া মোৰ বোধেৰে সি জীপখন লৈ গৈছে। তেতিয়া হ'লে আৰু এঘণ্টা অথবা অতি বেছি দুঘণ্টাৰ ভিতৰত সি এইখিনি পাবহি। কিন্তু মই তাৰ আগেয়ে ইয়াৰ পৰা পলাব লাগিব।'

'কেনেকৈ পলাব? বাহিৰত বৰষুণ।' মালাই বাহিৰলৈ চাই ক'লে।

'বৰষুণলৈ মই ভয় নকৰো। ভয় কৰিছো পুলিচ আৰু যুগলৰ —'

মালাই লগে লগে মাত লগালে, 'যুগললৈ ভয় নকৰিলেও চলিব।'

'যুগললৈ মই ভয় নকৰো। তাৰ এধানিমানো সাহস নাই মোক হত্যা কৰিবলৈ। সেইদেখিয়ে সি ডফলা গাওঁৰ অইন কাৰোবাৰ সহায় বিচাৰিছে। মোৰ ভয় হৈছে সেই অজ্ঞাত ব্যক্তিজনলৈ। তোমাৰ যুগলৰ.....'

'মোৰ যুগলৰ বুলি নক'ব। যুগলক মই এতিয়া ঘিণ কৰো।'

'মালা!

'কি?'

'তুমি মোক সঁচাকৈয়ে বিচৰা?'

'অ। মাত্ৰ কেইটামান মূহুৰ্ত্তৰ কাৰণে নহয়। এটা ৰাতিৰ কাৰণেও নহয়। সহস্ৰ ৰাতিৰ কাৰণে।'

'তেনেহ'লে তুমি মোৰ লগত পলাব লাগিব। কিন্তু পদে পদে বিপদ, মৃত্যু, ভয়।'

'মই প্ৰস্তুত আছো। কিন্তু পলাব কেনেকৈ? ডফলা গাৱঁলৈ যাবই নোৱাৰি। ডফলাই কাটি থ'ব। আনপিনে পাহাৰেদিও পলাব নোৱাৰি। আছাম ৰাইফলছৰ নতুন ৰিক্ৰুইটবোৰে পাহাৰৰ য'তে-ততে কেম্প কৰি আছে। পলাবলৈ হ'লে ৰাস্তাৰে পলাব লাগিব। তাকো খোজকাঢ়ি নহয়, গাড়ী এখন লাগিবই।'

হঠাতে বাহিৰত মটৰৰ হৰ্ণ শুনি মালা উচপ্‌খাই উঠি কুমাৰলৈ চালে। কুমাৰে তড়িৎ গতিৰে খিৰিখীৰ কাষ চাপি পৰ্দাৰ ফাঁকেৰে বাহিৰলৈ জুমি চালে।

দুখন গাড়ী গৈ আছে।

এখন এম্বেচাডৰ। ওপৰত ৰঙা লাইট এটা এবাৰ জ্বলিছে, এবাৰ নুমাইছে।

পিছৰখন জীপ।

গাড়ীদুখন ধীৰ গতিৰে পাৱাৰ হাউচলৈ বুলি যোৱা পথটোৰে গৈ থকা দেখি কুমাৰ খিৰিকীৰ পৰা আঁতৰি আহিল।

কোঠাটো এতিয়া অন্ধকাৰ। অকল সি আৰু মালা।

মালাই শৰীৰত অকল বগা শাৰী এখন মেৰিয়াই লৈছে। কিন্তু কুমাৰ এতিয়া বেছ নিৰ্ব্বিকাৰ। মালাৰ দুচকুত দেহজ জিঘাংসা। যিকোনো মুহূৰ্ত্তত মালা তাৰ ওপৰত জপিয়াই পৰি পুনৰবাৰ তাক অৱশ কৰি দিব পাৰে। কিন্তু এতিয়া জানো মালাৰ সহায়ৰ আৱশ্যক আছে! হয়তো আছে, হয়তো নাই।

কুমাৰে খৰকৈ চিন্তা কৰিছে। ৰঙা লাইট এটা জ্বলি আছিল যেতিয়া গাড়ীখন হয় ডি. চি নতুবা এছ. পিৰ হ'ব লাগিব। কিন্তু ডি. চি. এই ৰাতিখন সদলবলে নাহে। আহিব এছ. পি। তেন্তে? পুলিচ ইমান সোনকালে তৎপৰ হ'ল কেনেকৈ?

হঠাতে কুমাৰৰ দুচকু তিৰবিৰাই উঠিল।

'মালা। তোমালোকৰ পাৱাৰ হাউচৰ ওচৰলৈ গাড়ী নিব পাৰি নে নোৱাৰি?'

'ঠিক ওচৰলৈ বুলি ক'ব নোৱাৰি। কিছু আঁতৰত এটুকুৰা সমতল ঠাইত গাড়ী ৰখাব লাগে। তাৰপৰা খোজ কাঢ়ি উঠি যাব লাগে।'

'তেন্তে এছ. পিৰ গাড়ীখনো তাতেই ৰৈ থাকিব, হয়নে?'

'এছ. পিৰ গাড়ী .....!' মালা আচৰিত হ'ল।

'অ। এইমাত্ৰ ৰঙা লাইট লগোৱা গাড়ীখন এছ. পিৰ। আমি সেইখনেৰে পলাব লাগিব। এছ. পিৰ. গাড়ী যেতিয়া ৰঙা লাইট জ্বলাই আমি নিৰ্ভয়ে ঢলপুৰ পাৰ হৈ যাব পাৰিম। অকল ঢলপুৰ কিয়, লক্ষীমপুৰ জিলা পাৰ হৈ আমি গুৱাহাটীলৈ নিশ্চিন্ত মনেৰে যাব পাৰিম। তাৰ কাৰণে তুমি ঘৰটোত মাথো আধা ঘণ্টামান অকলে থাকিব লাগিব।'

'আৰু যদি যুগল আহি ওলায়?'

'নাহে। আধাঘণ্টা খুব কম সময়। মাথো ত্ৰিছ মিনিট।'

কথাষাৰ কৈয়ে কুমাৰে বাহিৰৰ দৰ্জাখন খুলিবলৈ বুলি আগবাঢ়ি গ'ল।

৮

পাৰাৰ হাউচৰ পৰিবেশ এতিয়া গোমা, আতংকসনা।

এছ. পি কণ্ট্ৰলৰূমত বহিছে। তেওঁৰ ওচৰত লেফঃ চাংমা। কিছু আঁতৰত শইকীয়া। শইকীয়াই এবাৰ ঠিয় হৈ থকা কিশোৰ গগৈলৈ চাইছে , অইনবাৰ সুভাষ পায়েঙলৈ।

বহুপৰৰ মূৰত এছ. পিয়ে মাত লগালে , 'আপোনালোক এতিয়া যাব পাৰে। কিন্তু পাৰাৰ হাউচ এৰি ক'লৈকো নাযাব।'

গগৈ আৰু পায়েঙ গ'লগৈ।

'বৰা!' আকৌ চিঞৰিলে এছ. পিয়ে।

'য়েচ চাৰ।' লালুক থানাৰ অ. চি. সোমাই আহি চেলাম দিলে।

'গেৰেজটো চোৱা হ'ল নে?'

'হ'ল চাৰ। জীপখন কিমিন নদীৰ পাৰে পাৰে যোৱা ৰাস্তাটোৰে যোৱাৰ চিন আছে।'

'সেইফালে আপোনালোকৰ কোনোবা এমপ্লয়ীৰ কোৱাৰ্টাৰ আছে নেকি?' সুধিলে এছ. পিয়ে শইকীয়াক।

'নঘৰ ফৰ্থগ্ৰেড এমপ্লয়িৰ ঘৰ আছে।

'আৰু ৰাস্তাটো ক'লৈ গৈছে?'

'অৰুণাচল প্ৰদেশৰ বৰ্ডাৰলৈ।'

'অৰুণাচল বৰ্ডাৰ? তাৰমানে ডফলা গাওঁ?'

'ঠিকেই ধৰিছে আপুনি।' শইকীয়াই ক'লে।

'ডফলাবোৰে আৰু দিগদাৰী দিছেনে নাই?'

'এমাহমান হ'ল কোনো নতুন ঘটনা ঘটা নাই। কাৰণটো অৱশ্যে মোতকৈ অ. চি. বৰাইহে ক'ব পৰিব।' শইকীয়াই ক'লে। বৰাই মাত লগালে, 'মানে গেগং লগী বোলা সেই দাগী আচামীতো ডফলা গাৱঁত নাছিল। সেই কাৰণে......'

'কিন্তু....' এছ. পিয়ে ক'লে, 'এছ. বি ব্ৰাঞ্চৰ ডি. এছ পিয়ে ৰিপৰ্ট দিয়া মতে গেগং লগী ডফলা গাৱঁতে থাকিব লাগে। অইনত নহ'লেও গাওঁবুঢ়াৰ ঘৰত আৰু মই সেইকাৰণেই আছাম পুলিচৰ লোক আনিব পৰা নাই। ইহঁতে ছল পালেই বৰ্ডাৰ ডিচপিউট ঘটাব পাৰে।'

'তেনেহ'লে চাৰ কুমাৰ দাসক বিচাৰি উলিয়াব কেনেকৈ?'

'এতিয়াও কুমাৰ দাসক বিচাৰি উলিয়াবলৈ হেজাৰটা কৌশল আছে।' এছ. পিয়ে ছিগাৰেট এটা জ্বলাই ক'লে, 'শুনক। মই ডচিয়াৰবোৰ পঢ়ি অনুমান কৰিছো কুমাৰ দাসৰ লগত পাৱাৰ হাউচৰ কোনো ফৰ্থগ্ৰেড কৰ্মচাৰীৰ সম্পৰ্ক নাই। থাকিব নোৱাৰে। অৱশ্যে জগদীশ ছেত্ৰীবোলাজনৰ চৰিত্ৰটো কিছু সন্দেহজনক। কিয়নো এমাহমান আগতে চুলাই মদ বিক্ৰীৰ অভিযোগত ছেত্ৰীক ধৰা পেলোৱা হৈছিল। চুলাই মদৰ সংক্ৰান্ততে ডফলা গাওঁৰ লগত জগদীশৰ সম্পৰ্ক থাকিব পাৰে। কুমাৰ দসে জগদীশৰ সহায়ত ডফলা গাওঁলৈ পলাই যাব পাৰে। অৱশ্যে এইটো এটা সম্ভাৱনাহে।'

উশাহ এটা সলাই এছ. পিয়ে পুনৰ ক'লে, 'অফিচাৰ বোৰৰ ভিতৰত জুনিয়ৰ ইঞ্জিনীয়াৰ প্ৰদীপ দাসৰ ঘৰ তেজপুৰৰ বাৰ হলীয়াত। কুমাৰ দাসৰ ঘৰো তাতেই। আনহাতে কুমাৰ দাস এবছৰ যোৰহাটৰ ইঞ্জিনীয়াৰি ইষ্টিটিউটত পঢ়োতে মুকুট চৌধুৰীয়েও পঢ়িছিল। সেই হিচাপে কুমাৰ দাসৰ লগত প্ৰদীপ দাস আৰু মুকুট চৌধুৰীৰ যোগসূত্ৰ থাকিব পাৰে। গতিকে আপুনি জগদীশ ছেত্ৰী, প্ৰদীপ দাস আৰু মুকুট চৌধুৰীৰৰ ঘৰ চাৰ্চ কৰিব। আকৌ কিশোৰ গগৈৰ মতে যুগল দত্তই জগদীশক বিচাৰিছিল। কিয় ? মই অনুমান কৰিছো জগদীশৰ ওপৰত যুগল দত্তৰ কিবা এটা সন্দেহ উপজিছিল। গতিকে মই নিজে জগদীশৰ ঘৰলৈ গৈ চাৰ্চ কৰা ভাল হ'ব।'

তেনেতে এছ. আই দেউৰী সোমাই অহা দেখি এছ. পিয়ে সুধিলে, 'কি খবৰ দেউৰী ?'

'মেকানিক পৰেশ বৰাই জনাইছে তেওঁ এঘন্টামান আগেয়ে জগদীশক জীপখন লৈ ডফলা গাওঁলৈ বুলি যোৱা ৰাস্তাৰে গৈ থকা দেখিছিল। কাষৰ চিটত অইন এজনকো বহি যোৱা দেখিছিল।'

'আৰু সেইজনেই কুমাৰ দাস।' মাত লগালে লেফঃ চাংমাই।

'হ'বও পাৰে। নহ'বও পাৰে।' এছ. পি. উঠিল। হাতত থকা ছিগাৰেটতো এচষ্ট্ৰেখনত গুজি থবলৈ গৈয়ো তেওঁ থমকি ৰ'ল। এচ. ষ্টেত দুটা ডানহিল ছিগাৰেটৰ টুকুৰা। কিন্তু.... এই সামান্য ঠাইখনত ডানহিল ছিগাৰেট খাব পৰা লোকেই বা আছে কোন!

'বৰা, আপোনাৰ হাতত কিমানজন পুলিচ আছে?'

'বাৰজন। বেছিকৈ আনিবলৈ আপুনিয়েই হাক দিলে।'

'আৰু চাংমাৰ হাতত ?' সুধিলে এছ. পিয়ে।

'হাতত এজনো নাই। অৱশ্যে মই গোটেইকিটা ইউনিটকে এলাৰ্ট কৰি দিছো। কিমিনৰ পাহাৰ বগাই এতিয়া কুকুৰ এটাও পাৰ হৈ যাব নোৱাৰে।'

'আপুনি তেন্তে কেম্পৰ পৰা জীপ এখন পঠিয়াই দিব কওঁক। আপোনাৰ জীপখন আহি পালে আমি ডফলা গাঁৱলৈ যাম। কিন্তু তাৰ আগেয়েই যুগল দত্তৰ ঘৰলৈ গৈ তেওঁ ঘৰ গৈ পালে নে নাই খবৰ ল'ব লাগিব।'

লেফঃ চাংমা উঠি গ'ল।

'কিন্তু চাৰ, যুগল দত্ত ঘৰতো নাই। গগৈয়ে ফ'ন কৰিয়ো নাপালে।'

'মোৰ বোধেৰে তেওঁ জগদীশ ছেত্ৰীৰ ঘৰলৈ গৈছে। আমিও তালৈ যোৱা ঠিক হ'ব।'

'ছেত্ৰীৰ ঘৰলৈ এম্বেচাডৰ নিব নোৱাৰি। জীপ নিব লাগিব।'

'তেন্তে আমি জীপেৰে যাওঁ। দেউৰীয়ে শইকীয়াক লৈ মুকুট চৌধুৰী আৰু প্ৰদীপ দাসৰ ঘৰ চাৰ্চ কৰিব। যুগল দত্তৰ পৰিবাৰক সুধিব যুগল দত্ত কেতিয়া ওলাই গৈছে, ক'লৈ গৈছে আৰু কিয় গৈছে। মই ছেত্ৰীৰ ঘৰত অথবা কণ্ট্ৰলৰুমত থাকিম।'

এছ. পিয়ে আকৌ এবাৰ এচট্ৰেতোলৈ চালে।

'আপোনালোকৰ পাৱাৰ হাউচ ষ্টেচনৰ কোনে ডানহিল ছিগাৰেট খায়?' সুধিলে এছ. পিয়ে।

৯

'দুৰ্গা।' চিঞৰিলে যুগলে।

'কোন?' ভিতৰৰ পৰা নাৰীকণ্ঠৰ কণ্ঠস্বৰ ভাঁহি আহিল।

'মই।' যুগলে পৰিচয় নিদিলে।

দৰ্জাখন সামান্য মেল খালে। ফাঁকটোৰে সমুখত যুগলক দেখি দুৰ্গা ছেত্ৰী বিমোৰত পৰিল। বৰচাহাবক এতিয়া কি বুলি সম্ভাষন জনাব তাই ঠিৰাং কৰিব নোৱাৰিলে।

যুগলে দুৰ্গালৈ চাই দৰ্জাখন নিজেই আৰু ফাঁক কৰি দি ভিতৰলৈ সোমাই গ'ল। দৰ্জাখন বন্ধ কৰি যুগলে এইবাৰ ছিগাৰেট এটা জ্বলালে।

'বহঁক।' ড্ৰইংৰুম বুলিব পৰা সৰু কোঠাটোৰ আটাইতকৈ সন্মানীয় বেতৰ চকীখনলৈ দেখুৱাই দুৰ্গাই কোনোমতে ক'লে।

'জগদীশ নাই?' যুগলে বহিলৈ সুধিলে।

'নাই। কেতিয়াবাই ওলাই গ'ল।'

'জানো। আৰু জানো ঘুৰিও আহিছিল জীপেৰে। ইয়াত কিমান পৰ আছিল?'

'মানে দহমিনিটমান আছিল। বটল দুটালৈয়ে আকৌ গুছি গ'ল।'

'লগত কোন আছিল?'

'পু... লি...ন.... দাস.......'

'জগদীশে আৰু কি কৈছিল?'

'এঘণ্টা মানৰ ভিতৰত আহি পাম বুলি কৈছিল।'

যুগলে ঘড়ীটো চালে। চাৰে এঘাৰটা বাজিছে এতিয়া। আৰু দহ পোন্ধৰ মিনিটৰ ভিতৰতে জগদীশ আহি পাব পাৰে। কিন্তু তেতিয়ালৈ সি জানো ইয়াতে অপেক্ষা কৰাটো যুক্তিসংগত হ'ব? ওহো, যুগল উঠি ঠিয় হ'ল। সি পেন্টৰ পকেটখন খেপিয়াই চালে। হাতত এশটকীয়া নোট এখন উলিয়াই দুৰ্গালৈ আগবঢ়াই দি ক'লে, 'মই ইয়ালৈ অহা বুলি যাতে কোনেও গম নাপায়।'

দুৰ্গাই নোটখন লৈ হাঁহি দিলে। 'আকৌ আহিব?' সুধিলে তাই।

যুগল দুৱাৰ দলি পাৰ হ'ব খুজিও ৰৈ গ'ল। সি হাঁহিলে। তাৰ মানে দুৰ্গাৰ পৰা সি নিশ্চিত হ'ব পাৰিব। এতিয়া মাথো দুঃশ্চিন্তা বঢ়াবলৈ আছে জগদীশ, পুলিন দাস আৰু কুমাৰ....

'অহাকালি ৰাতি! জগদীশৰতো গোটেই ৰাতি ডিউটি থাকে।'

যুগল গুছি আহিল। ডফলা গাৱঁলৈ যোৱা ৰাস্তাটোৰে যুগল খৰখোজেৰে আগবাঢ়িল। আধাঘণ্টামান পিছত সি দেখিলে দূৰৈত দুটা পোহৰৰ চলমান বিন্দু। তাৰমানে জীপখন আহি আছে!

কেইমিনিটমান পিছতে জীপখন আহি যুগলৰ ওচৰত ৰৈ গ'ল।

'চাৰ.....!! আপুনি ইয়াত....!!!'

যুগলে জীপখনৰ ভিতৰলৈ চালে। জগদীশৰ ওচৰত পুলিন দাস। সিকাষত গেগং লগী।

লগীলৈ চাই যুগলে ইংগিত এটা দিলে। লগী নামি আহিল।

'তই জীপখন অলপ আঁতৰত ৰখাই থ। লাইট কেইটাও নুমাই থবি।'

জগদীশে জীপখন কিছুদূৰ আগুৱাই ৰখাই দি হেড লাইট দুটা পিছমুহূৰ্তত নুমুৱাই দিলে। পাহাৰী পথটো এতিয়া সম্পূৰ্ণ অন্ধকাৰ।

'কি কাম?' লগীয়ে সুধিলে।

'তিনিটাক শেষ কৰি দিব লাগে।'

'তিনিটা? তাৰমানে দুটা জীপখনত থকা?'

'ঠিক ধৰিছ। তই জীপখনেৰে গৈ সুযোগ বুজি জগদীশেৰে সৈতে দুইটাকে পাহাৰৰ পৰা তললৈ পেলাই দিব লাগিব যাতে মানুহে এক্সিডেণ্ট বুলি গণ্য কৰে। গাড়ীত মদৰ বটল দুটা আছেই। প্ৰমাণ ভাল হ'ব।'

'আৰু?'

'মোৰ ঘৰৰ ষ্ট'ৰ ৰুমত মানুহ এটা শুই আছে। মানুহটোক শেষ কৰি দিব লাগিব।'

'ডেডবডীটো?'

'পিছফালে চোতালৰ এমূৰত গাত এটা খান্দি পুতি থবি। কাম শেষ হ'লে ডফলা গাৱঁলৈ গুছি যাবি। মই কাইলৈ দহ হাজাৰ টকা পঠিয়াই দিম।'

'দহ হাজাৰ নহয়, বিশ।'

'পোন্ধৰ হাজাৰ।'

'ঠিক আছে পোন্ধৰ হাজাৰ। কিন্তু ঠিক কালিলৈ, পৰহিলৈ মই বাট নাচাওঁ।'

লেগং লগী খৰ খোজেৰে জীপখনলৈ বুলি খোজ ল'লে।

১০

'এইটোৱেই জগদীশ ছেত্ৰীৰ ঘৰ।'

জীপখন লগে লগে ৰৈ গ'ল। পিছফালে বহি থকা চিপাহী কিজনে জীপখনৰ পৰা নামি নিমিষতে ঘৰটো বেড়ি ধৰিলে। অ. চি. বৰাই এইবাৰ বন্ধ হৈ থকা দৰ্জাখনত টুকুৰিয়ালে।

'কোন?' ভিতৰৰ পৰা দুৰ্গাই মাত দিলে।

'আমি পুলিচ।'

কেইমুহূৰ্ত্তমান পাৰ হৈ গ'ল। অ. চি. বৰাই দৰ্জাখনত আকৌ টোকৰ দিয়াৰ পিছতে দৰ্জাখন খোল খালে।

দুৰ্গাৰ মুখখন এইবাৰ শেঁতা পৰা।

'জগদীশ ক'ত আছে?'

'ডিউটিলৈ গৈছে।'

'মিছা কথা।'

'একদম সঁচা কথা হুজুৰ।' দুৰ্গাই আৰু কিবা ক'ব ওলাইয়ো এছ. পিক. দেখি

নিমাতে ৰ'ল। ডেকা সুপুৰুষ এছ. পিয়ে ভিতৰলৈ সোমাই আহি চাৰিওফালে চকুফুৰাই গহীনাই সুধিলে, 'ছেত্ৰী জীপ খন লৈ কেতিয়া আহিছিল ?'

'মানে.... তেখেতটো অহা নাই.... ডিউটি....'

এছ. পিয়ে চিপাহীকিজনলৈ চাই ক'লে, 'এইৰ কাপোৰ কানি খুলি ভিতৰলৈ লৈ যোৱা। মই পোন্ধৰ মিনিট সময় দিছো। এইখিনি সময়ৰ ভিতৰত যি ইচ্ছা যায় কৰি ল'বা।'

দুৰ্গাই এইবাৰ দৌৰি আহি এচ. পিৰ ভৰি দুখন সাৱটি ধৰিলে। ক'লে 'হুজুৰ! মই সব ক'ম। মোৰ ইজ্জত হানি নকৰিব হুজুৰ।'

'কেতিয়া আহিছিল ছেত্ৰী ?'

'এঘণ্টাৰ আগেয়ে।'

'অক'লে ?'

'লগত কোনোৱা এজন আছিল। জীপতে বহি আছিল। মই চিনি নাপালো।'

'ক'লৈ গৈছে?'

'ডফলা গাৱঁলৈ। শেষৰাতিহে উভতিব বোলে।'

'তেন্তে কুমাৰ দাসক জগদীশে ডফলা গাৱঁলৈ লৈ গ'ল। আমি এতিয়া ডফলা গাৱঁলৈ যোৱাটোহে সমীচিন হ'ব।'

'ওঁহো অকণো লাভ নহ'ব। সিহঁত ইতিমধ্যেই ডফলা গাওঁ পালেগৈ। গেগং লগীৰ গাওঁত সোমালেতো আমাৰ সাধ্য নহ'ব কুমাৰ দাসক বিচাৰি উলিয়াই অনা। তদুপৰি....' এছ. পি. ৰ'ল। তাৰ পিছত আকৌ ক'লে, 'কিন্তু জগদীশৰ দৰে ফ'ৰ্থগ্ৰেডৰ এমপ্লয়ী এটাই জীপখন নিজ ইচ্ছামতে লৈ যাব নোৱাৰে। হয় চৌধুৰী বা দাসে জগদীশক অনুমতি দিছে। নতুবা জগদীশে যুগল দত্তক কিবা এটা অজুহাত দেখুৱাই জীপখন লৈ গৈছে আৰু সেইকাৰণেই যুগল দত্ত বিবুদ্ধিত পৰি এতিয়া জগদীশক বিচাৰি ফুৰিছে। তেওঁ ইয়ালৈকো আহিছিল। কিন্তু বেছি সময় থকা নাছিল। ছিগাৰেট এটাৰ পাচ-ছয় হোপামান খাবলৈ যিমান সময় লাগে, সিমান সময়লৈ। হয়নে ?' এছ পিয়ে এইবাৰ দুৰ্গালৈ চালে।

'মানে....' দুৰ্গাই সেপ ঢুকিলে।

'বৰা। আপুনি ফ'ন কৰি লালুক থানাৰ পৰা আৰু তিনি চেকচন চি. আৰ. পি লৈ আহিব কওঁক। উঃ লক্ষীমপুৰলৈ ফোন কৰি দুজন মেজিষ্ট্ৰেট পঠিয়াই দিবলৈ ডি. চিক অনুৰোধ কৰিব।'

এছ. পিয়ে খোজ ল'লে।

তেনেতে জীপখনৰ পৰা ড্ৰাইভাৰে চিঞৰি দিলে, ' ৱায়াৰলেচ মেচেজ আহিছে।'

অ. চি. বৰা দৌৰি গ'ল।

মেচেজটো ৰিচিভ কৰি বৰা আকৌ দৌৰি আহি ক'লে ' চাৰ খবৰ বেয়া। আছাম ৰাইফলচৰ লেফটেনেণ্ট চাহাবে জনাইছে তেওঁৰ মানুহে খবৰ দিছে ডফলা গাৱঁলৈ যোৱা ৰাস্তাটোৰ পৰা গাড়ী এখন পাহাৰৰ তললৈ পৰি গৈছে।'

'এক্সিডেন্টটো কিমান আগেয়ে ঘটিছে?'

' আধাঘন্টামান হ'ব বোলে। আছাম ৰাইফলচৰ মানুহে ৰচী লৈ গৈছে। ঠাইখিনিলৈ নামি যাব হ'লে ৰছীৰ সহায় লব লাগিব। তদুপৰি বোলে বাঘৰ গোজৰনী...'

' ইয়াৰ পৰা কিমান দূৰত?'

' তিনি কিলোমিটাৰ দূৰত এক্সিডেন্টটো ঘটিছে।'

'তেন্তে বৰা, আপুনি আছাম ৰাইফলচৰ কাৰণে নিৰ্ভৰ কৰিলে নচলিব। আপুনি নিজেই অন দা স্পট তদন্ত কৰিব লাগিব।'

' আপোনাক চাৰ প্ৰথমে কণ্ট্ৰলৰুমত থৈ আহো। তাৰ পিছত....'

' ব'লক।'

জীপখন পোন্ধৰ মিনিটৰ ভিতৰত অইন এটা চমু পথেৰে আহি পাৱাৰ হাউচ ষ্টেচন পালেহি। এছ. পি. আৰু তিনিজন চিপাহী নামি যোৱাৰ লগে লগে জীপখনে আকৌ গতি ল'লে। এছ. পি. খৰ খোজেৰে আহি কণ্ট্ৰলৰুম পালেহি। কণ্ট্ৰলৰুমৰ বাৰান্দাৰ বেঞ্চত সুভাষ পায়েঙ আৰু কিশোৰ গগৈ বহি আছিল। এছ. পি তেওঁলোকলৈ চাই ভিতৰলৈ সোমাই গৈ টেলিফোনটোৰ ডায়েল ঘূৰালে।

টেলিফোনটো ডেড হৈ থকা দেখি ৰিচিভাৰ ক্ৰেডেলত থৈ এচ. পিয়ে চিঞৰিলে, ' সিঙ!'

চিপাহী এজন ভিতৰলৈ সোমাই আহি চেলাম দিলে।

'মোৰ গাড়ীত থকা ৱায়াৰলেচ ছেটটোৰে মেচেজ এটা পঠিওৱা যে এতিয়াই তিনি চেকচন চি. আৰ. পি লাগে আৰু উত্তৰ লক্ষীমপুৰলৈ খবৰ পঠিয়াই কবা দুজন মেজিষ্ট্ৰেট লাগে বুলি। এতিয়াই।'

সিঙে চেলাম দি গ'ল। কিন্তু কেইমিনিটমান পিছতে আকৌ ঘুৰি আহিল।

'কি হ'ল আকৌ?' এছ. পি. কিছু আচৰিত হ'ল।

'মানে... আপোনাৰ গাড়ীখনতো নাই....'

'কি?'

এছ. পি. মুহূৰ্ত্ততে গাড়ীখন ৰখোৱা ঠাইখণ্ডলৈ দৌৰি গ'ল। সঁচায়ে গাড়ীখন নাই। কিন্তু ক'লৈ যাব গাড়ীখন? ত্ৰিশবছৰ চাকৰী কৰা ড্ৰাইভাৰ নগেন নাথে গাড়ীখন কেতিয়াওঁ নিনিয়ে। অন্ততঃ তেওঁক নোকোৱাকৈ। তেন্তে..... ?

টৰ্চটো জ্বলাই লৈ এছ. পিয়ে চাৰিওফালে চালে।

'অ' মাই গড! নগেন নাথক কোনে....' কথাষাৰ শেষ নকৰাকৈয়ে এছ. পি. জোপোহা এডালৰ ওচৰলৈ দৌৰি গ'ল। নগেন নাথ শুই আছে। দুই কোঁৱাৰীয়েদি তেজৰ সুঁতি দুটা বৈ আহিছে।

'শেষ।'

এছ. পি. উঠি থিয় হ'ল। কোনে হত্যা কৰিলে নাথক? যিয়ে হত্যা কৰিছে সেইজনেই গাড়ীখনো লৈ গৈছে। লগত আছে গাড়ী খনত থকা ষ্টেনগানটো। কিন্তু কোনে? কুমাৰ দাসে নে অইন কোনোবাই......

কিন্তু এক্সিডেন্টটো .... হয়তো.....

'চাৰ! কোনোবা কেইজনমান আহি আছে।' সিঙে ক'লে।

১১

'চাৰ! আপুনি...!!'

এছ. আই দেউৰী এছ. পিক দেখি আচৰিত হ'ল। তেওঁ চেলাম এটা দি ক'লে, 'আপুনি গুছি যোৱা বুলিহে মই ভাবিছিলো।'

'ঘৰ চাৰ্চ কৰিলে?'

'কৰিলো। পিছে একোৱেই নাপালো।'

'মই তেনেকুৱা অনুমান এটাই কৰিছিলো। যুগল দত্তক ঘৰত পালে নে?'

'যুগল দত্তৰ ঘৰৰ সন্মুখত আপোনাৰ গাড়ীখন ৰোৱা দেখি....'

'মোৰ গাড়ীখন?'

'হয় চাৰ। সেইদেখিয়েই আমি তেওঁৰ ঘৰত নোসোমাই প্ৰথমে দাস আৰু চৌধুৰীৰ ঘৰলৈ বুলি.....'

'কিমানপৰ ৰৈছিল গাড়ীখন?'

'একমিনিট মান হ'ব। পিছত ৰঙা লাইট জ্বলাই গাড়ীখন গুছি গ'ল।'

'কুমাৰ দাস পলাল। তাৰ হাতত মোৰ গাড়ীখন আৰু গাড়ীত থকা ষ্টেনগানটো আছে। কিন্তু গাড়ীখন যুগল দত্তৰ ঘৰত ৰ'ল কিয়?' কথাষাৰ নিজকে নিজে কৈ এছ. পি. অগ্ৰসৰ হ'ল।

'চাৰ।'

এছ. পিয়ে অগ্ৰসৰ হোৱা দেখি দেউৰীয়েও পিছ ল'লে। কিছুসময়ৰ পিছতে তেওঁলোক যুগল দত্তৰ ঘৰ পালে। ঘৰটো অন্ধকাৰত ডুব গৈ আছে। নিস্তব্ধ পৰিবেশ।

'সন্মুখৰ দৰ্জাখন ঠেলি চাওঁকছোন।'

ৰিভলভাৰটো উলিয়াই লৈ দেউৰী বাৰান্দাখনত ভৰি দিলে। দৰ্জাখন ঠেলি চাই তেওঁ মাত লগালে 'দৰ্জাখন খুলি থোৱা আছে চাৰ।'

'তেন্তে আপুনি চিপাহীকেইজনকলৈ ভিতৰলৈ সোমাই যাওঁক।'

কেইমিনিটমান নীৰৱে গ'ল। হঠাতে ৰিভলভাৰৰ গুলীৰ শব্দ শুনি এছ. পিয়ো ভিতৰলৈ সোমাই গ'ল। ডাইনিং ৰুমতে দেউৰীক লগ পালে তেওঁ।

'কি হ'ল দেউৰী?'

'মানুহ এটা খিৰিকীৰ ৰ'ড কাটি সৌ ষ্টৰ ৰুমটোলৈ সোমাব খুজিছিল। আমি দেখি গুলিয়াই দিলো।'

এছ. পি. ষ্টৰ ৰুমৰ ভিতৰলৈ গ'ল। লাইটটো জ্বলাই তেওঁ সিয়ঁৰি উঠিল।

'লগী?'

এছ. পি. আগুৱাই গ'ল। গেগং লগীৰ ৰক্তাক্ত দেহটো মজিয়াত বাগৰি পৰিছে। হাতৰ মুঠিত তেতিয়াও ধাৰাল ডেগাৰ এখন জিলিকি আছিল।

'তই কাক মাৰিব আহিছিলি লগী?'

লগীয়ে চকু মেলিলে। এবাৰ এছ. পিলৈ চাই পিছৰবাৰ বিছনাখনলৈ আঙুলিয়াই দি লগী ঢলি পৰিল।

'কুমাৰ দাস এই বিছনাখনতে শুইছিল।' এছ. পি. বাহিৰলৈ আহি সুধিলে, 'মিচেচ দত্তক পালে নে?'

'তেখেতো নাই। বোধকৰো কুমাৰ দাসে.....'

বাহিৰত জীপখন ৰোৱা দেখি এছ. পি. বিদ্যুৎ বেগেৰে বাহিৰ পালেগৈ।

'ৰবা। আপুনি ৱায়াৰলেচ ছেটটো চালু কৰক। বিহপুৰীয়া থানাক জনাওঁক, মোৰ গাড়ীখন গৈ আছে। সেইখন ৰখাব লাগে। যিকোনো উপায়ে, যিকোনো মূল্যত। কিন্তু সাৱধান হ'বলৈ ক'ব। তাত কুমাৰ দাস আছে.... লগত ষ্টেনগান এটা আৰু এগৰাকী কেপটিভ লেডী।'

ৱায়াৰলেচ ছেটটো চালু হ'ল।

ৰবা উত্তেজিতহৈ কথা পাতিছে। জীপখনৰ পৰা মানুহ এজন নামি অহা দেখি এছ. পি. চমকি উঠিল।

'দত্ত?'

'হয় চাৰ। আমি বাটতে লগ পাই উঠাই আনিলো।'

এছ. পিয়ে যুগললৈ চালে। বেচেৰাক কি ক'ব তেওঁ?

'গাড়ীখন অলপ আগতে বিহপুৰীয়া পাৰ হৈ গৈছে।'

'তেন্তেনাৰায়নপুৰ আৰু ঢলপুৰ থানাক খবৰ দিয়ক। বিহপুৰীয়ালৈকো ফ'ন কৰিব কওঁক।'

বিপ.... বিপ.... বিপ.....

'হেল্ল..... নাৰায়ণপুৰ থানা .... অভাৰ..... গাড়ীখন ৰখালো.... পুলিচ ফায়ৰিঙত মহিলা এগৰাকীৰ মৃত্যু ..... কুমাৰ দাসৰ মাইনৰ ইনজুৰি ..... গ্ৰেপ্তাৰ কৰিছো... অভাৰ....'

ৰবাই উল্লাসতে চিঞৰি দিলে।

এছ. পি. বৰ গহীন খোজেৰে যুগলৰ ওচৰত ঠিয় হ'ল।

'মই দুখিত দত্ত! যি হ'বলগীয়া আছিল সেয়েই হ'ল। আপুনি দুখ নকৰিব। ডি. চিক. মই অনুৰোধ কৰিম যাতে আপোনাৰ ৱাইফৰ মৃত্যুৰ কমপেনছেছন এটা দি......'

যুগলে মুখখন দুহাতেৰে ঢাকি দি উচুপিলে।

বৰ অন্ধকাৰ! এই অন্ধকাৰ বৰ গাঢ়!!! ●